# অসম বিধান সভা অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ২৭/০৩/২০১৮ মঙলবাৰ

**আজি ইংৰাজী ২৭-০৩-২০১৮ তাৰিখে অসম বিধান সভাৰ বাজেট অধিবেশন পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচীমতে পুৱা ৯.৩০ বজাৰ পৰা আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** Good morning to all. Question no. 321, Sherman Ali Ahmed. Minister please.

**শ্ৰীহিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্দিয়া ব্লকৰ বাঘবৰ সমষ্ঠিত এটা সময়ত শিক্ষা ব্যৱস্থাটো ইমান বেয়া আছিল যে প্ৰায় ২২ খনলৈ এল পি স্কুলত zero teacher আছিল। ৩০০-৪০০ জন ছাত্ৰৰ ভিতৰত এজনকৈ শিক্ষক আছিল। কিন্তু অতি সম্প্ৰতি মাননীয় মন্ত্ৰী মহোদয়ে বহু সংখ্যক টেট শিক্ষক নিযুক্তিৰ যোগেদি এই শিক্ষা ব্যৱস্থা যথেষ্ট উন্নত কৰিছে। তাৰ কাৰণে মই আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছোঁ। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, এতিয়াও বাঘবৰ সমষ্ঠিত ৬৩ খন এল পি স্কুলত প্ৰৰ্য্যা প্ত পৰিমাণে শিক্ষক নাই। ইয়াৰ ৮ খন এল পি স্কুলত যেনে ১৮৩৪ নম্বৰ মধ্য বাঘমৰা এল পি স্কুলত ৯০ জন ছাত্ৰ, কিন্তু তাত মাত্ৰ এজনহে শিক্ষক আছে। এনেকৈ প্ৰায় ৮ খন এল পি স্কুলত এজনীয়া শিক্ষকৰে চলি আছে আৰু এই ৬৩ খন এল পি স্কুলত, দুটামান মই উদাহৰণ দিছো, ১২২৩ নম্বৰ চিলশী এল পি স্কুলৰ ছাত্ৰ ৩০০, শিক্ষক থাকিব লাগিছিল ১০ জন, কিন্তু আছে মাত্ৰ ৪ জন। PT ratio এতিয়া ৭৫.১ হৈ আছে। তেনেকৈ ১৪০৩ নম্বৰ মাজৰ চৰ শিশু এল পি স্কুলত ২৬০ ছাত্ৰ, শিক্ষক আছে মাত্ৰ ৩ জন। PT ratio হৈ আছে ৮৭.১। একেধৰণে মাননীয় অধ্যক্ষ মহোদয়, ২৩ খন এম ই, এম ই এম আৰু এম ভি স্কুলত পৰ্য্যাপ্ত শিক্ষক নাই। এম ই স্কুলত ৫ জন শিক্ষক থাকিব লাগে, এম ই এমত ৬ জন আৰু এম ভি স্কুল প্ৰথম শ্ৰেণীৰ পৰা অষ্টমমান শ্ৰেণীলৈ থাকে, উত্তৰ পশ্চিম দেউদী এম ভি স্কুলত মাত্ৰ ২ জন শিক্ষক, ৮ টা শ্ৰেণী। সেই ধৰণে ২৩ খন এম ই, এম ই এম আৰু এম ভি স্কুলত পৰ্য্যাপ্ত শিক্ষক নাই আৰু মাননীয় অধ্যক্ষ মহোদয়, কে ইবাখনো Higher Secondary, Bamunga Higher Secondary School ত ১৩ টা খালী পদ আছে, তাৰে ১০ টা Teaching Staff, প্ৰায় ১০৩৪ জন ছাত্ৰ তাত Principal নাই, Vice Principal নাই, Assamese, History, Education ৰ Subject Teacher নাই। Scince, Mathematic, Arts, Education ৰ Assistant Teacher নাই, একেধৰণে Mainbori Higher Secondary School টো Vice Principal নাই, Political Science, Mathematic, Chemistry, Botany, Economic ৰ Subject Teacher নাই।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্নটোলৈ আহক।

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** মন্দিয়া Higher Secondary School ত Mathematic Teacher নাই, Science Teacher নাই, গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ

জনাব খুজিছোঁ যে শিক্ষকৰ যিখিনি সমস্যা, মোৰ ৬৩ খন এল পি স্কুলত PT ratio maintain কৰিবলৈ ১২০ জনমান শিক্ষক লাগে আৰু এম ই স্কুলত PT ratio maintain কৰিবলৈ এতিয়াও ৮০ জন শিক্ষক লাগে। এইখিনি তৎক্ষণাত তাৰ লগতে Higher Secondary ২ খন আৰু হাইস্কুল ১ খন আছে। মানিকপুৰ JK High School, মানিকপুৰ জনকল্যাণ এম ই মাদ্ৰাছা আৰু মানিকপুৰ এল পি স্কুল।

**মাননীয় অধ্যক্ষ ঃ** এই post খিনি পূৰণ কৰাৰ ক্ষেত্ৰত চৰকাৰ ব্যৱস্থাটো নহয় জানো? ৫ মিনিট গৈছে already.

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** গতিকে মই আপোনাৰ যোগেদি অনুৰোধ জনাব খুজিছোঁ যে এই গোটেইখিনি স্কুলত অতি সোনকালে শিক্ষক নিযুক্তিৰে এই অভাৱখিনি পূৰণ কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** Thank you, Minister please.

**ড°হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, পোনপ্ৰথমে মাননীয় সদস্য গৰাকীক ধন্যবাদ দিছোঁ যে শিক্ষাৰ লগত জড়িত প্ৰশ্ন এটা এই সদনত উত্থাপন কৰাৰ বাবে। এইটো কথা অনিস্বীকাৰ্য্য যে মন্দিয়া Education Blockত আমাৰ স্বাক্ষৰতাৰ হাৰ আজিৰ দিনত ৩৮ শতাংশ আৰু বহুত ছাত্ৰ-ছাত্ৰী শিক্ষা ব্যৱস্থাৰ পৰা দূৰত আছিল। আমাৰ চৰকাৰে মন্দিয়া অঞ্চলটোত আৰু বিশেষকৈ অসমৰ সংখ্যালঘু অধ্যুষিত অঞ্চলত শিক্ষা ব্যৱস্থাৰ উন্নয়নৰ কাৰণে দ্ৰুত গতিত কাম কৰিছে। মই আপোনাক জনাব পাই গৌৰৱ অনুভৱ কৰোঁ যে যোৱা কিছুবছৰৰ ভিতৰত ৭৭৭ গৰাকী টেট শিক্ষক মন্দিয়া Blockত নিযুক্তি দিয়া হৈছে। So, 777 appointment only in one education Block কিমান ডাঙৰ এটা achievement. অধ্যক্ষ মহোদয়, ক'ব পাৰে যে আজি আমাৰ শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই ৬৩ খন স্কুলত শিক্ষকৰ অভাৱৰ কথা সদনত উল্লেখ কৰিছে। ৬৩ খন স্কুলত ২ জনকৈ হয়টো ১২৬ হব। এতিয়া সেই একেটাই প্ৰশ্ন যদি ২ বছৰ আগতে কৰিলেহেতেন তেতিয়াহ'লে ৯০০ শিক্ষক নাই বুলি প্ৰশ্নটো আহিলহেঁতেন। তাৰমানে চৰকাৰে এটা Speedৰ লক্ষ্যত আগবাঢ়িছে, কিন্তু ইয়াত ব্যৱহাৰিক সমস্যা এইটোৱে আছে যে আমাৰ চৰকাৰে আপোনালোকে জানে যে অসমত চাকৰিৰ ব্যৱস্থাৰ ক্ষেত্ৰত ৫০ শতাংশ চাকৰি মহিলাৰ বাবে সংৰক্ষণ কৰিছিলে, তাৰ ফলত আমি যেতিয়া ১০০০ শিক্ষক নিযুক্তি দিওঁ তাত ৫০০ গৰাকীয়ে মহিলা আৰু জেনেৰেল কোটাৰ পৰা আৰু ১০০ গৰাকী মহিলা, প্ৰায় ৬০০ গৰাকী মহিলা হৈ যায়। তাৰপিছত তেওঁলোকক যেতিয়া মন্দিয়া, বাঘবৰৰ দৰে পিছপৰা অঞ্চলত posting দিয়া হয়, তেতিয়া সাধাৰণতে আমাৰ ওপৰত এটা pressure আহে যে তেওঁলোকক তাৰ পৰা আতৰাই লৈ আহিব লাগে। কালি সদনত আমি আলোচনা কৰিছিলোঁ, দুই এটা বিক্ষিপ্ত ঘটনাও ঘটে। যাৰ ফলত হয়তো যি ঠাইত নঘটে তাৰে মানুহেও panic হৈ transferৰ কাৰণে আমাক আৱেদন কৰে। এই সমস্যা এটা অধ্যক্ষ মহোদয় আমি faced কৰিছো, কিন্তু তাৰ মাজতো মই আমাৰ বিধায়কক ধন্যবাদ জনাম যে এইবাৰ তেওঁ Signature Scheme ত গোটেই টেট শিক্ষক সকলক একেলগে ৰখাৰ বাবে এটা খুব ধুনীয়া প্ৰস্তাৱ দিছে আৰু যিটো আমি এইবাৰ কৰিব খুজিছোঁ। মই সদস্য গৰাকীক আশ্বাস দিব খোজো যে আমি বৰ্তমান অসমত ৯৫১৩ টা vacancy fillupৰ কাৰণে Elementary scheme ত advertise দিছো আৰু মই ভাৱোঁ যে ২২ জুলাইত এই নিযুক্তিখিনি হ'ব আৰু হ'লে মোৰ এইটো চেষ্টা থাকিব যে মন্দিয়া Blockৰ যিখিনি অভাৱ অভিযোগ আছে সেইখিনি যাতে আমি দূৰ কৰিব পাৰো।Higher Secondary, High School ৰ সমস্যাটো হ'ল যে আমাৰ কংগ্ৰেছ চৰকাৰ যেতিয়া আছিল অসমত,

তেতিয়া এটা প্ৰচেষ্টা লোৱা হৈছিল যে এজন সাধাৰণ বিজ্ঞান, এজন ইংৰাজী, এজন গণিতৰ শিক্ষকক আমি contractual appointment দিম। কিন্তু যেতিয়া তলৰ পৰা ফাইলটো আহিল General science শব্দটো Replace হৈ Social science হৈ গ'ল।কোনে কেনেকৈ কিদৰে কৰিলে কোনেও নাজানে। কেবিনেটত মইয়ো বহি আছিলোঁ। সিদ্ধান্ত হৈছিল এজন বিজ্ঞানৰ শিক্ষক হ'ব। এজন অংকৰ শিক্ষক হ'ব আৰু এজন ইংৰাজীৰ শিক্ষক হ'ব। কিন্তু ফাইলটো তলৰ পৰা আহোতে ক'ত কেনেকৈ তেনেকুৱা হৈ গ'ল নাজানো। শ্ৰী গৌতম বৰা তেতিয়া শিক্ষামন্ত্ৰী আছিল। General Science টো Social Science হৈ গ'ল, যে Social Science ৰ এজন শিক্ষক হ'ব। But there is Subject named Social Science. তাৰ ফলত আমি যিবিলাক এজন এজনকৈ Science Teacher দিছিলো তাৰ অপব্যয় হ'ল। এতিয়া এই সমস্যাবোৰ আমাৰ চকুৰ সন্মুখত আছে। মই সন্মানীয় বিধায়কগৰাকীক আশ্বাস দিম মন্দিয়াৰ উচ্চতম মাধ্যমিকৰ পৰা প্ৰাথমিক বিদ্যালয়লৈ যিবোৰ সমস্যা আছে তাৰ সমাধানৰ বাবে আমি Sincerely চেষ্টা কৰিম আৰু আপোনাৰো সহযোগীতা কামনা কৰিম।

**শ্ৰী শ্বেৰমান আলী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই মহিলা শিক্ষকৰ ক্ষেত্ৰত যিখিনি অসুবিধাৰ কথা কৈছে , সেইবোৰ একেবাৰে সত্য আৰু সেইকাৰণে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক জিলা শিক্ষা বিষয়া আৰু সকলো TET Teacher ক লৈ এখন মিটিং কৰিছিলোঁ আৰু আশ্বাস দিছিলোঁ যে মোৰ Signature Scheme ত ৩০ টা location ত হোষ্টেল সকলো সুবিধা থকাকৈ বনাই দিম যাতে TET Teacher সকলে Transfer নলয়। যিয়েই নহওঁক , মাননীয় মন্ত্ৰী মহোদয়ে যি আশ্বাস দিছে , তাৰ কাৰণে মই তেখেতক ধন্যবাদ জনাইছোঁ আৰু তেখেতক আৰু এটা অনুৰোধ জনাব খুজিছোঁ যে, যিহেতু Signature Scheme ত হোষ্টেল হ'বই, যাতে কোনে শিক্ষকক তাৰ পৰা Transfer কৰা নহয়। মই মিটিং কৰি ৰাইজক আৰু TET Teacher সকলকো কৈ আছো যে আপোনালোকে কিবা অসুবিধা পালে মোক জনাব। মই সমাধা কৰিম। সেইকাৰণে কোনো TET Teacher যাতে Transfer নহয় সেইটো মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ।

তৃতীয়তে, অধ্যক্ষ মহোদয়, PS ধৰ্মপুৰ হাইস্কুলত কমাৰ্চ ষ্ট্ৰিম খোলাৰ কাৰণে প্ৰায় ১৪ লাখ মান টকা আবণ্টন দিছিল। মন্ত্ৰী মহোদয়ে জনাইছে ৪০ শতাংশ কাম সম্পূৰ্ণ হৈছে। এই কথাটো শুদ্ধ নহয়। ছত্ৰখনৰা হাইস্কুলটোহে শুদ্ধ। PS ধৰ্মপুৰ হাইস্কুলৰ এতিয়ালৈকে কামই আৰম্ভ হোৱা নাই। আজি প্ৰায় ৩ বছৰ হৈ গ'ল। এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক বিহিত ব্যৱস্থা লবলৈ অনুৰোধ জনাইছোঁ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰটো যদি সদনত ভুলকৈ আহিছে, তেতিয়াহ'লে মই নিশ্চিত ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আবুল কালাম ৰচিদ আলম। আপোনাৰ প্ৰশ্নটো related হ'ব লাগিব।

**শ্ৰী আবুল কালাম ৰচিদ আলম ঃ** মাননীয় অধ্যক্ষ মহোদয়, অলপতে আপোনালোকে নিশ্চয় গম পাইছে যে আমাৰ গোৱালপাৰা Science Academy ৰ অনুমতি বাতিল কৰিছে। এতিয়া তাৰ সেই ৩০০-৩৫০ Student ক'ত যাব? পৰীক্ষা আছে। মই Deputy Director, Council ৰ লগত আলোচনা কৰিছোঁ। তেওঁলোকে সচাঁকৈ ব্যৱস্থা কৰিছে পৰীক্ষা দিয়াৰ কাৰণে। চৰকাৰী Higher Secondary স্কুলত তেওঁলোকৰ পৰীক্ষা দিয়াৰ ব্যৱস্থা কৰি দিছে। কিন্তু পৰীক্ষাটো দিয়াৰ পিছত এই ছাত্ৰ-ছাত্ৰী সকল ক'ত যাব? তাত Higher Secondary ত

এতিয়াও বহুত post খালী আছে। অনতিপলমে মন্ত্ৰী মহোদয়ে যাতে তাৰ ব্যৱস্থা কৰে মই তাৰ বাবে অনুৰোধ জনাইছো

**Hon'ble Speaker :** Minister, if you desire then you can reply.

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, এই বিষয়টো যিহেতু বেলেগৰ লগত জড়িত, মই ব্যক্তিগতভাৱে কথাটো চাই দিম।

**Hon'ble Speaker :** Thank you. Now Question No. 322, Shri Aminul Islam . Minister please.

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়,উত্তৰ সদনৰ মজিয়াত ৰখা হ'ল।

**Shri Aminul Islam ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত ২০১৭-১৮ বৰ্ষৰ Budget ত কিমান টকা Revenue আৰু Capital Account ত ধাৰ্য্য কৰা হৈছিল আৰু তাৰ খৰচৰ যিটো তথ্য বিচাৰিছিলোঁ, তথ্যটো মোৰ অলপ এৰাই চলা যেন লাগিছে। গোটেই কথাকেইটাত মহাগাননিকৰ শব্দটো লগাই প্ৰত্যেকটো তথ্য দিয়াৰ পৰা বিৰত আছে। মই বিচাৰিছিলোঁ ২০১৭-১৮ বৰ্ষৰ যিখিনি Revenue Collection আৰু Revenue expenditure,আৰু Capital received আৰু Capital expenditure ৰ তথ্য। এতিয়ালৈকে কিমান হ'ল? এই কথাটো আমিও জানো যে, মহাগাণনিকৰ তথ্যটো কেইদিনমান পাছত ওলাব। বিত্তীয় বৰ্ষ শেষ হোৱাৰ পাছত আমি পাম। কিন্তু Deptt.এতিয়া লৈকে কিমান খৰচ কৰিলে। এটা হ'ল Audited Report আৰু এটা হ'ল Expenditure.বিত্ত বিভাগে যিখিনি ধন মোকলাই দিলে বা বিত্ত বিভাগৰ হাতত যিখিনি তথ্য আছে সেইখিনি মই বিচাৰিছিলোঁ কিন্তু ইয়াত Audited Report ৰ কথাটো উল্লেখ কৰি তথ্যটো নিদিলে। গোটেই কেইটা প্ৰশ্নৰ উত্তৰ এনেকৈয়ে দিছে। যিহেতু ইয়াৰ আগতে ফেব্ৰুৱাৰী মাহৰ ১৫ তাৰিখলৈকে ৪৪ শতাংশ ধন বিভিন্ন বিভাগত মোকলাই দিয়া তথ্যটো যোৱা মাহত ইয়াত দিছিল। গতিকে এইবাৰো দিব পাৰিলেহেঁতেন। কিন্তু কিয় নিদিলে মই বুজি নাপালোঁ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আমাৰ বিত্তীয় ব্যৱস্থাটো এনেকুৱা যে, বিত্তীয় বিভাগৰ মাজভাগত যেতিয়া এটা প্ৰশ্ন কৰা হয়, আজিলৈকে কিমান খৰচ হৈছে, তেতিয়া হিচাপটো tentative হয়। যোৱাকালি ৰাতি ১২ বজাতো বহুখিনি Ceiling Issue কৰিছোঁ, এতিয়া সেইখিনি খৰচত ধৰিম নেকি, কাৰণ Treasury ৰ পৰা ওলাই যাওঁতে আৰু ৪৮ ঘন্টা সময় লাগিব। সেইকাৰণে এই উত্তৰটোৰ তলত আমাৰ সন্মানীয় বিধায়ক মহোদয়ৰ উত্তৰটো যেতিয়া দিছো , তাত এটা শাৰী মই দিছো যে, ২০১৭-১৮ চনৰ AG Report আমাৰ ওচৰত september মাহত উপলব্ধ হ'ব। তেতিয়া আমি গোটেই তথ্যখিনি AG ৰ হিচাপত চাই দিব পাৰিম আৰু ২০১৭-১৮ চনৰ যিখিনি ব্যয় তাৰ বিতং তথ্য হাউচ চলি থকাৰ ভিতৰতে মই Lay কৰিম যিটোৰে ৩১ মাৰ্চলৈকে খৰচ কৰাৰ ধাৰণা এটা আপোনালোকক দিব। কিন্তু That will be a Provisional assessment. কিন্তু ২২ বা ২৩ তাৰিখলৈকে কিমান খৰচ হ'ল These question are itself misleading. সিদিনাখন ইয়াত এটা প্ৰশ্ন অনা হ'ল ৪৪ শতাংশ খৰচ হ'ল বা ৪৮ শতাংশ খৰচ হ'ল। পাছত মই অফিচত বহি চাই দেখো যে, এইটো ৫২ শতাংশ। Scheme ত থকা খৰচবিলাক কোনোবা Treasury ৰ পৰা আহে ক'ৰবাৰ পৰা নাহে। then it is used as a political weapon. যে এইটো কৰা হ'ল, এইটো কৰা নহ'ল। সেইকাৰণে ৩১ মাৰ্চৰ ৰাতি ১২ বজাত Treasury বন্ধ হ'ব। ২ বা ৩ এপ্ৰিল তাৰিখে মই এটা

Detail statement দি দিম। নহ'লে Misleading Answer House ত দি থাকিলে কেতিয়াৰা ময়ো Priviledge ত পৰিম। সেইকাৰণে আমাৰ স্পষ্ট কথা যে, ৩১ ত আমাৰ বিত্তীয় বৰ্ষ শেষ হ'ব আৰু শেষ হোৱাৰ লগে লগে ৪ বা ৫ তাৰিখে মই এটা Detail Report lay কৰি দিম। কিন্তু Sufficient to answer that we are moving towards. সৰ্বকালৰ ব্যয় কৰাৰ দিশত। It will be the biggest Investment this Year.2017-18 will be the biggest public investment in the history of Assam.Which will be nearly 68,000 crore to 70,000 crore.মই যেতিয়া কৈছিলো যে এই বছৰ আমি ৬৫,০০০ কোটি টকা খৰচ কৰিম, এখন paper ত লিখিছিল অহংকাৰী বিত্ত মন্ত্ৰীৰ এনেকুৱা কথা। এইটো অহংকাৰ নহয়। বিনম্ৰতাৰে কম যে, I will cross 65,000 crore. That we will achieve by 31 st March. আমি সুন্দৰ statement এটা এই House ৰ ভিতৰতে দি যাম।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ কথাখিনি মই বুজিছোঁ। আচলতে আমি এটা কথা সদায়ে শুনি থাকো যে, বিত্ত বিভাগত File ৰ Movement Slow হোৱাৰ কাৰণেই বিভিন্ন বিভাগত কাম-কাজ স্থবিৰ হৈ পৰে আৰু সেইকাৰণেই আমি মাজে- মাজে up to date report বিচাৰোঁ। কাৰণ মন্ত্ৰী মহোদয়ে যোৱাবাৰ Budget অধিবেশনতে কৈছিল যে, quarterly Review কৰিম যাতে ২৫ শতাংশ প্ৰত্যেক quarter ত খৰচ হয় আৰু এইটোৱে আমি বিচাৰোঁ। ইয়াত এটা কথা, ২০১৭-১৮ বৰ্ষৰ বাজেটত নিৰ্ধাৰিত পুঁজি, যিবোৰ বিভাগত এতিয়াও release কৰিবলৈ বাকী আছে, সেইখিনি পুঁজি কিমান দিনৰ ভিতৰত release কৰিব সেই কথাটো মন্ত্ৰী মহোদয়ে ৬ নং উত্তৰত প্ৰত্যক্ষ ভাৱে নক'লে। বৰঞ্চ কৈছে যে ইয়াক সোনকালে নিষ্পত্তিকৰণৰ ব্যৱস্থা কৰা হৈছে। গতিকে বাকী থকা পুঁজি খিনি এই বিত্তীয় বৰ্ষৰ ভিতৰতে প্ৰত্যেক বিভাগে পোৱাটো possible হ'ব নেকি?

**শ্ৰী হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, বিত্ত ইত্যাদিঃ** অধ্যক্ষ মহোদয়, remaining খিনি মুকলি কৰাটো possible হ'ব বুলি মই এই কাৰণে নকওঁ কিয়নো বাজেটত অসম পুলিচৰ ৬০,০০০ আৰক্ষী কনিষ্ঠ বলৰ দৰমহা ৰখা হৈছে। নিযুক্তিপ্ৰাপ্ত কনিষ্ঠবলৰ সংখ্যা হৈছে ৫৫ হাজাৰ। সেই ৫০০০ জনৰ দৰমহা এতিয়া মই কাক মুকলি কৰি দিম? মইতো ভুৱা মানুহ এজনক এই দৰমহা মুকলি কৰি দিব নোৱাৰো। আপোনালোকৰ TA/DA ৰ বাবে ৰখা হৈছে ১ কোটি টকা আৰু আপোনাৰ ঘূৰোতে খৰচ হ'ল ৯০ লাখ টকা। এতিয়া এই ১০ লাখ টকাটো মই এনেই দি দিব নোৱাৰো। আজি আমাৰ সদনত এনে বহুত বিধায়ক আছে যি সকল ১৯৮৫ চনৰ পৰাই বিধায়ক হৈ আছে। ইয়াৰ আগৰ সময়ছোৱাৰো যদি কোনোবা বিধায়ক আছে তেন্তে মই নাজানিম। আজিৰ দিনটোত বিত্ত বিভাগত গৈ চাই আহিলে দেখিব যে তাত ঠিকাদাৰ বা অন্য অফিচাৰ কোনো নাই, একেবাৰে শান্তি পৰিৱেশ। আমাৰ সন্মানীয় বিধায়ক সকলৰ ওচৰত তেওঁলোকৰ সমষ্টিৰ কোনো ঠিকাদাৰ আহিছে নেকি যে তেওঁৰ file টো বিত্ত বিভাগে ৰাখি থৈ দিছে, গতিকে clear কৰি দিব লাগে। এনে ধৰণৰ প্ৰশ্ন লৈ কোনোবা আহিছে নেকি? Treasury তো সেই একেই পৰিৱেশ বিৰাজমান, একোৱেই নাই। ২ বছৰ আগত এনে পৰিৱেশ বিত্ত বিভাগত নাছিল। ৩১ মাৰ্চ, ২০১৬ ৰ আগত বিত্ত বিভাগটো মাছৰ বজাৰৰ নিচিনা আছিল। কাৰোবাৰ যদি ১ লাখ টকা bill আছিল, তেওঁক তাৰে ৩০% বা ৪০% মুকলি কৰি দিয়া হ'ব এনে ধৰণে দৰ-দাম চলিছিল। কিন্তু এতিয়া তেনে নহয়। যোৱাকালি মই বিত্ত বিভাগৰ বিষয়া সকলৰ লগত মিটিং কৰি তেওঁলোকৰ যদি কিবা

কাম বাকী আছে দিবলৈ কৈছিলো যাতে গোটেইখিনি শেষ কৰি দিব পাৰো। গতিকে, আজিৰ দিনটোত মই আপোনালোকক অনুৰোধ কৰিছো যে, just for a change, এবাৰ Assam Secretariat ৰ F Block ত থকা Finance Department টো গৈ চাই আহিব। তাৰ পৰিৱেশ একেবাৰে নিজান, বাহিৰা মানুহ কোনোৱেই নাই। Treasury তো একো ভিৰ নাই। গতিকে মই ভাৱো যে, ইমান ধুনীয়াকৈ কামবোৰ কৰাৰ পিছত বিত্ত বিভাগত অভিযোগ কৰাটো one of the biggest lies. আজিৰ দিনত যদি কোনোৱে কয় যে বিত্ত বিভাগে টকা মুকলি কৰি দিয়া নাই, then that will be one of the biggest lies. এনেধৰণৰ system ২০১৫ চনলৈহে আছিল, যোৱা দুবছৰৰ ভিতৰত ইয়াৰ পৰিৱেশ সম্পূৰ্ণ সলনি হৈছে। কম্পিউটাৰত ১২ হাজাৰ ceiling ৰ proposal আহিছে, তাৰে ১১,৯০৫ বা ১১,৯১০ টা আমি release কৰি দিওঁ। বাকী থকা ৫ বা ৬ টা আমি reject কৰো আৰু তাৰ কাৰণটো আমি বিভাগৰ বিষয়াসকলক বুজাই দিওঁ। Field ত যদি তেওঁলোকৰ কাম ১০% হয় কিন্তু তাৰ bill টো যদি ২০% দেখুৱায়, তেনে ক্ষেত্ৰত আমি ১০% হে মুকলি কৰি দিওঁ। তাৰ বাহিৰে অন্য প্ৰশ্নবোৰ বিধায়ক সকলে বিধান সভাত উত্থাপন কৰাৰ কি অৰ্থ আছে? কাৰণ আপোনালোকৰ M.L.A Fund, শ্বহীদ Fund, Untied Fund, সকলো Fund ইতিমধ্যে ওলাই গ'ল।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। প্ৰদীপ হাজৰিকা।

**শ্ৰী প্ৰদীপ হাজৰিকা, মাননীয় সদস্য (আমগুৰি)ঃ** অধ্যক্ষ মহোদয়, ২০১৬-১৭ বিত্তীয় বৰ্ষৰ তথ্য অনুসৰি ৩১ মাৰ্চ ২০১৭ চনত ৰাজ্যখনে বহন কৰিবলগীয়া সৰ্বমুঠ ঋণৰ পৰিমাণ অৰ্থাৎ outstanding debt হ'ল ৩৮,৩৪৫.৭৭কোটি টকা। উক্ত ৩১ মাৰ্চ, ২০১৭ চনত জনমুৰি ঋণৰ পৰিমাণ হ'ল ১১,১৪৭ টকা। এই ১১,১৪৭ টকাৰ জনমুৰি ঋণৰ পৰিমাণটো কম কৰিবৰ বাবে চৰকাৰৰ ফালৰ পৰা কিবা ব্যৱস্থা লোৱা হৈছে নেকি?

**শ্ৰী হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, বিত্ত ইত্যাদিঃ** অধ্যক্ষ মহোদয়, যিটো ঋণ আমি বছৰত লওঁ, সেই ঋণৰ এটা নিয়ম আছে। আমাৰ সদনে FRBM আইন এখন pass কৰি থৈছে। সেই FRBM আইনত স্পষ্ট ভাৱে লিখা আছে যে আমি বছৰি কিমান শতাংশ ঋণ ল'ব পাৰো। আমি total GDP ৰ ৩% ঋণ ল'ব পাৰো। তাৰ মানে এই বছৰত যদি আমাৰ GDP, ১ লাখ কোটি টকা হয় তেন্তে আমি ৩ হাজাৰ কোটি টকাৰ ঋণ ল'ব পাৰো। অহা বছৰ যদি GDP বাঢ়ি ২ লাখ কোটি হয়, তেন্তে আমি ৬ হাজাৰ কোটি টকাৰ ঋণ ল'ব পাৰো কাৰণ GDP যিমানেই বাঢ়ে, আমাৰ ঋণ ঘূৰাই দিব পৰা ক্ষমতাটো সিমানেই বাঢ়ি যায়। সেই হিচাপত অসমৰ ঋণৰ যিটো পৰিমাণ সেইটো admissible level ত আছে। উদাহৰণ স্বৰূপে, আজি অন্ধ্ৰ প্ৰদেশ, পশ্চিম বংগত যদি ঋণৰ পৰিমাণ চোৱা যায়, তাত তেওঁলোকে 3% of the GDP cross কৰি গৈছে। কিন্তু অসমত আমি 3% of the GDP maintain কৰি আছো। সেই কাৰণে মই নাভাৱো যে আমি ইয়াৰ পৰা আৰু কমোৱাৰ প্ৰয়োজন আছে, কিয়নো এইটো কমালে ৰাস্তা, হস্পিতাল আদি শিতানৰ পইচা কমি যাব। কিন্তু কমোৱাটো ডাঙৰ কথা নহয়। এইবাৰ আমি ৯০ হাজাৰৰ বাজেট দিছো আৰু অহা বছৰ ৮৫ হাজাৰৰ বাজেট দি বাকী থকা ৫ হাজাৰ কোটি টকাৰে ৫ বছৰৰ ভিতৰত ঋণখিনি পৰিশোধ কৰি দিব পৰা যাব। কিন্তু, Development Economics ৰ rule টোৱে হৈছে যে investment কৰিলেহে GDP বাঢ়িব। আমি যদি investment নকৰো, আমাৰ GDP টো কমি যাব। যিহেতু অসমত উদ্যোগ আৰু ব্যক্তিগত খণ্ডৰ বিনিয়োগ নাই গতিকে ইয়াত মূল বিনিয়োগটো হৈছে public investment, যিটো আমি চৰকাৰৰ

ফালৰ পৰা কৰো। গতিকে আমি যদি বিনিয়োগ কমাই দিওঁ তেতিয়া গেলা-মালৰ দোকানৰো বিক্ৰী কমি যাব। কিয়নো, আমি বিনিয়োগ এনেধৰণে কৰো যে, যদি আমি contractor এজনক পইচা দিওঁ, তেওঁ গেলা-মালৰ দোকানখনত বস্তু কিনে আৰু সেই টকাৰে গেলা-মালৰ দোকানী জনে তেওঁৰ কৰ্মচাৰী জনক দৰমহা দিয়ে। গতিকে, this is a chain of event. আমি বিধান সভাত যিখন বাজেট pass কৰি দিওঁ, সেইখন with trigger pass কৰি দিয়াৰ পিছত একেবাৰে গাঁৱৰ শেষ মানুহজনৰ হাতত যি টকা যায়, অসমৰ ক্ষেত্ৰত সেই টকাখিনি আমি বাজেটত pass কৰা টকাখিনিয়েই। কিন্তু বাহিৰৰ ৰাজ্যৰ ক্ষেত্ৰত দেখা যায় যে, চৰকাৰৰ Contribution 50% আৰু 50% private sector investment . গতিকে আমি যদি অসমত বিনিয়োগ সংকুচিত কৰো, তেন্তে এজন ব্যৱসায়ীৰ ব্যৱসায়টোও সংকুচিত হ'ব। সেইকাৰণে আমি ভাৱো যে, prudent finanacial norms মতে যেতিয়ালৈকে 3% of the total GDP maintain কৰি থাকো, তেতিয়ালৈকে আমি সংকুচিত কৰাৰ প্ৰয়োজন নাই। But, we should not cross the 3% . প্ৰদীপ হাজৰিকা ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে, তাৰ বাবে আমি এটা কাম কৰিছো, ঋণৰো কিছুমান পৰিমাণ আছে যে আজিৰ দিনত আপুনি Reserve Bank ত গ'লে ১১% তো loan ল'ব পাৰে। জুন মাহত গ'লে ৮% তো loan ল'ব পাৰে। সেইকাৰণে এইবাৰ বাজেটত আপোনালোকে দেখিব যে যিবোৰ High Cost Loan, অৰ্থাৎ loan with over 9% interest, সেইবোৰৰ ক্ষেত্ৰত আমি ভাৱিছো যে সেই টকাবোৰ বাজেটৰ পৰা ঘূৰাই দিম। যিহেতু এতিয়া আমাৰ ঋণৰ হাৰ কমি আহিছে গতিকে সেই loan খিনি swap কৰি আন এটা বেংকৰ পৰা 7% ত loan লৈ পৰিশোধ কৰি দিম। তেতিয়া আমাৰ interest burden টো কমি আহিব।১২০০ কোটি টকাৰ যদি interest আছে, সেইটো যদি আমি ১১০০ কোটি টকালৈ কমাব পাৰো, তেন্তে সেই ৰাহি হোৱা ১০০ কোটি টকা ৰাজহুৱা খণ্ডত ব্যয় কৰিব পাৰো। আপোনালোকে এইবাৰৰ বাজেট খনত লক্ষ্য কৰিব , তাত আমি এটা paragraph ৰাখিছো যে- 'We will relief high cost debt'. আমাৰ এটা ধাৰণা হৈছে যে, অসমত আগৰ দিনত ১১.৫%, ১০%, ৯.৫% ত loan লোৱা হৈছিল। সেইকাৰণে এইবাৰ আমি এটা benchmark ঠিক কৰি দিছো যে ৮% ৰ ওপৰত আমি নাযাওঁ। কাৰণ এতিয়া বেংকৰ পৰা ৮% তে loan পোৱা যায়। গতিকে 8.5% ৰ ওপৰত যিবোৰ loan আছে, সেই loan বোৰ একেলগে পৰিশোধ কৰি দিম। এই ঋণ পৰিশোধ কৰি We will take soft loan of 8%, যাতে বছৰত আমাৰ interest burden টো কমি আহে। গতিকে সন্মানীয় সদস্য প্ৰদীপ হাজৰিকা ডাঙৰীয়াৰ concern টো মই appreciate কৰিছো। কিন্তু বৰ্তমান আমি এই বিষয়ে উৎকণ্ঠিত হ'বলৈ বিশেষ কোনো কাৰণ নাই।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। ইতিমধ্যে আমাৰ দুটা প্ৰশ্নত আধা ঘণ্টা সময় গ'ল। গতিকে ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া, আপুনি চমুকৈ কৈ শেষ কৰক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় মন্ত্ৰী মহোদয়ে এটা picture দিছে যে Finance Department ৰ পৰা প্ৰত্যেক বিভাগতে খুউব সুন্দৰকৈ টকা মুকলি কৰি দি আছে। আমি কম বেছি পৰিমাণে পাইছো নাইপোৱা বুলি নকওঁ। কিন্তু দেখা গৈছে ক্ৰীড়া বিভাগত যোৱা বছৰ আমি খেলৰ সামগ্ৰী নাপালো। এই বছৰো নাপালো। ক্ৰীড়া বিষয়াক লগ পালে কয় যে টকা দিয়া নাই। গতিকে আমি খেলৰ সামগ্ৰী পামনে নাপাম স্পষ্ট কৰি দিয়ক।

**ড. হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** ক্ৰীড়া বিভাগে যিমান আঁচনি বিত্ত বিভাগক দিছে তাত ঢকুৱাখানাত

আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে এটা জিম্ বনাব খুজিছিলে। সেই আঁচনিটো আমি অনুমোদন দিয়া নাই। বাকী ৯৯.৯৯ শতাংশ স্কীম আমি approve কৰি দিছো। মন্ত্ৰী মহোদয়ে পঠোৱা লিষ্টত আমাৰ খেলৰ সামগ্ৰী আছিল নে নাই সেইটো মই নাজানো। It is a internal department things. খালী জিম বনোৱাৰ বাবে দিয়া ফাইলটো আমি আলোচনাৰ বাবে ৰাখি থৈছো। minus that 99.99% proposal আমি clear কৰিছো। লিষ্টৰ কথা মই নাজানো। মই ১৪,০০০ চিলিং দিছো। তাৰ ভিতৰত ক্ৰীড়া বিভাগৰ মই পাৰটিকুলাৰ স্কীমটো আছেনে নাই নাজানো। সন্মানীয় সদস্য ডাঙৰীয়াই ক্ৰীড়া মন্ত্ৰীক এটা প্ৰশ্ন কৰিলে তাৰ উত্তৰ পাব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। আজি আলোচনাটো ভাল হ'ল। আমি actualy বান্ধি দিয়া নিয়ম অনুসৰি যদি ঋণ লৈ সঠিক ভাৱে আমি সঠিক আঁচনিত খৰছ কৰো নিশ্চয় এইটো আমাৰ কাৰণে ভাল হ'ব। Its a good move. Next question 323. Durga Bhumij.

**শ্ৰী দুৰ্গা ভূমিজ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো ৩০ খন বিচনাযুক্ত ডুমডুমাৰ FRU খন ১০০ খন বিচনা যুক্ত কৰিবৰ কাৰণে বিচাৰিছিলো কিন্তু মন্ত্ৰী মহোদয়ে উত্তৰত দিছে যে ইয়াৰ প্ৰস্তাৱ যদি আহে বিবেচনা কৰা হ'ব। কিন্তু কিমান দিনৰ ভিতৰত ১০০ খন বিচনা যুক্ত হ'ব তাকেই মই জানিব বিচাৰিছো। দ্বিতীয় প্ৰশ্নটো হ'ল অধ্যক্ষ মহোদয়, যোৱা মে মাহৰ পৰা আমাৰ ডুমডুমাৰ FRU ৰ জেনেৰেটৰটো বেয়া হৈ আছে। প্ৰত্যেক মাহত ৭০০ টকাকৈ ভাড়াত লৈ চলিব লগীয়া হৈছে। ইয়াৰ লগে লগে এম্বুলেঞ্চ খনো বেয়া হৈ আছে। বহু টকা দিয়াৰ পিছতো মেৰামতিৰ ব্যৱস্থা কৰা নাই। জেনেৰেটৰৰ ক্ষেত্ৰত তেখেতে কৈছে যে কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমোদন পালে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। কেতিয়া হ'ব? কেন্দ্ৰীয় চৰকাৰে কেতিয়া অনুমোদন দিব? আজি এবছৰ হৈ গ'ল। গতিকে জেনেৰেটৰ কেতিয়া দিব মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো আৰু এম্বুলেঞ্চ খনৰ কথাও মই তেখেতৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**ড. হিমন্ত বিশ্ব শৰ্মা ঃ** অধ্যক্ষ মহোদয়, ডুমডুমাৰ ১০০ খন বিচনাযুক্ত হস্পিটাল বনোৱাৰ কোনো প্ৰস্তাৱ বৰ্তমান অসম চৰকাৰৰ হাতত নাই আৰু সমষ্টি ভিত্তিত আমি ১০০ খন বিচনাযুক্ত হস্পিটাল নবনাওঁ। সমষ্টিৰ হাইয়েষ্ট হস্পিটালখনেই হৈছে Model Hospital. গতিকে মই সন্মানীয় বিধায়ক মহোদয়ক বৰ বেছি আশা নকৰিবৰ কাৰণে অনুৰোধ কৰিম কাৰণ ডুমডুমাত দিলে মই ১২৬ টা সমষ্টিতেই দিব লাগিব। সেয়ে আমি Model Hospital, FRU খিনি ভাল কৰো। সেইটোৱেই ডাঙৰ কথা হ'ব আৰু ডুমডুমাৰ পৰা অতি ওচৰত তিনিচুকীয়াত আমি অহা তিনি চাৰি মাহৰ ভিতৰত প্ৰায় চাৰে তিনিশ কোটি টকা খৰচ কৰি মেডিকেল কলেজ নিৰ্মাণৰ কাম আৰম্ভ কৰিম। গতিকে মই ভাৱো তাৰ পিছত ওচৰত আৰু সৰু সৰু হস্পিটাল বিলাক নিশ্চয় নচলিব। গতিকে মই এই বিষয়টো উৎথাপন কৰিলো। জেনেৰেটৰৰ উত্তৰটো অধ্যক্ষ মহোদয়, মোৰো ভাল লগা নাই যিধৰণে উত্তৰটো দিছো যে কেন্দ্ৰীয় চৰকাৰক দিয়া হৈছে। জেনেৰেটৰ এটাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক দিয়াৰ কোনো প্ৰয়োজন নাই। উত্তৰটো অফিচাৰ সকলে দিছিল। গতিকে মই আপত্তি নকৰিলো। যিয়েই নহওঁক ৪৫-৬০ দিনৰ ভিতৰত ডুমডুমাত আমি নতুন জেনেৰেটৰ এটা দি দিম। অধ্যক্ষ মহোদয়, এম্বুলেঞ্চ আজি কালি হস্পিটালত আমি নিদিওঁ। ১০২ সেৱাই সেই এম্বুলেঞ্চৰ কাম কৰে আৰু ১০২ আৰু ১০৮ সেৱা সম্প্ৰসাৰণৰ বাবে আমি ১৫০ খন নতুন এম্বুলেঞ্চ অহা ৬০ দিনৰ ভিতৰত আমি আৰু দিম আৰু লাহে লাহে হস্পিটালৰ এম্বুলেঞ্চ বিলাক আমি ৰিপ্লেচ কৰি ১০২ সেৱা আমি কৰিব বিচাৰিছো কাৰণ হস্পিটালৰ এম্বুলেঞ্চত ৰোগীয়ে

টকা দিব লাগে। ১০২ সেৱা বিনামূলীয়া। ডুমডুমাত যাতে ১০২ সেৱা ভালকৈ উপলব্ধ হয় তাৰ বাবে মই ব্যৱস্থা কৰিম।

**শ্ৰী দুৰ্গা ভূমিজ ঃ** এইক্ষেত্ৰত মন্ত্ৰী মহোদয়ক মই ধন্যবাদ জনাইছো। কথাটো হ'ল যিটো জেনেৰেটৰ দিব soundless দিলে ভাল হয়। ইয়াৰ উপৰিও মই মন্ত্ৰী মহোদয়ৰ পৰা দুটামান কথা জানিব বিচাৰিছো। আমাৰ ডুমডুমাত child specialist নাই, Eye specialist নাই কেবাটাও বিভাগত ডাক্তৰ নাই। তথাপি গোটেইখিনি ডাক্তৰ নহলেও child specialist দিব নেকি? ইয়াৰ উপৰি ফুলবাৰী Model Hospital ত ডাক্তৰৰ অভাৱ। কেইবাজনো ডাক্তৰ লাগে। গতিকে এজন ডাক্তৰ দিলেও যথেষ্ট হ'ব বুলি ভাৱিছো। Model Hospital. ত এজন ডাক্তৰ দিব নেকি জানিব বিচাৰিছো। তাৰোপৰি হাফজান PHC ৰ অন্তৰ্গত বান্দৰখাটিত এখন PHC আছে তাত ডাক্তৰ, নাৰ্চ সকলো আছে কিন্তু দৰ্জা, খিড়িকী, আচবাব একেবাৰে নষ্ট হৈছে। গতিকে repairing ৰ বাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি? ইয়াৰ উপৰিও ডুমডুমা FRU ত এজন Research Technician আছে তেখেতক permanent কৰিব নেকি? এই কথাখিনি মই জানিব বিচাৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা ঃ** অধ্যক্ষ মহোদয়, হাফজান আৰু ফুলবাৰীৰ ওপৰত উত্তৰ দিয়াটো মোৰ অসুবিধা হ'ব কাৰণ মোৰ লগত তথ্য নাই। কিন্তু এটা মই ক'ব পাৰো যে Model Hospital বিলাকৰ বাবে Doctor ৰ interview যোৱাকালি হৈ গৈছে আৰু অহা দুদিন ধৰি চলি থাকিব। গতিকে হাউচত মই যেনেকৈ প্ৰতিশ্ৰুতি দিছো যে ১৫ আগষ্টৰ আগতে নিৰ্মীয়মান Model Hospital বিলাক য'ত নিৰ্মাণ complete হৈছে আমি কাৰ্য্যক্ষম কৰিম। and that will be my word আৰু সেইটো maintain কৰিবৰ বাবে চেষ্টা কৰিম। অধ্যক্ষ মহোদয়, ডুমডুমাৰ FRU ত already দুগৰাকী gainey doctor আছে। এজন anaesthetist আছে আৰু বাকী চাৰিজন ডাক্তৰৰ সৈতে ৭ জন ডাক্তৰ আছে। ১৩ গৰাকী GNM নাৰ্চ আছে, ৫ গৰাকী ANM, ২ গৰাকী Lab technician, দুগৰাকী pharmacist, one rediographer আৰু এগৰাকী opthalmologist assistant আছে তাত বৰ্তমানলৈকে ডিচেম্বৰ মাহৰ ১৭ তাৰিখলৈ ১৪৪ টা caesarean operation হৈছে। গতিকে হস্পিটালখন ভালকৈ চলি আছে। মই NRHM ত request কৰিম যে এজন child specialist ও পাৰিলে দিব আৰু বিধায়ক মহোদয়কো মই NRHM ৰ লগত যোগাযোগ কৰিবৰ বাবে অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। ইয়াৰ পিছত জাকিৰ হুছেইন। কিন্তু this is realeted to Dumduma গতিকে বেলেগ নক'ব। মই সময়ৰ বাবে কৈছো।

**শ্ৰী জাকিৰ হুছেইন ঃ** মাননীয় অধ্যক্ষ মহোদয়, Model Hospital ৰ কথা মন্ত্ৰী ডাঙৰীয়াই উল্লেখ কৰিছে। মোৰ সমষ্টিৰ এখন Model Hospital ত ইতিমধ্যে ডাক্তৰ, নাৰ্চ গোটেই কৰ্মচাৰীখিনিক নিযুক্তি দিছে। কিন্তু এতিয়ালৈকে মুকলি কৰা হোৱা নাই চিকিৎসাৰ বাবে।

**মাননীয় অধ্যক্ষ ঃ** এইটো এটা জেনেৰেল প্ৰশ্ন। গতিকে ইয়াৰ উত্তৰ নালাগে। মন্ত্ৰী ডাঙৰীয়া জেনেৰেটৰৰ দাম কিমান হ'ব?

**ড° হিমন্ত বিশ্ব শৰ্মা ঃ** অধ্যক্ষ মহোদয়, তেওঁ যিটো soundless generator ৰ কথা ক'লে মই ভাৱো ১০-৩৫ লাখৰ ভিতৰত হ'ব। এম এল এ ফাণ্ডৰ পৰা দিয়াত অসুবিধা কাৰণ এম এল এ ফাণ্ডৰ পৰা মেছিন আদি দিলে পিছত অসুবিধা হয়।

**মাননীয় অধ্যক্ষ ঃ** Next question 324, Dr. Nomal Momin. Minister please.

**ড. হিমন্ত বিশ্ব শৰ্মা ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত আছে।

**Dr. Nomal Momin :** মাননীয় অধ্যক্ষ মহোদয়, Meternal Mortality আৰু Infant Mortality rate টো মন্ত্ৰী মহোদয়ৰ সুন্দৰ পদক্ষেপৰ বাবে কমি আহিছে। তাৰ বাবে ধন্যবাদ লগতে অভিনন্দন জনাইছো আৰু মোৰ প্ৰশ্নকেইটা হ'ল Meternal Mortality ৰ rate যিটো অসমত আছে আৰু অধিক কমাব পাৰিম যিবিলাক আমাৰ ডিভাইচ সেইবিলাক প্ৰয়োগ কৰি পেলাই। গতিকে সেইবিলাক প্ৰয়োগ কৰাৰ বাবে কিবা ব্যৱস্থা লব নেকি আৰু দ্বিতীয় প্ৰশ্নটো হৈছে new born care unit যিবিলাক District Head Quarter ৰ হস্পিটালত আছে সেইবিলাক উন্নতমানৰ। কিন্তু যিবিলাক subdivision level ত আছে তাৰ quality টো অলপ বেয়া। গতিকে যদি improve কৰিব পৰা যায় Infant Mortality rate টো আৰু কমিব আৰু তৃতীয় প্ৰশ্নটো হৈছে অধ্যক্ষ মহোদয়, nutration rehabilitation Centre ১৯ টা আছে। মই অনুৰোধ কৰিম প্ৰত্যেক খন জিলাতেই এটা এটা কৰি যদি ৩৩ খন nutrition rehabilitation Centre কৰে তেতিয়াহ'লে Meternal Mortality আৰু Infant Mortality rate কমি আহিব আৰু অধ্যক্ষ মহোদয়, মই আৰু এটা কথা ক'ব বিচাৰিছো যে আইৰণ, ফলিক এছিড by weekly 6 month to 5 year ৰ ল'ৰা ছোৱালীক দিয়া হয়.
সেইটো খালি পেটত দিলে Gastric irritation হৈ বমি হয়। কিন্তু পেপাৰ পত্ৰই উলিয়াই দিলে যে, Food Poisoning হৈছে। বিষাক্ত দৰৱ খুৱাই মাৰিবলৈ খুজিছে। কিন্তু একচুৱেলী এইটো নহয়। খালি পেটত খুৱালে এইটো Gastric irritation হৈ বমি হয়। গতিকে awareness আনিবৰ কাৰণে কিছুমান ব্যৱস্থা লব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** Thank you. Minister.

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰখিনি সদনৰ মজিয়াত আছে। MMRৰ ওপৰত যিটো আমাৰ লগত এটা আছে , ২০১১-১৩। আৰু মই ভাৱো যে, ২০১১-১৩ ৰ পাছত অসমত Maternal Martality Substantially reduce হৈছে। কিন্তু ভাৰত চৰকাৰৰ পৰা নতুন তথ্য নহাৰ কাৰণে ২০১১আৰু ১৩ চনৰ তথ্য দিবলগীয়া হৈছে তাৰো Survey definitely ২০০৯-১০ ত হৈছে। গতিকে Post National Health Mission যি আমি ইমপ্লিমেণ্ট কৰিছো তাত যিখি নি প্ৰায়োগিক, আমাৰ যিখিনি সফলতা সেইখি নি এতিয়াও Maternal Martality ক্ষেত্ৰত reflect হোৱা নাই। আৰু মই ভাৱো যে, latest data আহিলে আমাৰ ৰিজাল্ট ভাল হ'ব। IMR ৰ ক্ষেত্ৰত আমি ইতিমধ্যে ভাল কৰিব পাৰিছো। We have reduce 2006 ত আছিল আমাৰ 67, এতিয়া আমি 44 লৈকে নামিব পাৰিছো। অধ্যক্ষ মহোদয়, মই ভাৱো যে, শিক্ষা বিভাগৰ ওপৰত এইবাৰ অধ্যক্ষ মহোদয়ে Special discussion এটা লৈছে। পৰৱৰ্তী সময়ত যদি কেতিয়াবা স্বাস্থ্য বিভাগৰ ওপৰতো আলোচনা হয় এই ধৰণৰ ডাঃ মোমিন ডাঙৰীয়াই দিয়া পৰামৰ্শ গোটেইবিলাক এদিন house ত হয়তো details কথা পাতিব পাৰিম।

মাননীয় অধ্যক্ষ ঃ Thank you.

**ড° নোমল মোমিন, (বোকাজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য ক্ষেত্ৰত যি গুণোৎসৱ পাতিব লৈছে, তাৰ কাৰণে তেখেতক মই ধন্যবাদ দিছোঁ আৰু এটা আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক ধ্যান আকৰ্ষণ কৰিব বিচাৰিছো যে, **২৬** তাৰিখৰ পৰা যি Health Medical Officer ৰ interview হৈছে। তাৰে **৬৩২**টা most probably তাত ST Hills ৰ কাৰণে, যিটো

advertisementত কোনো চিট নাই। বাকী ST plains SC/OBC সকলোৰে আছে ST Hills ক কিহৰ কাৰণে কাট খাই গ'ল বা Printing Mistake হৈছে নেকি। সেইটো Correct কৰিবৰ কাৰণে মই অনুৰোধ জনালোঁ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, definitly recruitment Board খন নতুন হয়। APSC ৰ পৰিৱৰ্তে এতিয়া আমাৰ Medical Department ত নিযুক্তি বিলাক recruitment Board যে কৰিব। নতুন অধ্যক্ষ হয়তো কৰবাত মিচ কৰি গৈছে. কাৰণ নথকাৰ কথা নাই। কিন্তু সমস্যাটো এইটোৱেই যে, ৬৬৭ টা Postৰ বিপৰীতে আমাৰ চাৰে পাঁচশ মান ডাক্তৰহে আহিছে। গতিকে যিয়ে আহিছে, ST Hills য়ে হওঁক বা plain ৰেই হওঁক সকলোৱেই পাব। কিন্তু তথাপিতো they should have mention it specifically. বিষয়টো মই অনুসন্ধান কৰি ভৱিষ্যতে যাতে তেনেকুৱা নহয়, তাৰ কাৰণে নিশ্চয় ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষ ঃ** Thank you. দুটা Supplementary দুজনে দিছে। দুজনৰ questioner আছিল। একেবাৰে pin point ক'ব। কোনো description নহয়। শ্ৰী শ্বেৰমান আলি আহমেদ।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, IMRআৰু MMR হ্ৰাস কৰাৰ কাৰণে যিখিনি ব্যৱস্থাৰ কথা এই প্ৰশ্নৰ উত্তৰত উল্লেখ কৰিছে। এইখিনি হ্ৰাস কৰিবলৈ অন্ততঃ নিম্নতম চিকিৎসাখিনি হস্পিতালখনত থাকিব লাগিব। মন্দিয়া মডেল হস্পিতালত।

**মাননীয় অধ্যক্ষ ঃ** kindly your question Please. প্ৰশ্নটো কৰিব মই আপোনাক কৈছোঁ।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ) ঃ** ৭ জন ডাক্তৰ প্ৰয়োজন চেংচনষ্টে ডাক্তৰ মাত্ৰ আছে এজন। মন্দিয়া B P H C ত মন্ত্ৰী মহোদয়ে কৈছে যে, চাৰিজন ডাক্তৰ আছে। চাৰিজনৰ ভিতৰত তিনিজনেই আয়ুসৰ ডাক্তৰ। এলোপেথিক ডাক্তৰ নাই। তেনেকৈ বাঘমৰা P H E ত।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ প্ৰশ্নটো কি? তথ্যটো অনেক।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ) ঃ** এইটোৱেই। বাঘমৰা P H E, কদমতল P H E ত আৰু তাৰাকান্দি P H E।

**মাননীয় অধ্যক্ষ ঃ** সেইখিনি question কেনেকৈ দিব specific.

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ) ঃ** অতি সোনকালে মাননীয় মন্ত্ৰী মহোদয়ে ডাক্তৰখিনিক এপইণ্টমেণ্ট দিয়াৰ ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** এইটো ইয়াৰ লগৰ কথা নহয়। আমিনুল ইছলামৰ আছে নেকি কিবা এইটো মন্ত্ৰীয়ে চাব কথাটো। ইয়াৰ পিছত প্ৰশ্ন নং ৩২৫, শ্ৰীআনোৱাৰ হুছেইন লস্কৰ, মন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আনোৱাৰ হুছেইন লস্কৰ, (হাইলাকাণ্ডি ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি উত্তৰটো পাইছোঁ ঠিকেই আছে। কিন্তু এই যে শিক্ষা সাৰথি, শিক্ষাকৰ্মী এইবিলাকে কিয় আমাৰ তাত দিছিলে। সিহঁতে আগতে আছিল নে নাই সেইটো বুজি পোৱা নাই আৰু বাকী যিবিলাক ১৯১৯ জন volunter আছে. তেওঁলোকক কেতিয়াৰ পৰা ৰেগুলাৰ কৰা হ'ব। সেইটো জানিলে হৈ যাব। মোৰ বেলেগ একো নাই। বাকী যি কেইজন মানুহ সেইকেইজন আগত আছিল নেকি? সেই কেইজনৰ কথাটো বুজি পোৱা নাই।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সমস্যাটো হৈছে যে, যেতিয়াৰ পৰা Right to Education Act আহিল তাৰ পাছত শিক্ষক নিযুক্তিৰ কিছুমান মানদণ্ড নিৰূপণ কৰা হ'ল। মানদণ্ড বিলাক হ'ল যে B.Ed লাগিব, DIETলাগিব। এতিয়া যিসকল প্ৰাৰ্থী আমাৰ লগত বা আমি প্ৰশ্নৰ উত্তৰ দিছো তেওঁলোকৰ সেই মানদণ্ডটো নাছিল। এতিয়া NYSO ৰ জৰিয়তে ভাৰত চৰকাৰে এটা সুবিধা দিছে যে সকলোৰে সেই মানদণ্ডটো সকলোতে ল'ব পাৰে। ইতিমধ্যে NYSO ত প্ৰায় ২ লাখ ব্যক্তিয়ে, যুৱক-যুৱতীয়ে তাতে ইতিমধ্যে পাঠ্য গ্ৰহণ আৰম্ভ কৰিছে আৰু অহা এবছৰ বা ডেৰবছৰৰ ভিতৰত ছাত্ৰ-ছাত্ৰীসকল যেতিয়া পাছ কৰি ওলাই আহিব তেতিয়া সৰ্বশিক্ষা অভিযানত বিভিন্ন ধৰণে কাৰ্য্য কৰি থকা শিক্ষক সকলক শিক্ষা কৰ্মীয়ে হওঁক বা volunters য়েই হওঁক, শিক্ষা সাৰথি হওঁক, ই.ভি হওঁক, এই গোটেইখিনিক এটা সুবিধা দিয়াৰ কাৰণে definitlely এটা Special TET পাতিম। কিন্তু Special TET টোত সেই সকলেহে যোগদান কৰিব পাৰিব যি সকলে যোগ্যতা আহৰণ কৰে। যোগ্যতা আহৰণ নকৰা সকলে কিন্তু Special TET ত অংশগ্ৰহণ কৰিব নোৱাৰিব। গতিকে আমি last chance এটা দিম। Special TET ৰ কাৰণে আৰু মই ভাৱো যে, সেইটো ২০২০ চন মানতহে ৰিজাল্ট অহাৰ পাছত সম্ভৱ হ'ব। কিন্তু তেওঁলোকক আমি সহায় কৰাৰ কাৰণে আমাৰো মন এটা আছে যে, সহায় কৰিব পাৰিলে ভাল। কিন্তু R T E আইনখন ভায়োলেট কৰিব ৰাজ্য চৰকাৰে নোৱাৰে। গতিকে আমাৰ সীমাবদ্ধতাৰ মাজত আমি যিধৰণে সহায় কৰিব লাগে আমি কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী আনোৱাৰ হুছেইন লস্কৰ, হাইলাকাণ্ডি ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো ঠিকেই কৈছে যে, মানদণ্ডটো বঢ়াব লাগে। এইবিলাক যেনেকৈ কৈছে তেনেকুৱা কৰিলে ভাল হ'ব। সেই কাৰণে আমাৰ হাইলাকাণ্ডিত গুণোৎসৱটো মই দেখিছো একদম অৱস্থা বেয়া। শিক্ষক সকলৰ অৱস্থা বেয়া। সেই কাৰণে শিক্ষক সকলক training দিয়াটো ভাল। সেইকাৰণে মন্ত্ৰী মহোদয়ক ধন্যবাদ দিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** Thank you. শ্ৰীআমিনুল ইছলাম। একদম pin point কৰ question বিলাকৰ।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত শিক্ষা সাৰথি শিক্ষাকৰ্মী কমিউনিটি কৰ্মী, এডুকেশ্যন ভলেনটিয়াৰ, সংযোগী কৰ্মী যিসকল S S R ৰ অধীনত আছিল। আচলতে তেওঁলোকৰ যিসকল qualified নহয়, As per RTE Act.কিন্তু যিবিলাক বিদ্যালয়ত একেবাৰে শিক্ষক নাই, অথনি যেনেকৈ শ্ৰীশ্বেৰমান আলি ডাঙৰীয়াই যেনেকৈ কৈছিল, কোনোবা এম ভি স্কুলত ২ জন শিক্ষক। আঠটা ক্লাছত দুজন শিক্ষক। তাত যদিও তেওঁলোকক ৰেগুলাৰ টিছাৰ হিচাপে appoint কৰিব নোৱাৰিব। অন্ততঃ আঠটা ক্লাছত দুজন শিক্ষক এনেকুৱা পৰ্য্যায়ত আছে। বিদ্যালয় বিলাকত যিহেতু তেওঁলোক ট্ৰেইনাৰ। Already trainer up by SSA. যদি তেওঁলোকক এটা Fix remuneration দি চলাব পৰা যায়। মই ভাৱো ছাত্ৰৰ কাৰণে ভাল হ'ব।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, RTF আইনখন Violate কৰাৰ অধিকাৰ ৰাজ্য চৰকাৰৰ নাই। গতিকে মই আগতে কৈছোঁ যে ২০ বছৰ পাছত যদি N R C আদি নহয়, আপোনালোকৰ যেতিয়া চৰকাৰ হ'ব, তেতিয়া এইবিলাক আপোনালোকে বুজি পাব যে এজন মন্ত্ৰীয়ে it shall not appoint বুলি ক'লে আমি সেইটো ঘুৰাব নোৱাৰো। সেই

কাৰণে আপুনি মোক এনেকৈ প্ৰশ্ন সোধে বিধান সভাৰ দায়িত্বটো হৈছে আইনৰক্ষা কৰা। আপুনি মোক সোধে মন্ত্ৰীয়ে আইনখন ভাঙিব নেকি। এতিয়া মই কেনেকৈ উত্তৰটো দিম ভাঙিম বুলি। এতিয়া আপুনি মোক indirectly এনেকুৰা এটা উত্তৰ দিছে যে ভাতটো চিধা কে খাব নোৱাৰে, বেকাকৈ খাই পেলাই আইনখন ভাঙিব নেকি? এতিয়া সংবিধানত শপত লৈছো যে, আইন ৰক্ষা কৰিম বুলি এতিয়া কেনেকৈ আইনখন ভাঙিব পাৰোঁ। সেই কাৰণে সমস্যাটো তাতে। বাকী সহায় কৰাত কোনো অসুবিধা নাই। সীমাবদ্ধতাৰ মাজত সমাধান ওলাব লাগিব। আৰু আজি শিক্ষক কৰবাত নাই ৭৭৭টো দিলোঁ। এতিয়া সমস্যাটো আছে আৰু ১৫০ জনৰ। যদি 77.8% কৰিব পাৰিলোঁ। বাকী ২২% কৰিব পাৰিম। কিন্তু আইনখন নভঙাকৈ চলিব পাৰিলে ভাল। আৰু মই সেই কাৰণে শ্ৰীআমিনুল ইছলাম ডাঙৰীয়াকো কওঁ যে, মাজে মাজে আপুনি প্ৰশ্ন কিছুমান আনে। আৰু মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে কম যে ঠিক আছে এনেকৈ আইনখন ভাঙিব নোৱাৰে। বেঁকাকৈ ভাঙিব পাৰিব নেকি? মই কেনেকৈ উত্তৰটো দিওঁ, কওঁকছোন?

**মাননীয় অধ্যক্ষ ঃ নাই নালাগে দিব।** Please you discuss with him later on, not now. শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, গোলকগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় গুৱাহাটী High Court ৰ full bench এটা judgement আছিল। আজি ১০-২-২০১৭ তাতে কোৱা হৈছিল যে, শিক্ষা সাৰথি, Education volunteir যিখিনি আছে. যিখিনি ১০ বছৰলৈ কাম কৰি আছে,সিহঁতৰ কাৰণে কিবা scheme frame কৰা হ'ব নেকি? যদি হয়, ছয় সপ্তাহৰ ভিতৰত কৰিব লাগে। কিবা scheme frame কৰা হৈছে নেকি?

**ড০ হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই judgement টো দেখা নাই। Whether এইটো judgement থাকক বা নাথাকক আমি তেওঁলোকৰ কাৰণে সহানুভূতিশীল। কিন্তু Government cannot frame a scheme waving mandatory requirement তাৰ মানে scheme টোৰ মূল্য এইটো নহ'ব যে, আপুনি basic qualification খিনি বাদ দি কৰক। High Court য়েও কোৱা নাই। High Courtয়ে কৈছে যে, Can you frame a special scheme গতিকে আমাৰ special scheme টো হ'ল এইটোৱে যে as and when they will acquire the required qualification will conduct a special TET for them. So that is the scheme.

**মাননীয় অধ্যক্ষ ঃ-** Question No-326, শ্ৰী আব্দুল খালেক।

**শ্ৰী আব্দুল খালেক, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, ২০১৪ চনত প্ৰধান মন্ত্ৰী হৈ নৰেন্দ্ৰ মোডী ডাঙৰীয়াই 'বেটি বচাওঁ বেটি পঢ়াওঁ' আঁচনি লৈছে। তাৰ আগতে এই বিধান সভাত ২০১৩ চনত অসম মহিলা বিশ্ববিদ্যালয় আইন গৃহীত হৈছে। আজিৰ শিক্ষামন্ত্ৰীয়ে তেতিয়াৰ শিক্ষা মন্ত্ৰী আছিল। এতিয়া অধ্যক্ষ মহোদয়,এই আইন খনৰ উত্তৰ পাইছোঁ। বিশ্ববিদ্যালয় হৈছে, তাত এটাও পোষ্ট নাই। আৰু বাহিৰত ওলাইছে, বিধান সভাৰ অধিবেশনত মন্ত্ৰী মহোদয়ে স্পষ্ট কৰিব, মহিলা বিশ্ববিদ্যালয় বিলুপ্তি হোৱাৰ পথত। Vice chancellor নোহোৱাকৈ কেনেকৈ Degree দিব। অধ্যক্ষ মহোদয়, এই যিখন ২১ আগষ্ট, ২০১৩ আইন, এই আইনৰ Clause 11, Sub clause-16 ত লিখা আছে, "In the event of a permanent vacancy, occuring the officer of the vice-chancellor or the chancellor shall make necessary arrangement for exercising the power and performing the duties

of vice-chancellor untill a vice-chancellor ,who is appointed under the provision of this act. অধ্যক্ষ মহোদয়, গতিকে Vice chancellor নাথাকিলে যিহেতু chancellor ক ক্ষমতা দিয়া হৈছে, কৰিব পাৰে। কিন্তু অধ্যক্ষ মহোদয়, কিছু কিছু অদ্ভুত কামো হৈছে, মন্ত্ৰী মহোদয় সেই সময়ত মন্ত্ৰী আছিল। মোৰ ইংৰাজীৰ জ্ঞান সীমিত হব পাৰে,Vice-chancellor ৰ কথা আছে, মই আইন খন পঢ়ি চালোঁ। ক'তো mentor শব্দটো লিখা নাই। কিন্তু তাত mentor দিলে ২১ আগষ্টত আইনখন বলবৎ হৈছে আৰু ২১ অক্টোবৰত mentor কি কাৰণত দিলে ? তেখেতে জানিব বা চৰকাৰে জানিব। গতিকে অধ্যক্ষ মহোদয়,দুবছৰ এইখন চৰকাৰৰ গ'ল মুখ্যমন্ত্ৰী মহোদয়ে chancellor হৈ আছে। তেখেতে সভাতো গৈছে। তেখেতে টকাও দিম বুলি কৈছে। ১০ কোটি দিয়াৰ কথা কৈছিল। আৰু ১৬০ কোটি নে কিবা দিয়া কথা কৈছিল। গতিকে এতিয়া মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছোঁ, এই বিশ্ববিদ্যালয়খনত Vice-chancellor কেতিয়া নিযুক্তি দিব জানিব বিছাৰিছোঁ, আৰু সদনত যে কোনো কাৰণত উত্তৰ পূৰ্বাঞ্চলৰ একমাত্ৰ মহিলা বিশ্ববিদ্যালয়খন বন্ধ নহয় সেই আশ্বাস দিব নেকি ?

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, মন্ত্ৰী** ঃ- অধ্যক্ষ মহোদয়, তথ্যৰ বিকৃতি কৰি কিছুমান যদি কথা কোৱা হয়, তেতিয়াহলে এইটো দুখদায়ক কথা। প্ৰথম কথা অসম মহিলা বিশ্ববিদ্যালয় আইনখন মই শিক্ষামন্ত্ৰী থাকোতে এই সদনত উপস্থাপন কৰিছিলোঁ। তাত লিখা হৈছিল যে In the event of vacancy, chancellor will make arrangement, Dibrugarh University টো সেইটো Provision আছে। Gauhati University টো সেইটো Provision আছে। আজি যদি হঠাতে Vice-chancellor এজন Resignation দিয়ে, তেতিয়াহলে chancellor come into action immediately and he made a replacement. That means he appoint a in- charge Vice-chancellor এতিয়া ইয়াত কোৱা হ'ল যে অক্টোবৰ মাহত এজন mentor নিযুক্ত হ'ল। Who has appointed that mentor? Chancellor, Who was the chancellor? Hon'ble chief Minister of Assam, Education Minister ৰ তাত কোনো ভূমিকা নাথাকে। Because, University ৰ appointment Chancellor য়ে কৰে, University ৰ Vice-chancellor appointment শিক্ষামন্ত্ৰীয়ে নকৰে। আজিও এতিয়া Dibrugarh University ত Vice-chancellor নিযুক্তিৰ প্ৰক্ৰিয়া চলি আছে। And Vice-chancellor will be appointed by his excellency, Governor of Assam শিক্ষামন্ত্ৰীয়ে একো নকৰে। যোৱা কেইদিন মানৰ পৰা মাননীয় প্ৰাক্তন মুখ্য মন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়া, যিয়ে House ত কথা কৈ বেয়া পায় House ৰ বাহিৰত he practice a hit and run policy তেওঁ দুদিনৰ পৰা কৈ আছে যে হিমন্ত বিশ্ব শৰ্ম্মা টো শিক্ষা মন্ত্ৰীআছিল। Yes Himanta Biswa Sarma has passed a legitimate Act- that there will be a Vice-chancellor,there will be faculty, আমি এটা System ত pass কৰিছিলোঁ। Then it was hijack from Education Department. তাৰ পাছত কোনো ফাইল মোৰ ওচৰত অহা নাই। তেখেতে নিজে chancellor হৈ এটা appoinment দিলে যে মই mentor appoint কৰিলোঁ। অধ্যক্ষ মহোদয়, this metor is signing qualification of the student

for last four years এতিয়া Act ত কোনো mentor ৰ provision নাই। অধ্যক্ষ মহোদয়, কালি যদি এই Women University ৰ ছোৱালী সকলে বিভিন্ন College ত চাকৰি কৰিছে। মোৰ দুখ লাগিছে এই কাৰণে we are been accused. আৰু ইমান এটা দুখৰ কথা হৈছে যে, যিখন চৰকাৰে এইখন ঠিক কৰাৰ কাৰণে চেষ্টা কৰিছে we are been accused. তাত অধ্যক্ষ মহোদয়, আপুনি নিজে জানে, মই আপোনাৰ চেম্বাৰত, I have come 10 to 12 times , যে কেনেকৈ এইখন ঠিক কৰিব পৰা যায়। আজি মাননীয় অধ্যক্ষ মহোদয়,আপুনি এজন জীৱন্ত সাক্ষী। প্ৰথম দিনা আপুনি দায়িত্ব লোৱাৰ পৰা মই আপোনাৰ ওচৰত ১২ বাৰ আহিছোঁ যে কেনেকৈ ঠিক কৰিব পৰা যায়। এতিয়া উত্তৰ কৈছে। আপুনি Education Minister, ঠিক কৰক । মই কেনেকৈ ঠিক কৰিম? Mentor has signed the qualiication. এতিয়া সেই Mentor য়ে qualiication sign কৰা পৰহি এজনী ছোৱালীয়ে মোক এটা মেচেজ দিছে, চাৰ মই Women University ৰ পৰা পাছ কৰি কলেজত চাকৰি কৰি আছোঁ, মোৰ কি হ'ব? I could not sleep that night এতিয়া যদি আজি House ত কথাবোৰ উলিয়াব নালাগিছিল, উলিয়াই দিছে মইয়ো ক'ব লাগিব। কোনোৱা এজন যদি ছেকেণ্ড হয়, প্ৰথম হ'ল ছোৱালীগৰাকী, ছেকেণ্ড হ'ল ল'ৰা এজন। তেওঁ যদি আজি গৈHigh-court ত কেচ কৰে যে এইখন University ৰ statue ত mentor বুলি কোনো provision নাই। এওঁৰ দিয়া Degree টো ভুৱা হয় নে নহয় মোক কওঁক। আজি তৰুণ গগৈ ডাঙৰীয়া chancellor হয়, মই accused নকৰিলোহেতেন, এই কেইদিন বাহিৰে ভিতৰে মোক যেনেকুৱা accused কৰি আছে, তেওঁ what was preventing him from appoint a Vice-chancellor. এটা নাম লগাই দিলে যে মই mentor appoint কৰিছোঁ, তেওঁ interest আছিল যে Agriculture University ৰ Vice-chancellor জনেই এইখন চলাওঁক। It was a complete personel interest. তাৰ কাৰণে মানুহজনক mentor বনাই দিলে। যোৰহাটত প্ৰসিদ্ধ শিক্ষাবিদ নাছিল নেকি? যোৰহাটত J.B. College ত অধ্যাপক নাছিল নেকি? যোৰহাটত কি Agriculture University ত ভাল Lecturer নাছিলে? যে give a in-charge Vice-chancellor. এতিয়া অধ্যক্ষ মহোদয় আপোনাৰ ওচৰত মই পৰামৰ্শ ল'ব আহিছো যে কেনেকৈ ছোৱালীখিনিক বচাওঁ? Mentor বুলি Degree দি বহি আছে। এতিয়া কৈছে, আজিVice-chancellor দি দিয়ক। আজি যদি Vice-chancellor দিলোঁ। যোৱা তিনি বছৰ Degree লোৱা ছোৱালীখিনিৰ কি হ'ব ? এতিয়া JNU ত যিয়ে ধৰ্ণা কৰোৱালে, যি সকলে Twitter ত pending কৰোৱালে, তেওঁলোকে এইটো ভাবি লৈছেনে নাই যে সেই ছাত্ৰীখিনিৰ ভৱিষ্যতটো কি হ'ব। Act খন হিমন্তই পাচ কৰাইছিল। I have passed the genuine Act but Act violate কোনে কৰিলে? তাৰ পাচত অধ্যক্ষ মহোদয় কৰিলে কি, আপুনি কোনোবা এখন, University ত অসমত মহিলা বিশ্ববিদ্যালয় এখন আছে বুলি ক'ব নালাগে, আমি নিজক লাজ পোৱা কাম কিয় কৰিব লাগে? এই মহিলা বিশ্ববিদ্যালয়খনৰ অধ্যাপিকা কোনো নাই। মোক লগ কৰিব আহিছিল কেইজনমান নতুন ডেকা ল'ৰা-ছোৱালী they were appointed as a contractual Lecturer তাত না অধ্যাপক আছে, প্ৰফেচাৰআছে, এচ'চিয়েট প্ৰফেচাৰ আছে, একো নাই। There are a batch of young lecturer আৰু তেওঁলোক contractual এতিয়া কৈছে আপুনি contractual post দি দিয়ক। অধ্যক্ষ মহোদয়, ভুলবিলাক শুধৰোৱাৰ প্ৰক্ৰিয়াটো আৰম্ভ কৰোতেই ধৰ্ণা লগাই দিছে। অধ্যক্ষ মহোদয়, মই মাননীয়

সদস্য আব্দুল খালেক ডাঙৰীয়াক আকৌ এবাৰ ক'ব খোজো, Collective responsibility in cabinet, কিন্তু কোনোবা এজন ব্যক্তিয়ে University chancellor হিচাবে কিবা কাম কৰিব, তাৰ কাৰণে we are not collectively responsible.

**শ্ৰী আব্দুল খালেক, সদস্য ঃ**-Chancellor ৰ appointment নাছিল Commissioner & Secretary, Govt. of Assam Higher Education

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, মন্ত্ৰী ঃ**- Contractual Teacher কোনে recruitment দিছে? HigherEducation Department ৰ Commissioner য়ে দিছে নেকি ?

**শ্ৰী আব্দুল খালেক, সদস্য ঃ** ইয়াত যিটো আছিল।

**মাননীয় অধ্যক্ষঃ**- Please খালেক ডাঙৰীয়া, Let him conclude please, please. I belong to Jorhat. I know what is going on. Several times, Shri Rupyjoti kurmi, want to raise this. I told him, you please come to my chamber, we will discuss. we donot want to complicate the issue. We want to settle the issue. And for that a condusive atmosphere is required. I was for one week out side, I requested them please wait for one week. Nothing will happen within one week. But they do not want to listen to us. They continued hesitation. Only hesitation, through hesitation can we get a solution. So, মই বিচাৰিছোঁ এটা condusive atmosphere হওঁক সেই কাৰণে আজি সময় পোৰাৰ কথা নাহে। This is question Hour please listen to me সময় বঢ়োৱাৰ কথা নাহে। এই বিষয়টো, we are very much eager to do something good আৰু তাৰ কাৰণে আমি সকলোৱে বহি কথাটো পাতিব লাগিব। Politicised কৰি বা অন্যকোনোধৰণৰ কথা বিভিন্ন মানুহে কয় They accused the Education Minister with filthy languages. I have seen the reports. কথাটো হৈছে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৰ কথা। সেইকাৰণে মই কৈছিলো যে আজি প্ৰশ্নকালৰ সময়টো প্ৰায় শেষ হৈছে You can take one minute. I have 1 minute.

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় এতিয়া কৈছে Regular post দিয়ক। মই যেতিয়া Regular post দিম, It will be newly advertised. Contractual teacher বিলাকে চাকৰি পাব জানো ? This agitation was fueleed by those contractual teacher to a large extent. মাননীয় অধ্যক্ষ মহোদয় কালি যদি মই পোষ্ট দি দিও It will be readvertised. ইয়াতে সকলো ডেকা ল'ৰা সোমাই যাব, বৰ্তমান থকাসকলৰ কোনেও চাকৰি নাপাব।

**মাননীয় অধ্যক্ষ ঃ** ইয়াত ডাঙৰ issue জড়িত হৈ আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানে যে সদন হৈছে জীৱন্ত সাক্ষি। আমি কৈছো যে যোৰহাটৰ বিধায়ক, সাংসদ সকলোৰে লগত আলোচনা কৰিম How can we restore the University? Can we make it Autonomous Institute or Centre of Excellence or Assam University with the correction of amendment? Mentorএ কাম খিনি আমি কেনেকৈ restore কৰিম। সেই কাৰণে মই আপোনাক বহুদিন কৈছো যে ..

**माननीय अध्यक्ष** ঃ We are very positive. We, House as a whole, will look into it and find solution.

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয় মই মহামান্য ৰাজ্যপালৰ লগত আলোচনা কৰিলো He got stunned যে এনেকুৱা কি Mentorএ ডিগ্ৰী দি আছে। তেওঁ নিজেই এজন শিক্ষাবিদ, The Governor of Assam is an educationist. He said, "What is going on?" গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক এটা অনুৰোধ কৰিম মহিলা বিশ্ববিদ্যালয়ৰ ওপৰত আপুনি আলোচনা কৰক আপুনি সিদ্ধান্ত লৈ দিয়ক কি কৰিব লাগে, চৰকাৰৰ কোনো Ego নাই, আপুনি যোৰহাটৰ বিধায়ক হিচাপে শিক্ষাবিদ সকলৰ লগত আলোচনা কৰি ইউ গিভ আপ এ ডিচিচন....

**(প্ৰশ্নকাল সমাপ্তৰ সংকেট ধ্বনী বাজে)**

**माननीय अध्यक्ष** ঃ The Question Hour is over. The positive message should go. This is all in the last question. Don't politicise the issues.

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ্য** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ স্বাস্থ্যমন্ত্ৰীয়ে কৈছিলে যে বৰাকভেলীৰ ভাষা আন্দোলনৰ তালিকা তৈয়াৰ কৰাৰ কাৰণে মই ইতিমধ্যে চৰকাৰৰ ওচৰত তালিকা দাখিল কৰিছো। গতিকে এখন তালিকা আপোনাৰ ওচৰত দাখিল কৰিছো যাতে কাৰ্য্যবিৱৰণীত সংলগ্ন হ'য়।

**माननीय अध्यक्ष** ঃ ভালবাৰু, ঠিক আছে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো মহিলা বিশ্বাবিদ্যালয়খন লৈ আজি কিছু দিনৰ পৰা ৰাজনীতিকৰণ চলি আছে। শিক্ষামন্ত্ৰী ডাঙৰীয়াই বিষয়টো সম্পৰ্কত আজি ইতিমধ্যে স্পষ্ট কৰি দিলে। গতিকে আজিৰ সদনৰ পৰা যাতে বিষয়টো সম্পৰ্কত এটা ভাল বাৰ্তা যায় তাৰ বাবে আপোনাৰ পৰা এটা দিহা বিচৰাৰ লগতে এই সম্পৰ্কত যাতে আৰু কোনো ধৰণৰ ৰাজনীতি নহয় সেইটোও বিচাৰিছো।

**माननीय अध्यक्ष** ঃ I agree with you. That's why I told enough is enough. আমি সকলোৰে মিলি এতিয়াৰ পৰা এটা positive mindত কাম কৰিব লাগিব আৰু ইয়াত কোনো অন্য কথা নাথাকে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, কিন্তু বিষয়টোৰ ক্ষেত্ৰত ৰাজনীতি হৈ আছে এইটো বন্ধ হ'ব লাগে।

**माननीय अध्यक्ष** ঃ I appeal to every section of our democratic society not to politicise the issue.

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ ঠিক আছে অধ্যক্ষ মহোদয়, শিক্ষামন্ত্ৰী ডাঙৰীয়াই কথাখিনি কৈছে। কিন্তু বিষয়টোক লৈ বিগত দিন সমূহ হৈ থকা ৰাজনীতি হৈ আছে ...

**माननीय अध्यक्ष** ঃ I am very much hurt. I was outside the state.

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, গতিকে বিষয়টোৰ ক্ষেত্ৰত হোৱা ৰাজনীতিটো সদনে condemn কৰিব লাগে আৰু আপোনাৰ পৰা এটা direction যাব লাগে যে শিক্ষামন্ত্ৰীৰ যিটো ব্যৱস্থা সেইটো আজি চৰকাৰে গ্ৰহণ কৰিছো।

**माननीय अध्यक्ष** ঃ শ্ৰীঅশোক সিংঘল।

**শ্ৰীঅশোক সিংঘল** ঃ মাননীয় অধ্যক্ষ মহোদয়, সৰু এটা কথা ক'ব লগা আছে। অধ্যক্ষ মহোদয়

আমি বিধায়ক হিচাবে যিবিলাক প্ৰশ্ন উত্থাপন কৰো তাৰ উত্তৰ বিলাক ঠিক মতে নাহে।

**মাননীয় অধ্যক্ষ** ঃ এই অভিযোগটো মই প্ৰতিদিনে পাই আহিছো। Every day I am receiving this complaint. You can raise the issue. It is under point of order.

**শ্ৰীঅশোক সিংঘল** ঃ Sir, you can convert it into point of order, if not. মোৰ কবলগীয়া কথাটো হৈ মাননীয় অধ্যক্ষ মহোদয় আমি বিধায়ক সকলে কষ্ট কৰি সমষ্টিৰ ৰাইজৰ স্বাৰ্থত প্ৰশ্নবিলাক উত্থাপন কৰো, অসমৰ স্বাৰ্থত প্ৰশ্ন বিলাক উত্থাপন কৰো। কিন্তু উত্তৰ বিলাকে আমাক সন্তোষ নিদিয়ে, It is neither satisfactory nor factual. মানে এনেকুৰা এটা উত্তৰ দি দিয়ে যাতে আমিও আৰু ক'ব নোৱাৰো। এইটো ক্ষেত্ৰত আপুনি কিবা এটা ব্যৱস্থা ল'ব লাগিব অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ** ঃ Everyday I am checking atleast 4-5 questions personally. কাৰণ আপোনালোকে বহুতে কথাবিলাক কৈ আছে I am preparing answers as well so that you can get the answers. মানে সমস্যা কিছুমান দেখিছো। মই সেই কাৰণে কৈছো আহিবলগা অধিবেশনত প্ৰশ্নবিলাক টাইপৰ ব্যৱস্থা কৰা হ'ব। প্ৰশ্নও কেতিয়াবা কমপ্লিকেটেড, এটাৰ লগত তিনিটামান কথা দি দিয়ে. It is very difficult to collect those answers from different sources. সেইকাৰণে মই বিচাৰিছো যে ভৱিষতে প্ৰশ্নসমূহ দিয়াৰ আগতে এবাৰ এবাৰ পঢ়ি চাম। So that Question Hour very valuable যাতে proper information আহে, আপোনালোকেও ৰাইজক ক'ব পাৰে আৰু চৰকাৰৰ মন্ত্ৰীসকলেও যিহেতু কিছু sourceৰ পৰা তথ্যসমূহ পায় গতিকে officer সকলো accountable হ'ব লাগিব, মই কথাটো বুজিছো। আপোনাৰ প্ৰশ্ন নংটো কওক। I will look into it.

**শ্ৰীঅশোক সিংঘল** ঃ তৰাবিহীন প্ৰশ্ন নং - ৭৭৩।

**মাননীয় অধ্যক্ষ** ঃ Thank you. I will contact you later on.

**শ্ৰীঅশোক সিংঘল** ঃ মাননীয় অধ্যক্ষ মহোদয় মই আৰু এটা কথা কব বিচাৰিছো যদি আমাৰ প্ৰশ্নৰ বিভাগে সোনকালে দিব নোৱাৰে বা সংগ্ৰহ কৰাৰ বাবে দেৰি হয় তেতিয়াহ'লে উত্তৰটো লগে লগে নিদি পিচত ডাকযোগ বা পৰবৰ্ত্তী বিধান সভাত দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ No. There are centain set of rules. এনেকুৰা কথা নহয়। শ্ৰীৰূপজ্যোতি কুৰ্মী আপোনাৰ Point of Order টো কওক।

**শ্ৰীৰূপজ্যোতি কুৰ্মী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ Point of Order টো হৈছে - মহিলা বিশ্ববিদ্যালয়ৰ বিষয়টো সময়ৰ অভাৱৰ বাবে পৰিপুৰক প্ৰশ্ন কৰিব নোৱাৰিলো। চাৰ, আজিৰ সদনত প্ৰাক্তন আৰু বৰ্তমানৰ শিক্ষামন্ত্ৰী মহোদয় উপস্থিত আছে। বিত্ত বিভাগৰ এটা উত্তৰ কৈছে যে, "আইন আমি আনো আৰু আইন যদি আমিয়েই ভঙ্গ কৰো, ভুল হ'ব"। যিহেতু ২০১৩ চনৰ মহিলা বিশ্ববিদ্যালয়খন আইন বৰ্তমানৰ শিক্ষামন্ত্ৰীয়ে আনিছিল গতিকে বিশ্ববিদ্যালয়খনৰ প্ৰতি সুদৃষ্টি দিয়ক। বিশ্ববিদ্যালয়খনৰ বিষয়টোৰ ক্ষেত্ৰত ৰাজনীতিৰ কথাটো উত্থাপন কৰি পৰোক্ষ ভাবে কংগ্ৰেছ দলক জগৰীয়া কৰিব বিচাৰিছে....

**মাননীয় অধ্যক্ষ** ঃ এইবিলাক কথা নক'ব। আপোনাৰ প্ৰথম পইন্টটো মই মানি লৈছো যে পজিটিভ সকলোৰেই হ'ব লাগে। I am very much hurt.

**শ্ৰীৰূপজ্যোতি কুৰ্মী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা লাইন কৈ সামৰিম "Where there

is will, there is way.”

**माननीय अध्यक्ष ঃ** That's true. ঠিক আছে, ধন্যবাদ।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইচ্ছা শক্তি নোহোৱাৰ প্ৰমান ক'ত আছে? ইয়াত ক্ৰেডিট লোৱাৰ কোনো কথা নাই। যিসকলে ক্ৰেডিট ল'ব খুজিছে যেতিয়া সদনত বিষয়টো আলোচনা হ'ব তেতিয়া তেওঁলোকে ডিচক্ৰেডিট হ'ব। মানুহে ক'ব, এওঁলোক এনেকুৱা নেকি? So let us keep at this stage. মাননীয় অধ্যক্ষ মহোদয় এই বিশ্ববিদ্যালয়খন ভাল হওক, ইয়াৰ যাতে সমাধান ওলাই। মাননীয় অধ্যক্ষ মহোদয়ক সাক্ষী কৰি সদনত অসত্য কথা ক'ব নোৱাৰো। I met his 12 times. মই কালি ডাইৰী চাইছো। এই বিশ্ববিদ্যালয়খনক আমি কেনেকৈ revive কৰিব পাৰো সেই বিষয়ত মই অধ্যক্ষ মহোদয়ৰ লগত আলোচনা কৰিছো। Illigality has been committed. ছোৱালীখিনিৰ ডিগ্ৰী কি হ'ব? এতিয়া যিদিনাখন advertise হ'ব, contractual teacher সকল গোটেইখিনিয়ে ওলাই যাব লাগিব। তেওঁলোকৰ পাপৰ দায়িত্ব কোনে ল'ব? Collective responsibility বুলিটো মই ল'ব নোৱাৰো। গতিকে এই কথাবিলাক কেনেকৈ কাৰো ক্ষতি নকৰাকৈ কামত আগবাঢ়িব পাৰো এই চেষ্টা কৰি থাকেতেই মোক ভিলেইন বনাই দিলে। মই বিগত চৰকাৰৰ দিনত এই সদনত ঠিয় হৈ কৈছিলো যে মহিলা বিশ্ব বিদ্যালয়ৰ যিটো ‘প্ৰশাসনিক ভৱন’ হ'ব সেইটো ‘ৰূপম কুৰ্মী'ৰ নামেৰে নামাকৰণ হ'ব। That was a collective responsibility. তৰুণ গগৈ ডাঙৰীয়াই নকৰিলে। ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া আপুনি অন্যকথাত মোক গালি দিয়ে কিন্তু এই কথাটোত অন্ততঃ সাক্ষি দিয়ক। মই ইয়াতে বহি কৈছিলে যে ৰূপম কুৰ্মী অসমৰ প্ৰথম মহিলা মন্ত্ৰী আছিল ..

**माननीय अध्यक्ष ঃ** She was the first graduate from the community.

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই মোক কৈছিল যে - বিশ্ববিদ্যালয়খনৰ নাম ৰূপম কুৰ্মীৰ নামত দিব পাৰি নেকি? সেই সম্ভৱ নাছিল কাৰণে মই শিক্ষামন্ত্ৰী হিচাপে কৈছিলো যে এই মহিলা বিশ্বাবিদ্যালয় যেতিয়া হ'ব তাৰ প্ৰশাসনিক ভৱনটো ৰূপম কুৰ্মীৰ নামত হ'ব।

**माननीय अध्यक्ष ঃ** This are untold story. আজিহে প্ৰথম শুনিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, বিত্ত ঃ** মই আজি ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া আগত আছে কাৰণে কোৱা নাই। তেওঁৰ মাক বুলি কোৱা নাই। But I have personal regards. আৰু সেই community ৰ পৰা তেওঁ প্ৰথমে ওলাই অহা এগৰাকী মহিলা আছিল। যেতিয়া ইয়াত বহি মইword দিলো আজি কৈছে Government is a collective responsibility. লিপিবদ্ধ হ'ল। তৰুণ গগৈ ডাঙৰীয়াই বিশ্ববিদ্যালয় উদ্বোধন কৰিলে। ৰূপম কুৰ্মীৰ নামটো পাহৰি গ'ল। তেতিয়া মই নাছিলো। কিছুমান কথা আপোনালোকে ধাৰণা কৰিব লাগে। সেই সময়ত এনেকুৱা হৈছিল। যোৰহাট চিকিৎসা মহাবিদ্যালয় মই মোৰ তেজেৰে বনাইছিলো। তাত যেতিয়া M.R.I. Machine উদ্বোধন হ'ল CM has asked me not to go to that meeting.

**माननीय. अध्यक्ष ঃ** Please আৰু নক'ব। There are personal.

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, বিত্ত ঃ** সেইকাৰণে বহুত কথা ক'বলগীয়া আছে। মই তৰুণ গগৈক ক'ম, মই আত্মজীৱনী লিখোতে মই বহুত কথা ক'ম। আপুনি বহিৰত বহুত কথা কৈছে। অধ্যক্ষ মহোদয়, আমি M.R.I. Machine উদ্বোধন কৰোতে মই কোকৰাঝাৰত আছিলো। মই তেওঁক ফোন কৰি সুধিলো ,Sir, Can I joint the event? মোক ক'লে আহিব নালাগে। সেয়েহে

আজি কি Collective Responsibility ৰ কথা কয়? ৰূপজ্যোতি কুৰ্মীৰ মাকৰ কথা বাদ দিলো। এই সদনত যদি শিক্ষা মন্ত্ৰী এজনে assurance দিয়ে যে এই প্ৰশাসনীয় ভৱনটো কাৰোবাৰ নামত হ'ব লাগিব। মই তাৰ পিছত Resignদি দিলো। সেই সময়ত মই নাছিলো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, বিধায়ক ঃ** এতিয়া এইটো কৰিব নোৱাৰি নেকি?

**মাননীয় অধ্যক্ষ ঃ** কমলাক্ষ্য ডাঙৰীয়া, Why are you asking this irrelivent Question now?

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, বিত্ত ঃ** হাউচত পাৰি। Provided we take a condemn decision. যে তৰুণ গগৈ ডাঙৰীয়াৰ বিৰুদ্ধে সেই সময়ত অসম চৰকাৰে সদনত দিয়া প্ৰতিশ্ৰুতি এটা নৰখাৰ বাবে তৰুণ গগৈ ডাঙৰীয়াক এটা ভৰ্ৎসনা প্ৰস্তাৱ ল'ব লাগিব,Followed by that. যি হ'ব, হ'ব লাগিব। অধ্যক্ষ মহোদয়, I will move that ভৰ্ৎসনা প্ৰস্তাৱ।

**মাননীয় অধ্যক্ষ ঃ** Please এইবোৰ কথা আৰু নক'ব। I have asked not to raise.

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, বিত্ত ঃ** অধ্যক্ষ মহোদয়, সদনৰ এটা নিয়ম আছে, সদন চলি থকা সময়তMinister should not make any announcement outside the house when the House is on. তেনেকৈ কোনোবা বিধায়কৰো যদি কিবা ক'ব লগীয়া থাকে সদন চলি থকা সময়ত সদনৰ বাহিৰত কিয় ক'ব লাগে? He should come and speak in the House. আমি উত্তৰ দিব পাৰো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। This is a principle.

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, বিত্ত ঃ** মই কোনো ব্যক্তিক কোৱা নাই। One of the senior most Member of the House who ever he is. আমি বিচাৰো তেওঁ সদনত আহক। কথাবিলাক কওঁক, আহি আলোচনা কৰক। অসমৰ ৰাইজৰ সমস্যাবোৰ সমাধান কৰো। কোনো ব্যক্তিগত কথা নাই। আজি খালেক ডাঙৰীয়াই কৈছে, আগতে শিক্ষামন্ত্ৰীয়ে কিবা যদি আশ্বাস দিছে তাত Yes, I am liable to that. মই যদি এই পৱিত্ৰ সদনত কিবা যদি আশ্বাস দিছো আৰু সেই আশ্বাস যদি মই পালন কৰিব পৰা নাই, I am liable to breach of Privilege who is opposing. I wellcome you. আপুনি কালি পৰহি catalog এখন লৈ আহি ইয়াত মোৰ ওপৰত এটা Privilege Motion এটা আনি দিয়ক, যে এই প্ৰস্তাৱ খিনি দিছিলো। তাত আমি liable.

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, Please। আমি কৰবালৈ গুচি গৈছো আৰু কৰবালৈ যাব নালাগে।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** কথাখিনি ছাৰ বাহিৰলৈ গৈ আছে। প্ৰকৃততে তাত প্ৰশাসনিকভাৱে তাত কোনো ব্যৱস্থা লোৱা হোৱা নাই। আপুনিতো গম পাইছেই ছাৰ।

**মাননীয় অধ্যক্ষ ঃ** We should not debate the issue like this. আমি ভাৱো We should conclude now. Please conclude.

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, বিত্ত ঃ** অধ্যক্ষ মহোদয়, মই এইটো কৈছো যে মই Woman University কথা কোৱা নাই। মই আপোনাক এটাই অনুৰোধ কৰিব খুজিছো কাৰণ কিছুমান কথাত When you feel pain. সদনৰ বাহিৰত ক'ত ক'ম? During the Assembly কিবা যদি public interset issue আছে। Let us discussed here. সদনত যদি উত্তৰ নাপায়, তেতিয়া বাহিৰত কওঁক।য'ত মই নিজক ডিফেণ্ড কৰিব নোৱাৰো।য'ত মই ক'ব নোৱাৰো। যি আছে সদনত কওঁক। যদি তেওঁ সদনৰ এম এল এ নহয়, তেতিয়া বেলেগ কথা। এতিয়া সদৌ

অসম ছাত্ৰ-সন্থাই বাহিৰত কৈছে I have no issue.এইটোৱেই মোৰ অনুৰোধ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। If I can frame a rule I will try to do it. অতুল বৰা ডাঙৰীয়া এইটো পইণ্ট অফ অৰ্ডাৰ নে বেলেগ। এইটোত হ'লে নালাগে। এইটোত ক'লে কিন্তু ইয়াৰ পৰা বেলেগলৈ গুচি যাব।

**শ্ৰী অতুল বৰা, বিধায়ক ঃ** এইটোৰ ওপৰত।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মই দিম। অশোক সিংহল ডাঙৰীয়া আপুনি এইটোৰ ওপৰত ক'ব খুজিছে নে অইন কিবা।

**শ্ৰী অশোক সিংহল, বিধায়ক ঃ** বিষয়টো এইটো অধ্যক্ষ মহোদয়, বাহিৰত যিবিলাক কথা কৈ দিয়া হয়, তাৰ ওপৰত এটা Resolution ল'লে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** মই এইটোৱেই কৈছো। I am trying to frame a rule. I will read the book and if possible I will frame a rule. চৰকাৰে যেনেকৈ সদন চলি থাকোতে বাহিৰত ক'ব নোৱাৰে, যেতিয়ালৈকে তেওঁলোকে তথ্যখিনি ভিতৰত নিদিয়ে। মই এইটো চাম।

**শ্ৰী আব্দুল খালেক, বিধায়ক ঃ** মন্ত্ৰীৰ যিমান সুবিধা থাকে, বিধায়কৰ সিমান সুবিধা নাথাকে।

**মাননীয় অধ্যক্ষ ঃ** Please, I will not allow you now. অতুল বৰা আপোনাৰ পইণ্টটো কওঁক। Main issue টো ডাইভাৰ্ট হ'ব নালাগে।

**শ্ৰী অতুল বৰা, বিধায়ক ঃ** অধ্যক্ষ মহোদয় আজি যিটো আলোচনা ইয়াত হৈছে, ইয়াৰ পৰা মোৰ ধাৰণা হৈছে, ইয়াত মহিলা বিশ্ববিদ্যালয়খন থাকিব।

**মাননীয় অধ্যক্ষ ঃ**মহিলা বিশ্ববিদ্যালয়খন থাকিব।

**শ্ৰী অতুল বৰা, বিধায়ক ঃ**যদি থাকিবই লাগে তেনেহ'লে আজি কিছুদিন আগতে মহিলা বিশ্ববিদ্যালয়খন বিলুপ্তি কৰণৰ কথা নোকোৰাহ'লে এই হৈ চৈবোৰ নহ'লহেঁতেন। সেইবোৰ কিয় কোৰা হ'ল?

**মাননীয় অধ্যক্ষঃ** মই এতিয়া থিয় হৈ কম।নহ'লে সকলোৱে কথা কয়। আমি ইয়াৰ পিচত নেক্সট লৈ যাব লাগিব। ইমানখিনি সময় দিয়াটো উচিত হোৱা নাই আৰু মই অতিকৈ লজ্জিত। মই সেইকাৰণে অসুবিধা পাইছো। কাৰণ I am representing that constituency through I can not say.I donot have any constituency now. Entire Assam is my constituency as a Speaker. তেখেতে কৈছে মোৰ লগত আলোচনা হৈছে। কিন্তু কিছুমান কথাত জটিলতা থাকে। জটিলতাবোৰ খুলিবলৈ যত্ন কৰিব লাগিব। অতুল বৰা কথা এটা কৈছে ।এই জটিলতাৰ কাৰণে চৰকাৰৰো কিছুমান ইচ্ছা আছিল,বিৰোধী সকলৰো বহুতেই মোক এই কথাটো কৈছিল। সেইকাৰণে মই মাজতে থাকি যিমান পাৰো, এখন সেঁতুহে বান্ধিব খুজিছিলো। I donot want to take any credit in future also. মই কেতিয়াও ক্ৰেডিট ল'ব নুখোজো। সেইকাৰণে behind the scene. মই কাম কৰি আছো। But I am very much hurt. যেতিয়া ছাত্ৰ-ছাত্ৰী সকল ইয়াত আহিছিল কথা পতিছিল আন্দোলনৰ পথটোৰ কথা কৈছিল । আমি ৪/৫ তাৰিখে এই সম্পৰ্কে আলোচনা কৰাৰ কথা আছিল। আমি ১০/১৫ দিন যদি আন্দোলনটো পিছুৱাই দিলোহেঁতেন মহাভাৰতখন একো অশুদ্ধ নহ'লহেঁতেন। তেখেত সকলে ইয়াত ৰিপ্ৰেজেণ্ট কৰি গৈছে । শিক্ষাৰ ওপৰত দুদিন আলোচনা হ'ব। আপোনালোকে ভাৱিছে নেকি মহিলা বিশ্ববিদ্যালয় তাত আলোচনা নহ'ব। গোটেই কথাটো মোৰ দুখ লাগিছিল। মই যোৱাৰ

পিছদিনাখন মই পেপোৰখনত দেখিলো। আমি এম এল এ হ'ব পাৰো মন্ত্ৰীহ'ব পাৰো । কিন্তু আমি সকলো মানুহ ।মানুহক আক্ৰমণ কৰাৰ এটা ভাষা থাকে। নিউজ পেপাৰত যি ধৰণৰ attacking language বোৰ মইও শিক্ষামন্ত্ৰী থাকিলে মইও ভাৱিলোহেঁতেন এনেকৈ যে কথা কৈছে, মোৰনো কি দৰকাৰ আছে। আমিও মানুহ। Emotion সকলোৰে আছে। আন্দোলন কৰাৰ অধিকাৰ গণতান্ত্ৰিক দেশ এখনত সকলোৰে আছে। কিন্তু যিসকলেকৰোতে যদি ভাষাবোৰ সীমিত হয়, শালীনতা ৰক্ষা কৰি কয়। আমি সকলোৰে solution এটাত যাব বিচাৰিছো। মই বিচাৰো যে আজি যিমান আলোচনা হৈছে যথেষ্ট। ইয়াৰ পিছত নতুন চেপ্টাৰ এটা নিশ্চয় আলোচনা হ'ব। কিন্তু সেই কথাখিনি আলোচনা কৰোতে আমাৰ বহুতখিনি চাবলগীয়া আছে। থকাখিনিক কেনেকৈ ৰক্ষা কৰিব পাৰিম। আজিৰ তাৰিখত শিক্ষমন্ত্ৰীয়ে অতি গুৰুত্বপূৰ্ণ কথা কৈছে।

বোধগম্য হৈছে নে নাই সকলোৰে ধৰিব পৰা নাই। যদি হৈছে অতি ভাল।গতিকে যিমানে আমি শান্তিপূৰ্ণভাৱে সমস্যাটো সমাধা কৰিব বিচাৰো সোনকালে সমাধান আহিব। যিমানে খেলি-মেলি কৰিবলৈ চেষ্টা কৰে সমাধান দূৰলৈ গৈ থাকিব ।সেইকাৰণে এই সদনৰ পৰা অধ্যক্ষ হিচাপে সকলো পক্ষক appeal কৰিছো Give us some time. Withdrawal agitation definitly a meaningfull solution well come that much all. আমি এতিয়া যোৱাকালি আধৰুৱা হৈ থকা কাৰ্য্যসূচীলৈ যাম। তাৰ আগতে আমি আজিৰ শেষৰ **"Point of Order"** টো উত্থাপন কৰিবলৈ বিধায়ক আনোৱাৰ হুছেইন লস্কৰক আহ্বান জনাইছো।

**শ্ৰীআনোৱাৰ হুছেইন লস্কৰ,বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই তৰাবিহিন প্ৰশ্ন নং-৭৯৮ যোগে উত্থাপন কৰা Assistant Teacher of Manipur M.V. School ৰ এজন ব্যক্তিয়ে চাকৰি Resign দি মোৰ লগতে Election ত Contest কৰিছিল, কিন্তু তেওঁ পুনৰ চাকৰি কৰি আছে। তেওঁ কেনেকৈ চাকৰি পালে, সেই সম্পৰ্কে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মই সেইটো পিচত চাই দিম। This is a question of Law. I will examine it and then I will give you the Report. এতিয়া মই ২ নং কাৰ্য্যসূচী আৰম্ভ কৰিছো, Voting on Demands for Grants, শ্ৰী গুৰুজ্যোতি দাস।

**শ্ৰী গুৰুজ্যোতি দাস,বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলে প্ৰাকৃতিক দুৰ্যোগৰ শিতানত মঞ্জুৰ কৰা বাজেটৰ ধনৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধীতা কৰি কৰ্তন প্ৰস্তাৱৰ ওপৰত দুআষাৰ কবলৈ সুযোগ দিয়াৰ বাবে প্ৰথমে ধন্যবাদ জ্ঞাপন কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, প্ৰাকৃতিক দূৰ্যোগ কোনেও পূৰ্বানুমান আৰু ৰোধ কৰিব নোৱাৰে। আমাৰ সমগ্ৰ বিশ্ব প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। জনসাধাৰণৰ জীৱনৰ নিৰাপত্তা দিয়াটো যিহেতুকে চৰকাৰৰ দায়িত্ব, সেয়েহে আমাৰ চৰকাৰখনেও অসমৰ প্ৰতিজন নাগৰিকৰ জীৱনৰ নিৰাপত্তাৰ স্বাৰ্থৰ খাতিৰত সেই দায়িত্ব মূৰপাতি লৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰাকৃতিক দূৰ্যোগত নিৰাপত্তা দিয়াৰ নিমিত্তে আমাৰ চৰকাৰখনে এইবাৰৰ বাজেটত "প্ৰাকৃতিক দূৰ্যোগ" শিতানত অলপ বেছি ধন ৰাখিবলৈ চেষ্টা কৰিছে। ময়ো এই "প্ৰাকৃতিক দূৰ্যোগ" শিতানত চৰকাৰে কৰ্তন প্ৰস্তাৱৰ জড়িয়তে যি ধন ৰাখিব বিচাৰিছে তাতোকৈ অধিক ধন এই শিতানত ব্যয় কৰাৰ বাবে যাতে ধাৰ্য্য কৰে তাকে অনুৰোধ জনাব বিচাৰিছো।

আমাৰ দৰং জিলাৰ অন্তৰ্ভুক্ত মঙ্গঁলদৈ চহৰখন ব্ৰহ্মপুত্ৰ নদীৰ প্ৰায় ওচৰতে অৱস্থিত। বাৰিষাৰ বানপানীৰ সময়ত ব্ৰহ্মপুত্ৰত যি মৰাসূতি আছে,সেই সূতিৰে বাঢ়নি পানী সোমাই আহি যথেষ্ট ক্ষয়-ক্ষতি আৰু আহুকালৰ সৃষ্টি কৰা দেখা যায়। এই মৰাসূতি মঙ্গলদৈ চহৰৰ পৰা মাত্ৰ

দুই-তিনি কিলোমিটাৰ দূৰত আছে। এই বানপানী মঙ্গঁলদৈ চহৰ পৰ্য্যন্ত সোমাই আহে। তাৰোপৰি মঙ্গঁলদৈত বহুতো চৰ আছে। এই চৰসমূহৰ কিছুমান হ'ল-- চপৰীয়া, চাউলখোৱা, শিলৈখুন্দা, ৰৌমাৰী,পুথিমাৰী, গাছবাৰী, ধলপুৰ, ধাতৰ আগ, ধপলিখুন্দা, বঙালপোতা, নাংলি চৰ । এই চৰ সমূহৰ উপৰিও আৰু কিছু চৰ আছে যি সমূহত বহুতো লোকে বস-বাস কৰে। বিধান সভাৰ অধিৱেশন চলি থকাৰ সময়ত অধিৱেশনৰ কাম-কাজ পৰ্য্যন্ত স্থগিত ৰাখি দুৰ্গত
ৰাইজৰ মাজলৈ গৈ খবৰ লৈছিল, সেইবাবে এই সুযোগতে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগতে মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। ধুমুহা বতাহ,ভূমিকম্প, গড়াখহনীয়া আদি প্ৰাকৃতিক দূৰ্যোগসমূহ কেতিয়া আহে সেইটো কোনেও আগতীয়াকৈ কব নোৱাৰে। ভূমিকম্প কেতিয়া আহে সেইটো Predict কৰিবপৰা যন্ত্ৰ এতিয়ালৈকে আৱিস্কাৰ কৰিবপৰা নাই। আমাৰ অসমত ১৯৫০ চনত হোৱা বৰভুইকঁপৰ কথা আমি সকলোৱে জানো বা শুণিছো। ভৱিষ্যতে এনে সন্ধিক্ষণত আমাৰ সাধাৰণ জনসাধাৰণ বা ৰাইজ বিচলিত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি 'প্ৰাকৃতিক দূৰ্যোগ ব্যৱস্থাপনা' বিভাগে বহুতো সজাগতামূলক শিৱিৰ বা Awareness Programme কৰিছে। এই Awareness Programme বা সজাগতামূলক শিৱিৰ কৰাৰ ক্ষেত্ৰত চৰকাৰে যাতে অলপ বহল ভিত্তিত অসমৰ ভিতৰুৱা অঞ্চল সমূহকো সামৰি লয় তাকে মই অনুৰোধ কৰিব বিচাৰিছো।

ফাগুন, চ'ত, বহাগ এই কেইটা মাহত সাধাৰণতে নাওঁৰ চলাচল বেছি হোৱা দেখা যায়। আপোনালোক সকলোৱে নিশ্চয় গম পাইছে যে যোৱাকালিও নাওঁৰপৰা পৰি দুগৰাকী ব্যক্তিয়ে মৃত্যুবৰণ কৰিছে। নাওঁ দুৰ্ঘটনাও ক'ত, কেতিয়া হয় সেইটো বহু পলমকৈ গম পোৱা যায়। সেয়েহে এই দুৰ্ঘটনাসমূহ তাৎক্ষণিকভাৱে গম পোৱাৰ বাবে অত্যাধুনিক যন্ত্ৰ যেনে- দ্ৰুণ আদি প্ৰয়োগ কৰিবপৰা যায়। কিয়নো 'দ্ৰুণ' নিক্ষেপনত কেমেৰা ব্যৱহাৰ কৰা হয় আৰু এই কেমেৰাৰ দ্বাৰা আমি অতি তাৎক্ষণিকভাৱে গম পাবলৈ সক্ষম হম যে ক'ত, কেতিয়া, কেনেধৰণৰ দুৰ্ঘটনা সংঘটিত হৈছে। বহু সময়ত ব্ৰহ্মপুত্ৰত নাওঁ ডুবি মাছমৰীয়াৰ মৃত্যুকে ধৰি অন্যান্য বহুতো ঘটনা সংঘটিত হৈয়েই থাকে। আজি একবিংশ শতিকাৰ আধুনিকতা আৰু বিজ্ঞানৰ যুগত অত্যাধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ দ্বাৰা নিৰ্মিত যন্ত্ৰৰ প্ৰয়োগ নিশ্চয় ভাল হ'ব বুলি ভাবো আৰু সেয়েহে মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জড়িয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক এই 'দ্ৰুণ' যন্ত্ৰৰ ব্যৱহাৰ আৰু প্ৰয়োগৰ বাবে অনুৰোধ জনাব বিছাৰিছো।

তাৰোপৰি, মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত আমাৰ চৰকাৰখনে যোৱা বানপানীৰ সময়ত পশুধনৰ ওপৰতো গুৰুত্ব প্ৰদান কৰি পশুখাদ্যৰ বাবে যথেষ্ট ব্যৱস্থা গ্ৰহণ কৰে। সেয়েহে আমি কোনো নাটনি নোহোৱাকৈ পৰ্যাপ্তপৰিমাণে পশুখাদ্য বিতৰন কৰিবলৈ সক্ষম হৈছো। ইয়াৰ বাবে মই নিজেও এই চৰকাৰখনৰ প্ৰতিনিধি হিচাপে গৌৰৱ বোধ কৰো।

ইয়াৰ উপৰিও, এই চৰকাৰৰ দিনত বিভিন্ন চৰাঞ্চলত উন্নয়ণমূলক আঁচনি হিচাপে High Lane ৰ ব্যৱস্থা কৰা হৈছে। কিন্তু বৰ্তমান ইয়াৰে কিছুমান. High Lane ত কিছু লোকে স্থায়ীভাৱে বস-বাস কৰিবলৈ লৈছে। কিন্তু মই লক্ষ্য কৰিছো, এই High Laneসমূহত বিশুদ্ধ খোৱাপানী,শৌচাগাৰ আদিৰ উপযুক্ত ব্যৱস্থা নাই। চৰকাৰে এই বিশুদ্ধ খোৱাপানী আৰু শৌচাগাৰৰ ব্যৱস্থা কৰি দিলে ভাল হয়। মই পুনৰ আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক এই সুযোগতে ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে- যোৱা বানপানীৰ সময়ত আমাৰ চৰকাৰখনে যি ক্ষীপ্ৰগতিৰে বানসাহায্য প্ৰদান কৰিছিল তাৰ বাবে আমাৰ চৰকাৰখনক ৰাইজে যথেষ্ট প্ৰশংসা কৰিছিল। মই গৌৰৱেৰে

উল্লেখ কৰিব বিচাৰো যে- এই মঙ্গঁলদৈ অঞ্চলত মই দেখাৰে পৰা প্ৰায় ৪০ বছৰ হ'ল, এনেদৰে বানসাহায্য প্ৰদান কৰা দেখা নাই। বানপানীৰ সময়ত এইবাৰ ৫-৬ টা শিৱিৰ পাতি এই শিৱিৰ সমূহত চাউল, দাইল, তেল আদি সামগ্ৰীসমূহ মজুত কৰি ৰাখে আৰু সুন্দৰ ব্যৱস্থাপনাৰে ৰাইজৰ মাজত বিতৰণ কৰি দিয়ে।

**শ্ৰীগুৰুজ্যোতি দাসঃ** যেতিয়াৰ পৰা আমাৰ মঙ্গলদৈত বানপানী হয় , মঙ্গলদৈ চহৰত প্ৰায়৫-৬টা শিবিৰ হয়, আৰু সেই শিবিৰসমূহত চাউল- ডালি- তেল বিতৰন কৰি কিছু সাহাৰ্য্য দিয়া হয়। কিন্তু এইবাৰ এনেকুৰাকৈ আমি গোটেই সাহায্য শিবিৰ খিনি ৰাখিছো , আমাৰ চৰকাৰে ইমান সুন্দৰভাবে ব্যৱস্থা গ্ৰহণ কৰিছে যে তাত এইবাৰ Generator দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ পৰা বিৰোধী দলসমূহ গৈছিলে , বহুকেইজন কংগ্ৰেছ দলৰ সদস্য গৈ সেই বানপিড়ীত লোকৰ বুজ লৈছিল। কিন্তু মই আমি গৌৰবো কৰিছিলো যে আমাৰ চৰকাৰে তেওলোকক Generator দি তেওলোকক ইমান ধুনীয়াকৈ ৰখাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। সেই কাৰনে মই গৌৰৱ কৰিব পাৰিছো। আমাৰ অসমৰ প্ৰতি গৰাকী জনসাধাৰনৰ প্ৰতি আমাৰ দায়িত্ব আছে, সেই দায়িত্ব আমি চৰকাৰখনে পালন কৰি আহিছো। প্ৰাকৃতিক দুৰ্যোগ কেতিয়া হয় কোনেও ক'ব নোৱাৰে। আমি ভাবো অসমখনক সুৰক্ষিত কৰিবৰ কাৰনে এই প্ৰাকৃতিক দুৰ্যোগৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবই লাগিব। প্ৰাকৃতিক দুৰ্যোগৰ প্ৰতি সজাগতা নিশ্চয় ৰাইজৰ মাজত আনিবই লাগিব। আমি দেখিছো, ভূমিকম্প হ'লে কেনেকুৰাধৰণৰ সাবধানতা অৱলম্বন কৰিব লাগে। আমাৰ বিদ্যালয়সমূহত দুই এটা সজাগতামূলক কাৰ্য্যসূচী গ্ৰহণ কৰে। সজাগতামূলক কাৰ্য্যসূচীসমূহ যদি আমি বহলভিত্তিত কৰিব পাৰো। আমাৰ চৰ অঞ্চল, নদীকাষৰীয়া অঞ্চলসমূহত যাতে এনেধৰনৰ ব্যাৰস্থা গ্ৰহণ কৰে তাক মই অনুৰোধ জনাম। আমাৰ বানপানীসমূহত বহু মানুহ মৃত্যুমুখত পৰে সেই পৰিয়াসমূহক ক্ষতিপূৰণ হিচাপে ধন দিয়াৰ ব্যৱস্থা কৰিছে তাৰ বাবে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ তাত যোৱাবাৰৰ বানপানীত এগৰাকী ব্যাক্তি পানীত পৰি মৃত্যুমুখত পৰিছিল। আমাৰ এক কালীন সাহাৰ্য্য হিচাপে ৪ লাখ কৈ টকা দিয়াৰ যিটো ব্যৱস্থা গ্ৰহণ কৰা হৈছিল সেইটো ইতিমধ্যে তেওঁৰ পৰিয়ালে পাইছে। আমাৰ চৰকাৰখনৰ যে ৰাইজৰ প্ৰতি সঁচাকৈয়ে দায়বদ্ধ সেইটো প্ৰমান হৈছে। আমি যেতিয়া প্ৰাথমিক বিদ্যালয়ত পঢ়িছিলো তেতিয়া বানপানীৰ উপকাৰ আৰু অপকাৰৰ বিষয়ে ৰছনা লিখি আহিছো। এই পবিত্ৰ সদনত যোৱাকালি দুগৰাকী মাননীয় সদস্যই বানপানীৰ উপকাৰৰ বিষয়ে বক্তব্যত উল্লেখ কৰিছে যে পলস পৰে, মাটিৰ উৰ্ব্বৰতা বৃদ্ধি হয়। কিন্তু বানপানীত যিটো গড়াখহনীয়া হয় সেই কথাটোও উত্থাপন হৈ আহিছে লগতে বিভিন্ন সময়ত অসমৰ বানপানী সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষনা কৰিবলৈ দাবী উত্থাপন হৈ আহিছে। আমাৰ চৰকাৰৰ ফালৰ পৰা প্ৰধান মন্ত্ৰী মহোদয়, নৰেন্দ্ৰ মোডী ডাঙৰীয়াক দাবী জনোৱা হৈছিল তেতিয়া তৎকালীনভাবে আমাৰ প্ৰধান মন্ত্ৰী মহোদয়ে আৰু অসমৰ মুখ্যমন্ত্ৰী মহোদয়ে বানপানী ৰোধৰ ব্যৱস্থা হিচাপে ব্ৰহ্মপুত্ৰৰ দুয়োটা পাৰে মথাউৰিৰ ব্যৱস্থা কৰাৰ বাবে ইতিমধ্যে সিদ্ধান্ত লৈছে। ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে দুয়োফালে যদি ৰাস্তা বনাই দিয়া হয় তাৰ লগে লগে মই ভাবো নিশ্চয় গড়াখহনীয়া যিটো দিনে দিনে অসমত বৃদ্ধি পাই আহিছে সেইটো ৰোধ হ'ব। অসমৰ মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো যে তেখেতে এটা ইতিবাচক সিদ্ধান্ত লৈছে, এইটো অতি পুৰণি সমস্যা যিটো হ'ল গড়াখহনীয়া সমস্যা । যোৱা কালি আমাৰ কংগ্ৰেছৰ এগৰাকী মাননীয় সদস্যই কৈছে যে আমি গড়াখহনীয়াত হাজাৰ হাজাৰ ভূমি হেৰুৱাই আহিছো। হয় , নদী যিটো গতি পথ সেইটো কেতিয়াবা সলাই আনফালে গতি কৰে, কোনোবা ফালে খহায়

আৰু আন কোনোবা ফালে মাটি এৰি দিয়ে। কিন্তু হয় যে আমি খেতি মাটি হেৰুৱাইছো। আমাৰ অসম এখন কৃষি প্ৰধান ৰাজ্য এইটো আমি সকলোৱে জানো , আমি কৃষিৰ ওপৰত নিৰ্ভৰশীল। কৃষিৰ ওপৰত নিৰ্ভৰ কৰি আমাৰ অসমখন অৰ্থনৈতিকভাবে আগবাঢ়ি আছে । কিন্তু আজি আমাৰ উদ্যোগ মন্ত্ৰী চন্দ্ৰ মোহন ডাঙৰীয়াই Advantage Assam ৰ আয়োজন কৰিছে অসমৰ মূখ্যমন্ত্ৰী মহোদয়ৰ বলিষ্ঠ পদক্ষেপত। আৰু এই নীতিৰ ফলত বিভিন্ন দেশৰ কোম্পানীসমূহে অসমত বিনিয়োগ কৰিবলৈ আগবাঢ়ি আহিছে । অসমৰ এক সুস্থ পৰিবেশ আৰু পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি এই উদ্যোগ সমূহ আজি আগবাঢ়ি আহিছে এইটো আমাৰ নতুন প্ৰজন্মৰ কাৰনে শুভ লক্ষন , আমাৰ বাবে ,অসমৰ বাবে শুভলক্ষন।

উদ্যোগীকৰনৰ ফলত বিভিন্ন ধৰনৰ নিবনুৱাসকলক আমি সংস্থাপন দিব পাৰিম। অৰ্থনৈতিক দিশত আমি আগবাঢ়ি যাব পাৰিম। আমি উৎপাদক ৰাজ্য হিচাপে ভাৰতবৰ্ষত পৰিচিত হ'ব পাৰিম কিন্তু তাৰ লগে লগে এই কথাটোত আমি নুই কৰিব নোৱাৰিম যদি আজি হয়তো সন্ত্ৰাসবাদী সকলৰ আক্ৰমণ হ'ব পাৰে। জনসাধৰনৰ জীৱন , সা-সম্পত্তি নিৰাপত্তাৰ গুৰু দায়িত্ব চৰকাৰৰ ওপৰত। গতিকে তাৰ কাৰণেও যাতে ব্যৱস্থা গ্ৰহণ কৰা হয়। সন্ত্ৰাসবাদীসকলে আক্ৰমন, কুটাঘাত ইত্যাদি যাতে কৰিব নোৱাৰে তাৰ বাবে আমাৰ চৰকাৰখনে অধিক ব্যৱস্থা লয়। ইতিমধ্যে আমাৰ চৰকাৰে যথেষ্ট ব্যৱস্থা লৈছে কিন্তু আজি চৰ অঞ্চলসমূহত আমি দেখিছো বাংলাদেশীৰ বৃদ্ধিৰ লগে লগে আইন শৃংখলাৰ প্ৰতি ভাবুকি আহিছে। আজি ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ কাম চলি আছে আমি নিশ্চয় ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ কাম শেষ হোৱাৰ লগে লগে ইয়াৰ প্ৰমান দেখিবলৈ পাম। আজি অসমত বাংলাদেশী কিমান সোমাই আছে এই ছবিখন ৰাইজৰ মাজত নিশ্চয় জল জল পট পট হ'ব। আমি বাংলাদেশী ৰোধ কৰাৰ বাবে বা সন্ত্ৰাসবাদী ৰোধ কৰিবৰ কাৰনে আমি আমাৰ নদীপথসমূহত দ্ৰোণৰ ব্যৱস্থাকৰণ কৰাৰ লগতে কেমেৰা স্থাপন কৰাৰ বাবে মই দাবী অথবা অনুৰোধ জনাম। কেমেৰাৰ জৰিয়তেহে আমি সন্ত্ৰাসবাদীসকলক ৰোধ কৰিব পাৰিম। আমি চৰ অঞ্চলসমূহত এটা কথা শুনি আহিছো। আমাৰ ধূলা থানাৰ ভিতৰত বিভিন্ন অঞ্চলত বিভিন্ন অপকৰ্ম হৈ থাকে। কিছুদিন আগতে আমাৰ মঙ্গলদৈত জিলা প্ৰশাসনৰ জৰিয়তে কিছুমান ড্ৰাগছ ধৰিবলৈ সক্ষম হৈছে। মই দৰং পুলিছকো ধন্যবাদ জ্ঞাপন কৰিলো যে আমাৰ নতুন প্ৰজন্মক ধ্বংস কৰা এইবিলাক মাদক দ্ৰব্যবিলাক , যোগানকাৰীবিলাকক ধৰিছে। আমি আজি এই বিজ্ঞানৰ যুগত হয়তো আমি অতি ব্যাক্তি কেন্দ্ৰীক হৈ গৈছো। তাৰ বাবে হতাশগ্ৰস্থ হৈ যুৱ প্ৰজন্মৰ কিছুমানে হয়তো নিচাগ্ৰস্থ হৈ পৰিছে তাৰ লগতে আজি অসমত জন্ম নিয়ন্ত্ৰনৰ বাবে চৰকাৰে বিভিন্ন আঁচনিৰ জৰিয়তে ব্যৱস্থা গ্ৰহণ কৰিছে। জনসংখ্যা বৃদ্ধিৰ ফলত পৈতৃক সম্পত্তি উত্তৰাধিকাৰীসকলৰ মাজত ভাগ ভাগ হৈ গৈছে তাৰ ফলত লাহে লাহে কৃষি মাটিৰ ওপৰত চাপ পৰিছে। এই কথাবিলাক যদি আমি অনুধাবন কৰা ভাল । তাৰ কাৰনে আমি যদি অসমখনক বছাবলৈ চিন্তা কৰো, অসমৰ মাটি কালি বছাবলৈ চিন্তা কৰো খাদ্য উৎপাদনৰ কথা চিন্তা কৰো , দেশৰ ভবিষ্যত প্ৰজন্মৰ কথা চিন্তা কৰি আজি প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই কৃষকৰ আয় দুগুন কৰাৰ কথা চিন্তা কৰিছে। বিভিন্ন কৃষি ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপ লৈছে, সামগ্ৰিকভাবে কৃষকৰ আয় দুগুনৰ কথা চিন্তা কৰিছে। এটা সময়ত কৃষকসকলে খেতি কৰাৰ পিচত যেতিয়া বানপানী আহে , যেতিয়া ধুমুহা আহে খেতি নষ্ট হয়, তেতিয়া কি পৰিস্থিতি হয় মই জানো কাৰন মইও কৃষক পৰিয়ালৰ পৰা আহিছো। আগতে কৃষি কৰ্মৰ লগত জৰিত আছিলো। এই খেতিয়কসকলৰ কথা চিন্তা কৰিয়েই আজি নৰেন্দ্ৰ মোডী ডাঙৰীয়াই কৃষকসকলৰ বীমাৰ ব্যৱস্থা কৰিছে। ইয়াৰ ওপৰিও প্ৰাকৃতিক দুৰ্যোগৰ সময়ত

প্ৰাকৃতিক দুৰ্যোগৰ ফাণ্ডৰ পৰা খেতিয়কসকলক তাৎক্ষনিকভাৱে সাহাৰ্য্য দিয়াৰ কাৰনে এক ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আমাৰ তাত যোৱা বছৰ ধুমুহাত বহুকেইখন গাও ক্ষতিগ্ৰস্থ হৈছে মই ঘৰে ঘৰে গৈ খৱৰ লৈছো কিন্তু তেওলোকে এতিয়ালৈকে চৰকাৰীভাৱে ক্ষতিপুৰন পাব লাগিছিল এতিয়ালৈ পোৱা নাই। যিহওক এই ক্ষতিপুৰনৰ ধনখিনি, সাহাৰ্য্যৰ ধনখিনি যাতে অতি কম দিনৰ ভিতৰত আমি দিব পাৰো তাৰ এক ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তাৰ ওপৰিও যাতে প্ৰাকৃতিক দূৰ্য্যোগত ক্ষতিগ্ৰস্ত হোৱা খেতিয়কসকলক এই ফাণ্ডৰ পৰা কেনেকৈ relief দিব পাৰো তাৰ ব্যৱস্থা কৰণ কৰিব লাগে। আজি প্ৰায় এ বছৰ হোৱা নাই, মোৰ সমষ্টিত ধুমুহাত বহুত কেইখন গাঁও ক্ষতিগ্ৰস্ত হৈছে, মই নিজে ঘৰে ঘৰে গৈছো । কিন্তু চৰকাৰীকৰণ ভাৱে যি ব্যৱস্থা আছে, তেওঁলোকে যিখিনি পাব লাগিছিলে পোৱা নাই ধুমুহাত এটা ঘৰ ধংস হোৱাৰ বাবদ, সেই পাপ্য ধন খিনি যাতে আমি কম দিনৰ ভিতৰত দিব পাৰি তাৰ এক ব্যৱস্থা কৰণ কৰিব লাগে আৰু যি সময়ত আমি transparency কথা চিন্তা কৰি আছো, মূখ্যমন্ত্ৰী মহোদয়ে কথাখিনি গুৰুত্ব দিছে। গতিকে মই ভাৱো যে আমাৰ চৰকাৰখনে জনসাধৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰি প্ৰতিটো বিষয়ত কাম কৰি আহিছে। আমাৰ প্ৰাকৃতিক দূৰ্য্যোগৰ ফলত যিখিনি লোকৰ ক্ষতিগ্ৰস্ত হয়, তেওঁলোকক যাতে কম দিনৰ ভিতৰত পঞ্চায়তৰ গ্ৰামোন্নয় বিভাগৰ লগত সংমিশ্ৰণ কৰি তৎকালীন ভাৱে এটা ঘৰ দিব পাৰি, তেনেকুৱা এক ব্যৱস্থা কৰণ কৰিব লাগে। আৰু মই বিশেষ নকওঁ, এইখিনিকে কৈ বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে সেই কৰ্তন প্ৰস্তাৱটো বিৰোধীতা কৰিছো আৰু মই চৰকাৰ বা অসম মূখ্যমন্ত্ৰী ডাঙৰীয়াক জনাম যে আমাৰ প্ৰাকৃতিক দূৰ্য্যোগ শিতানৰ বিভাগটোত যাতে অধিক পৰিমানৰ ধন দিয়ে কাৰণ কেতিয়া ক'ত কি হয় আমি কোনেও কব নোৱাৰো। গতিকে তাকে মই আহ্বান জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আজি আমি পিছৰ বিষয়টোলৈ যাব লাগিব। সেই কাৰণে মই ভাৱিছো যে এঘন্টা মান debate খিনি শেষ কৰিলে ভাল হয়। মই ইয়াত যিকেইজনে কব খুজিছে, তেওঁলোকক এটা অনুৰোধ কৰিছো যে তেওঁলোকে যাতে **১০, ১২** মিনিটৰ ভিৰতৰ শেষ কৰিবলৈ চেষ্টা কৰে। তেতিয়া মন্ত্ৰী উত্তৰৰ পিছত, পিছৰ বিষয়লৈ যাব পাৰিম।

মই এতিয়া মাননীয় সদস্য শ্ৰী আবুল কালাম ৰছিদ আলমক কবলৈ কৈছো।

**শ্ৰী আবুল কালাম ৰছিদ আলম, পূৰ-গোৱালপাৰাঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত দুষাৰ কথা কম। "**প্ৰাকৃতিক দূৰ্য্যোগ**" ধুমুহা, ভুমিকম্প, বানপানী ইত্যাদি আমি ধৰি লওঁ। কিন্তু বিশেষকৈ অসমত বানপানীয়ে আমাক বেছি ক্ষতিগ্ৰস্ত কৰে। বিশেষকৈ মই গোৱালপাৰা অঞ্চলৰ কথা কম। বানপানী সাধাৰণতে অসমত দুই ধৰণৰ দেখা যায় - এটা হ'ল সাধাৰণ বানপানী আৰু এটা আছে অসমৰ ভিতৰত গোৱালপাৰাতে হয় আৰু বেলেগ ঠাইত দেখা নাযায়, সেইটো হ'ল flash flood । অতিৰিক্ত যি বানপানী হয় সেইটো সাধাৰণ বানপানীৰ সময়ত কিছুমান সমস্যাৰ সন্মুখীন হয়, যেতিয়া বানপানীত বিভিন্ন অঞ্চলত মানুহ আক্ৰান্ত হয়, সেই সময়ত তেওঁলোকৰ সাহাৰ্য্যৰ কাৰণে আমি অতি সোনকালে ব্যৱস্থাটো কৰিব লাগে।

**(সভাপতি শ্ৰী বীৰভদ্ৰ হাগজেৰ সদন পৰিচালনা কৰে)**

কিন্তু দেখা যায় সভাপতি মহোদয়, বিশেষকৈ বিষয়া কৰ্মচাৰীৰ অৱহেলাৰ কাৰণে সেই সাহাৰ্য্যসমূহ সময়মতে গৈ নাপায়। বানপানীত আক্ৰান্ত হোৱাৰ পিছত তিনি দিন, চাৰি দিন, এক সপ্তাহ লৈকে বানপানীৰ তলত থকাৰ পিছতো তেওঁলোকে reliefৰ ব্যৱস্থা সময়মতে নকৰে। বিশেষকৈ আমাৰ যিসকল মণ্ডল আছে, চক্ৰ বিষয়া আছে, sector officer বিলাক আছে, তেওঁলোকে নিদিয়ে।

তাৰ পিছত বানপানী শুকাই যোৱাৰ পিছত দেখা যায় যে relief বিলাক গৈ পায়। গতিকে এই বিষয়া কৰ্মচাৰীৰ যদি আমি ব্যৱস্থা বিলাক নলওঁ, তেনেহ'লে সেই বানাক্ৰান্ত ৰাইজে সময়মতে relief নাপাব। আৰু সেই সময়তে বিভিন্ন ৰাস্তাঘাট, খেতিপথাৰ নষ্ট হয়। সময়মতে সেই report বিলাক তেওঁলোকে নিদিয়ে। বিভিন্ন বিভাগে ভেটেনাৰীয়ে কওঁক, কৃষি বিভাগে কওঁক, P&RD বিভাগে কওঁক, গড়কাপ্তানিয়ে কওঁক, সময়মতে নিদিয়ে। গতিকে আমি সেই ব্যৱস্থাবিলাক লব লাগে। বানপানী সময়ত বিশেষ অসুবিধা দেখা যায় যে মানুহ যেনেকুৱাকৈ অসুবিধাত থাকে, তাতকৈ বেছি অসুবিধা হয় পশু বিলাকৰ যেনেকৈ গৰু - ছাগলী। মানুহৰ খাদ্যত কৈ অতিসোনকালে পশুবিলাকৰ (গৰু-ছাগলীৰ) খাদ্যৰ বেছি প্ৰয়োজন হয়। কিন্তু দেখা যায় সেই বানপানীৰ সময়ত আমি সেইবিলাকৰ ব্যৱস্থা নকৰো। যিয়ে নহওঁক, সভাপতি মহোদয়, এই বিলাকৰ ব্যৱস্থা যদি আমি নলওঁ আমাৰ বহুতো পশুধন নষ্ট হয়। মই বিশেষকৈ গোৱালপাৰা অঞ্চলৰ তথা কামৰূপ জিলাৰ এটা অংশ, ধুবুৰী জিলাৰ এটা অংশ flash flood ত আক্ৰান্ত হয়। এইটো কিন্তু বেলেগ অঞ্চলত দেখা নাযায়। সকলোৱে জ্ঞাত বলবলাই কৃষ্ণাই অঞ্চলত বিশেষকৈ ২০০৪ চনৰ পৰা এনেকুৱাকৈ বানপানী হয়, প্ৰশাসনৰ ইচ্ছা থাকিলেও ব্যৱস্থা লব নোৱাৰে। সেই কাহিনীবিলাক আমি চিনেমাতো দেখা পোৱা নাই। Director বিলাকে আজিলৈকে এনেকুৱা মৰ্মান্তিক যিটো কাহিনী, সেইটো আজিলৈ Director ৰে চিনেমাত বনাব পৰা নাই। মাত্ৰ আমি দুঘন্টা সময় পাওঁ আৰু যদি flash flood টো ৰাতিৰ আন্ধাৰত হয়, তেনেহ'লে হাজাৰ হাজাৰ মানুহ মৃত্যুবৰণ কৰিব লাগিব। ২০০৪ চনত হাজাৰ হাজাৰ পশুধন নষ্ট হৈছে, বহু মানুহ মৰিছে। হেলিকাপ্তাৰেৰেও মানুহ উদ্ধাৰ কৰিব পৰা নাই। সভাপতি মহোদয়, মই অনুৰোধ জনাম এই অঞ্চলত এই flash flood ৰ কাৰণ বিলাক কি? কি কাৰণত হয়, সেইবিলাক কিন্তু আমি উলিয়াব লাগিব। আৰু flash flood ৰ আগত আমি কিছুমান সা-সজুলীৰ ব্যৱস্থা কৰি ৰাখিব লাগিব। যেনেকুৱা দেখা যায় যে সেইসময়ত হেলিকাপ্তাৰেৰেও মানুহ উদ্ধাৰ কৰিব নোৱাৰে। এটাই উপায় থাকে, Rubber Boat কিন্তু Rubber Boat যদিও অসমৰ বিভিন্ন জিলাত থাকে, আমাৰ গোৱালপাৰাত নাথাকে। যোৱা ২০১৪ চনত Rubber Boat অভাৱত বহু মানুহ মৃত্যুৰ মুখত পৰিছে। চাৰিওফালে ৰাস্তাঘাট বিলাক বন্ধ হৈ যায়, সেই সময়ত নলবাৰী জিলাত Rubber Boat আছিলে, গুৱাহাটীত আছিলে, বিভিন্ন আৰ্মী কেম্পত আছিলে, কিন্তু ৰাস্তাঘাট বন্ধ হোৱাৰ কাৰণে সেই বিলাক লৈ যাব পৰা অৱস্থাত নাথাকে। গতিকে মই অনুৰোধ জনাম যে অন্তত ২০, ৩০ খন Rubber Boat, flash flood ৰ ব্যৱস্থাটো বানপানী অহাৰ আগে আগে কৰিব লাগে। তেনেহ'লে নিশ্চয় বহুত মানুহৰ জীৱন ৰক্ষা কৰা যাব। দুটা চক্ৰ বিষয়াৰ অফিচ আছে তাত, প্ৰত্যেক চক্ৰ বিষয়াৰ অফিচৰ অধীনত যদি Rubber Boat বিলাক থৈ দিয়ে, তেনেহ'লে কিন্তু এই কাম কৰিবলৈ সক্ষম হম। SDRF ত দিয়া থাকে, সেই সময়ত কিন্তু তেওঁলোকৰ ফালৰ পৰা আমি সময়মতে সাহাৰ্য্য নাপাওঁ। তেওঁলোকৰ গাইডলাইন থাকে, নিয়ম থাকে, অনুমতি লাগে, বহুত কিবা কিবি লাগে। গতিকে SDRF বিভাগতে নহয়, DC ৰ অধীনতো থাকিব লাগে, চক্ৰ বিষয়াৰ অধীনতো থাকিব লাগে লগতে SP ৰ অধীনতো থাকিব লাগিব। তেতিয়াহ'লেহে সম্ভৱ হ'ব, বহুত ক্ষতি হৈছে flash flood ত। আজি চাৰিদিনৰ পৰা NH -37 বন্ধ হৈ আছে, কৃষ্ণাই নদীৰ ওপৰত যিখন দলং বন্ধ হৈ আছে। মাননীয় সভাপতি মহোদয়, ওৱেষ্ট বেংগল, মেঘালয়ৰ পৰা যোগাযোগৰ যিটো ৰাস্তা ধুবুৰী, মানকাছাৰ, এই অঞ্চলৰ যিটো ৰাস্তা আজি বন্ধ হৈ আছে। কাৰণ যোৱা Flash flood ৰ সময়ত এই কৃষ্ণাই নদীত Bridge টো ক্ষতি হৈছে, লাহে লাহে ক্ষতি হয়, আজি

চাৰি দিনৰ পৰা বন্ধ হৈ আছে। কৃষ্ণাই নদী আৰু বলবলাই নদী এতিয়া লৈ  যিটো মঠাউৰি এতিয়ালৈ বন্ধ হোৱা নাই আৰু ১মাহ ২মাহ সময় আছে, যদি এই দুয়োটা নদীৰ কাষত  যিটো মঠাউৰি চিগিছে, যদি বান্ধি নিদিয়ে হাজাৰ হাজাৰ মানুহ মৃত্যু মুখত পৰিব এই বিষয়ে চৰকাৰ অৱগত নহয় নেকি, মই বাৰম্বাৰ প্ৰশাসনক কৈছো, BDO  কৈছো, PD ও কৈছো Water Resource Department ক কৈছো, এতিয়ালৈকে মঠাউৰি বিলাকৰ ব্যৱস্থা কৰা হোৱা নাই। গতিকে সভাপতি মহোদয়, মই অনুৰোধ কৰিছো অতি সোনকালে এই কৃষ্ণাই নদীৰ ওপৰত যিখন Bridge অতি সোনকালে ভাল কৰিব লাগে। অহা যোৱাৰ ব্যৱস্থা কৰিব লাগে, বলবলাই নদী, জীনাৰি নদীৰ দুয়োকাষে মঠাউৰিটো অতি সোনাকলে বান্ধিব লাগিব কৃষ্ণাই নদীত মঠাউৰিটো অতি সোনাকলে বান্ধিব লাগিব। নহলে নদীয়ে ৰাস্তা গতিপথ সলনি কৰিব আৰু যদি সেইটো হয়, তেনেহলে হাজাৰ হাজাৰ মানুহ ক্ষতি গ্ৰস্থ হব, মৃত্যু মুখত পৰিব। সভাপতি মহোদয়, এইখিনি মই অনুৰোধ জনাইছো যিহেতু সময় কম বিশেষকৈ এই Flash flood ৰ কাৰণ বিলাক কি কাৰণত হয়, কাৰণ বিলাক আমি ওলাই লৈ যদি আমি সমাধান নকৰো প্ৰত্যক বছৰে Flash flood ৰ আমি সন্মুখীন হব লাগিব। বিশেষকৈ ৰেল লাইন হোৱাৰ পিছত এই Flash flood টো হয় আছে, মই চৰকাৰক অনুৰোধ জনাম মেঘালয়ৰ পৰা যিটো ধল পানী ওলাই আহে সেইটো ওলাই যোৱা ৰাস্তাটো নাই, ৰেল লাইন হোৱাৰ পিছত বিশেষকৈ আমি দেখিবলৈ পাইছো এই Flash flood টো হয় আছে। গতিকে মই চৰকাৰক অনুৰোধ জনাম যে এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত  যোগাযোগ কৰি ৰেল বিভাগৰ লগত যোগাযোগ কৰি এই পানী ওলাই যোৱা ৰাস্তাটো যাতে আৰু বেছিকৈ কৰি দিয়ে,  তাৰ কাৰণে মই অনুৰোধ জনাইছো আৰু মোক এইখিনি সময় দিয়া কাৰণে সভাপতি মহোদয়ক, ধন্যবাদ জনাইছো আৰু মই যিখিনি কথা কৈছো চৰকাৰে নিশ্চয় ব্যৱস্থা কৰিব এইখিনি কৈ মই মোৰ বক্তব্যৰ সামৰিছো।

**মাননীয় সভাপতি** ঃ ধন্যবাদ।

**শ্ৰী মামুন ইমদাদুল হ'ক চৌধুৰী (মাননীয় বিধায়ক, নাওঁবৈচা)** ঃ সভাপতি মহোদয়,  মোক আধা মিনিট সময় দিয়ক।

**মাননীয় সভাপতি** ঃ আপুনি কিন্তু Listed Speaker  ত নাই। আপুনি যদি আধা মিনিট কয় থিকে আছে, But otherwise it is not possible.

**শ্ৰী মামুন ইমদাদুল হ'ক চৌধুৰী (মাননীয় বিধায়ক, নাওঁবৈচা)** ঃ সভাপতি মহোদয়, আমি যেতিয়া  যিকোনো Device ৰ ওপৰত Debate কৰো তেতিয়া মাননীয় অধ্যক্ষ মহোদয়ে, Time টো Allot কৰি দিয়ে, এই হিচাবে আমাক ৩৯ Minutes দিছিলে আৰু কংগ্ৰেছক ৭০ Minutes দিছিলে। যোৱাকালি কংগ্ৰেছৰ এজন বিধায়কে ভাষণ দিওঁতে বাৰে বাৰে আমাৰ Hon'ble Chirman ছাৰে, তেতিয়া আমাৰ কলিতা ছাৰ Chair ত আছিল আৰু তেখেতে Remind কৰি দিছিলে যে বক্তা জনে অকলে কওঁক কিন্তু তেওঁলোকে 78 Minutes কোৱাৰ পিছত আজি আকৌ কংগ্ৰছে যে Time টো পালে, তেতিয়া হলে আমাক ৩৯ Minutes ত কৈ বেছি সময় দিব লাগিব কাৰণ আমিও Opportunity টো পাব লাগে।

**মাননীয় সভাপতি** ঃ Ok, point will be taken and we will decide on that. এতিয়া মাননীয় সদস্য ড° ৰণোজ পেগুক মই তেখেতৰ প্ৰশ্নটো কৰিবলৈ অনুৰোধ কৰিছো।

**ড° ৰণোজ পেগু (মাননীয় বিধায়ক, ধেমাজি)** ঃ মাননীয় সভাপতি মহোদয়, দুৰ্যোগ ব্যৱস্থাপনা

বিভাগৰ পুঁজিৰ ক্ষেত্ৰত বিৰোধী পক্ষই অনা কৰ্তন প্ৰস্তাৱটো মই পোনপতীয়াকৈ বিৰোধীতা কৰি মূল বিষয়টোৰ ওপৰত কেইটামান কথা কব বিচাৰিছো, আমাৰ চৰকাৰ খনে পৰিবৰ্তনৰ কথা কৈছিল আৰু আজি বিষয়টো যেতিয়া ইয়াত আলোচনা হৈছে, মোৰ কেইটামান কথা মনত পৰিছে আৰু মই উপলব্ধি কৰিছো যে পৰিবৰ্তন ক'ত হৈছে আৰু কিমান প্ৰভাৱশালী হিচাপে হৈছে। মই এটা সময়ত তৃণমুল পৰ্য্যায়ৰ বিভিন্ন আন্দোলনক নেতৃত্ব দিছিলো। আমি সকলোৱে জানো যেধেমাজি, ঢকুৱাখনা আৰু মাজুলী অসমৰ ভিতৰত বানপানীত আটাইতকৈ বিধস্ত অঞ্চল। আটাইতকৈ তেওঁলোক ভুক্তভোগী। ঢকুৱাখনা সমষ্টিত মাতমৰা বুলি এডোখৰ ঠাই আছে। ঢকুৱাখনা সমষ্টিক সেই সময়ত দীৰ্ঘদিন ধৰি কংগ্ৰেছৰ এজন শক্তিশালী নেতাই প্ৰতিনিধিত্ব কৰিছিল। সেই মাতমৰাত ৮ বাৰকৈ মঠাউৰি চিগিছিল আৰু ৮ বাৰকৈ মঠাউৰি চিঙোতে কেইবা শ মানুহ তাত তেতিয়া গৃহহাৰা হৈছিল। সেই গৃহহাৰা হোৱা মানুহখিনিৰ ক্ষতি পুৰণ বিচাৰি মই অনেক বাৰ দিছপুৰলৈ আহিছিলো আৰু ক্ষতি পুৰণৰ কাৰণে যুঁজিব লগা হৈছিল। এই কথাটো মই ইয়াত এই মুহুৰ্তত মনত পেলাইছো এই কৰেণেই যে প্ৰায় ১৫ বছৰৰ অন্ততহে তেওঁলোকে ক্ষতিপুৰণ পাইছিল। আমাৰ চৰকাৰ খনে ক্ষমতালৈ অহাৰ পিছত এই বানপানীত যি সকলে মৃত্যু বৰণ কৰিছে, তেওঁলোকৰ পৰিয়ালে Ex-gratia বা ক্ষতি পুৰণ আজি কিমান দিনৰ মুৰত পায় বুলি কলে ২৪ ঘণ্টাৰ ভিতৰত তেওঁলোকে সেই ক্ষতি পুৰণটো পাইছে। মাতমৰাৰ মানুহে এটা দশকৰ অধিক কাল গৃহহীন হোৱাৰ কাৰণে ক্ষতিপূৰণৰ বাবে অপেক্ষা কৰিব লগা হল। এইবাৰ ধেমাজি জিলাত ডাঙৰ বানপানী হৈছিল, যোৱা বছৰটোত কেইবা শ মানুহৰ ঘৰ বাৰী বিধস্ত হৈছিল। মাতমৰাৰ নিচিনা উদাহৰণ যদি হ'লহেতেন তেওঁলোকে ক্ষতি পুৰণৰ কাৰণে ১০/১৫ বছৰ অপেক্ষা কৰিব লগা হ'ল হেতেন। কিন্তু আমাৰ চৰকাৰে এইবাৰ ক্ষতি পুৰণ কিমান দিনৰ ভিতৰত দিছে বুলি কলে ১ টা বছৰতে সেই ক্ষতি পুৰণটো প্ৰদান কৰিছে। এই বছৰতে আমাৰ ৰাইজে ক্ষতি পুৰণ পাইছে। বানপানী এটা প্ৰাকৃতিক পৰিঘটনা; বানপানী হয় মঠাউৰি চিগে বা ভাঙে, ৰাস্তা পথ বিলাক চিন্ন বিচিন্ন হয় আৰু সেই বিলাক মেৰামতি কেতিয়া হব — বিশেষকৈ যিটো মঠাউৰি চিগি গ'ল বা ভাঙিলে সেই চিগা বা ভঙা অংশটো কিমান দিনৰ পিছত পুনৰ বন্ধ কৰা হ'ব তাৰকোনো নিশ্চয়তা আগতে নাছিল। তাৰ এটা উৎকৃষ্ঠ উদাহৰণ মই দিব বিচাৰো — ধেমাজিৰ জীয়াধল নদীৰ বানপানীৰ কথা সকলোৱে জানে। পেহীয়তী নামে ঠাইত আজিৰ পৰা ১০ বছৰ আগতে মঠাউৰি চিগিল আৰু যোৱা ১০ বছৰ ধৰি আগৰ চৰকাৰে সেই মঠাউৰিটো পুনৰ নিৰ্মাণ কৰিব নোৱাৰিলে। যাৰ ফলত ধেমাজি আৰু ঢকুৱাখনা অঞ্চলৰ প্ৰায় ৫০ খন গাওঁ প্ৰতি বছৰে নিয়মিত ভাৱে অকনমান বানপানী হ'লেই তেওঁলোকৰ খেতি পথাৰ, ঘৰ-বাৰী সকলো পানীত বুৰ যায় আৰু বানপানীৰ সময়ত যদি তালৈ যোৱা যায় তেতিয়া হ'লে দেখিব যে কাৰোৱাৰ Drawing room ৰ ভিতৰেদি নদীখন বৈ আছে, কাৰোৱাৰ শুৱনি কোঠাৰ ভিতৰেদি নদীখন বৈ আছে — এনেকুৱা এটা পৰিস্থিতি তাত বিৰাজ কৰিছিল। কিন্তু আমাৰ চৰকাৰ অহাৰ পিছত অগ্ৰাধিকাৰ ভিত্তিত আমি এই বছৰ যোৱা ১০ বছৰ ধৰি নিৰ্মাণ কৰিব নোৱাৰা মঠাউৰি প্ৰায় ১১ কোটি টকা ব্যয় সাপেক্ষে দুৰ্যোগ ব্যৱস্থাপনা পুঁজিৰ দ্বাৰা পুনৰনিৰ্মাণ বা Restore কৰিব পাৰিছো। পৰিবৰ্তন আৰু ক'ত হৈছে বুলি কলে আমাৰ চৰকাৰ খনে দুৰ্নীতিৰ বিৰুদ্ধে এটা অভিযান চলাইছে; এখন দুৰ্নীতি মুক্ত অসম যিটো আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদায় কয় — সেই দুৰ্নীতিৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিছে। আমাৰ জিলা বিলাকৰ বিভিন্ন বিভাগ বিলাকত আমি যদি হিচাব কৰি চাওঁ যে কোন বিভাগত

ঠিকাদাৰৰ সংখ্যা আটাইতকৈ বেছি আমি দেখিম যিটো বিভাগত কাম কৰিলে ঠিকাদাৰৰ লাভৰ অংশ বেছি হয় সেই বিভাগতে ঠিকাদাৰৰ সংখ্যা আটাইতকৈ বেছি। আগতে কথাটো তেনেকুৱাই আৎচল। গতিকে Water Resource বিভাগতে ঠিকাদাৰৰ সংখ্যা বেছি আছিল আৰু তেওঁলোকৰ লগত যদি আমি এতিয়া কথা পাতো আমি তেওঁলোকৰ পৰা গম পাওঁ যে এই বিভাগটোৰ এক বিশেষ ঠিকাৰ প্ৰতি তেওঁলোকৰ বহুত আকৰ্ষণ আৰু তেওঁলোকৰ ভাষাত বা Local language ত সেই ঠিকা বিধক কোৱা হয় FDR। তেওঁলোকে SDRF ৰ কাম, দুৰ্যোগ ব্যৱস্থাপনা পুঁজিৰ কাম — এই বিলাক শব্দ তেওঁলোকে ব্যৱহাৰ নকৰে। তেওঁলোকে ব্যৱহাৰ কৰে FDR কাম আৰু এই FDR কাম কৰিবলৈ যদি পায় তাত যিহেতু লাভটো বেছি গতিকে তেওঁলোকৰ মনত ফূৰ্তি লাগে। তাৰ মানে ইয়াৰ আগতে দুৰ্যোগ ব্যৱস্থাপনাৰ পুঁজিৰ সদ্ ব্যৱহাৰ হ'ব লাগে সেইটো কেতিয়াও হোৱা নাছিল, FDR বুলি সেই কাম বিলাক বাৰিষাৰ আগে আগে অলপ চলপ কৰি পাল মাৰা বিধৰ কাম কৰিছিল। আগতে FDRৰ পুঁজিৰ ব্যাপক লুণ্ঠন হৈছিল, এতিয়া এই লুণ্ঠন বন্ধ হৈছে। আজি কেইদিনমান আগত এজন উচ্চ পৰ্য্যায়ৰ বিষয়াই মোৰ আগত কৈছে, বা ময়ো নিজে বিভিন্ন অঞ্চলত গৈ এই দুৰ্যোগ ব্যৱস্থাপনা পুঁজিৰ অধীনত যিবিলাক কাম হৈছে সেইবিলাক কাম পৰিদৰ্শন কৰিছো — পৰিদৰ্শন কৰি এটা পাৰ্থক্য দেখিছো। আজিৰ পৰা ৫ বছৰ আগত হোৱা কামকাজৰ নমুনা আৰু বৰ্তমান হৈ থকা কামৰ নমুনাৰ মাজত আকাশ পাতল পাৰ্থক্য পৰিলক্ষিত কৰিছো — ৰাইজেও পৰিলক্ষিত কৰিছে। আগতে Water Resource বিভাগৰ এটা বদনাম আছিল যে Water Resource Department Competent নহয়, Efficient নহয়; তেওঁলোকে কৰা কাম বিলাক সঠিক নহয়। আমি বহুত সময়ত তুলনা কৰো — Railway মথাউৰি বনাইছে, Railway আৰু NHPC য়ে বাননিয়ন্ত্ৰণৰ কাম কৰিছে। আমি বহুত সময়ত তুলনা কৰো — Railway আৰু NHPC ৰ কামৰ তুলনাত Water Resource Departmentৰ কামৰ মানদণ্ড অতি নিম্নমানৰ। এই কথাটো এই আমাৰ বুকুৰ ভিতৰত সোমাইছিল আৰু আমি পতিয়ন গৈছিলো। আজি কিন্তু যোৱা ২ বছৰৰ কাম-কাজ চাই কম এতিয়া আৰু পূৰ্বৰ নিচিনা জলসম্পদ বিভাগৰ কাম কাজৰ মানদণ্ড নিম্ন নহয়। কাম-কাজ যথেষ্ট উন্নত হৈছে। অৰ্থাৎ দূৰ্যোগ ব্যৱস্থাপনা যি পুঁজি আছে সেই পুঁজিৰ সৎ ব্যৱহাৰ হৈছে। অসমৰ বানপানী বহুত ডাঙৰ সমস্যা — ৪০০০ কি.মি. মথাউৰি আছে; কিন্তু আৰু কিমান মথাউৰি লাগে বুলি কলে প্ৰকৃতাৰ্থত আৰু প্ৰায় ৪০০০ কি.মি. মথাউৰি আমাক লাগে। কিন্তু আমি দূৰ্যোগ ব্যৱস্থাপনা পুঁজিৰ যি গাইড লাইন আছে সেই গাইড লাইনেৰে নতুন মথাউৰি আমি বনাব নোৱাৰো। আমি পুৰণা মথাউৰি যি ভাঙিছে, খহিছে বা বানপানীত নষ্ট হৈছে তাৰ মেৰামতি কৰিব পাৰো। কিন্তু আমাৰ নতুন মথাউৰি নিৰ্মাণ কৰাৰ কাৰণে আমি দূৰ্যোগ ব্যৱস্থাপনাৰ যি পুঁজি আছে সেই পুঁজিৰ পৰা আমি পইচা নাপাও। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে দূৰ্যোগ ব্যৱস্থাপনা পুঁজিৰ ব্যৱহাৰৰ ক্ষেত্ৰত যি গাইড লাইন আছে সেই গাইড লাইনৰ কিছু সংশোধনীৰ প্ৰয়োজন। যিকোনো দূৰ্যোগ ব্যৱস্থাপনাৰ এটা প্ৰাথমিক কথা হ'ল প্ৰতিৰোধ বা pprevention — preventive কাম আমি যদি কৰিব নোৱাৰো তেতিয়াহলে সমস্যাটো আহক — আহিলে তাক আমি সমাধানৰ ব্যৱস্থা কৰিম বা তাক মোকাবিলা কৰাৰ ব্যৱস্থা কৰিম — এই মানসিকতাটো লৈ, approach টো লৈ আমি অসমৰ বানপানীৰ সমস্যাৰ সমাধানো কৰিব নোৱাৰিম, তাক management বা ব্যৱস্থাপনাও কৰিব নোৱাৰিম। আমাক কিছুমান আগতীয়া প্ৰতিৰোধ মূলক বা preventive measure লাগে আৰু pre-

ventive measure ল'বৰ কাৰণে আমি নতুন মথাউৰি বনাব লাগিব বা নতুন কাম কৰিব লাগিব আৰু এই নতুন কাম কৰাতো SDRF ৰ পুঁজিৰ অধীনত কৰাৰ বাবে তাত গাইড লাইনে আমাক অনুমতি প্ৰদান কৰিব লাগিব আৰু অনুমতি প্ৰদান কৰাৰ ব্যৱস্থা লবলৈ মই অনুৰোধ জনাইছো। এতিয়া কোৱা হৈছে যে SDRF ৰ অধীনত এতিয়া গড়াখহনীয়া প্ৰতিৰোধৰ কাম allow কৰিছে — কিন্তু মাত্ৰ ১০ শতাংশ। মই এটা যুক্তি দিব বিচাৰো, আমাৰ যেতিয়া এটা ৰাস্তা বানপানীয়ে ভাঙি নিয়ে তেতিয়া সেই ৰাস্তাটো পুণৰ নিৰ্মাণ কৰাৰ কাৰণে restoration of the road বুলি আচনি লোৱা হয়। ৰাস্তা এটা infrastructure বা আন্তঃগাঠনিত পৰে; সেই আন্তঃগাঠনিটো তাত restore কৰিব লাগে দূৰ্যোগ ব্যৱস্থাপনা পুঁজিৰ অধীনত। কিন্তু নদীৰ পাৰ এটা river bank, সেই river bank টোও মোৰ দৃষ্টিত এটা infrastructure। কাৰণ সেই river bank নামৰ infrastructure যদি নাথাকে তেতিয়াহলে নদীখন যেনিতেনি গুচি যাব। এতিয়া সেই river bank টোত খহনীয়া লাগিছে বা তাক খহাই লৈ গৈছে, গতিকে anti-erosion যিবিলাক work হয়, সেই work বিলাক আমি যদি অন্য ধৰণে চাওঁ তেতিয়া সেই work বিলাক হ'ব — restoration of river bank। গতিকে এই restoration of river bank — এই ধৰণৰ কামবিলাক কৰাৰ কাৰণেও SDRFৰ অধীনত আমাক অনুমতি প্ৰদান কৰিব লাগে; তাৰ কাৰণে যি গাইড লাইন আছে, আইন আছে সেই আইনত সংশোধনীৰ যি প্ৰয়োজন আছে — সেই সংশোধনীখিনি কৰিব লাগে আৰু নতুন মথাউৰি যিহেতু আমাৰ বনাব লাগে — বনোৱাৰ অনুমতি দিব লাগে। এতেকে এই দূৰ্যোগ ব্যৱস্থাপনাৰ পুঁজিৰ যিটো allocation আছে, এই পুঁজিৰ পৰিমানটো এতিয়া যিমান দি আছো ইয়াতকে দুগুন দিলেও যথেষ্ট নহয়। তাক ক্ৰমান্বয়ে phase-wise বা পৰ্য্যায় ক্ৰমে বঢ়াবৰ কাৰণে মই অনুৰোধ জনাম। শেষত আৰু এটা কথা ক'ব বিচাৰো — আমাৰ দূৰ্যোগ ব্যৱস্থাপনা পুঁজিৰ অধীনত যিবিলাক আঁচনি লোৱা যায়, PWD ৰ ক্ষেত্ৰত হওঁক বা জলসম্পদ বিভাগৰ ক্ষেত্ৰতে হওঁক আমি এই আঁচনি সমূহৰ বাবে জিলা পৰ্য্যায়ত এখন DDMA আছে — District Disaster Management Authority যাৰ মুৰব্বী গৰাকী হ'ল জিলা উপায়ুক্ত। এতিয়া তাৰ পৰা আঁচনি সমূহ বাচনি কৰি চৰকাৰলৈ, দিশপুৰলৈ আহে। য'ত State Executive কমিটিয়ে সেইবিলাকত অনুমোদন জনায়। অনুমোদন জনোৱাৰ পাছত বিভাগে তাত প্ৰশাসনিক অনুমোদন জনোৱাৰ পিছত কামবিলাক আৰম্ভ হয়। হস্পিতাল এখনত casualty বিভাগ এটা থাকে। ক'ৰবাত দুৰ্ঘটনা হৈছে বা কাৰোবাৰ Heart attack হৈছে — সেই ৰোগী জনক প্ৰথম লৈ যোৱা হয় casualty বিভাগত। casualty বিভাগে সেই ৰোগী গৰাকীক প্ৰাথমিক চিকিৎসাখিনি কৰি stablise কৰে প্ৰথমতে । তাৰ পিছত তেখেতক refer কৰে — তেখেতৰ স্থায়ী নিৰাময়ৰ কাৰণে কোন বিভাগলৈ পঠিয়াব। Medicine Dept. লৈ পঠিয়াব নে Surgery লৈ পঠিয়াব নে Cardiology লৈ পঠিয়াব নে আন কোন বিভাগলৈ পঠিয়াব সেইটো তাৰ পাছত ঠিক কৰা হয়। এতিয়া বানপানী গড়াখহনীয়াও এনে ধৰণৰ। casualty হয়, ক'ৰবাত হথাৎ rain cut এটা হৈছে, rain cut টো বাঢ়ি বাঢ়ি এটা gap ৰ সৃষ্টি হৈছে, এতিয়া বানপানী আহিলে এইটো চিঙিব পাৰে। এতিয়া এই সৰুকৈ আৰম্ভ হোৱা সেই rain cut টোৰ পৰা হোৱা খহনীয়াটো — যিটো খহনীয়া অহা এমাহৰ ভিতৰত আহিব লগীয়া বানপানীত চিঙি গ'লে কিন্তু প্ৰলয় হ'ব। এইটো মেৰামতি কৰিবৰ কাৰণে এতিয়া আমাক ১০ লাখ টকা লাগে। DDMA য়ে পাচ কৰিছে কিন্তু DDMA আগতীয়াকৈ এটা Order দিব নোৱাৰে। বহুত সময়ত কোৱা যায় আপোনালোকে Risk লৈ কামটো কৰক — পৰৱৰ্তী

পৰ্য্যায়ত আমি প্ৰশাসনিক অনুমোদন পালে Payment কৰিম। কোনোবা কোনোবা ঠিকাদাৰক অনুৰোধ কৰা যায় যে আপোনালোকে কামটো কৰক, কিন্তু কোনেও এনে কাম কৰিবলৈ ইচ্ছুক নহয়। সেই কাৰণে যেনেকৈ আজি জিলা উপায়ুক্ত জনক Authorise কৰা হৈছে যে মানুহ এজন বানপানীৰ দুৰ্যোগত মৃত্যু হোৱাৰ লগে লগে তেখেতৰ পৰিয়ালক ২৪ ঘন্টাৰ ভিতৰত চেক কাটি পইচা দিব পাৰে, ঠিক একেধৰণে এই বানপানী গঢ়াখহনীয়াৰ ক্ষেত্ৰটো যিবিলাক হঠাৎ ল'বলগীয়া জৰুৰীকালীন কাম আছে, সেই কামবিলাক কৰাৰ কাৰণেও DDMA ক Authorise কৰিব লাগে, জিলা উপায়ুক্ত জনক Authorise কৰিব লাগে, যাতে জিলা পৰ্য্যায়তে, তেওঁৰ পৰ্য্যায়তে তাত administrative approval প্ৰদান কৰি Work Order দি কামটো কৰাব পাৰে। এই ব্যৱস্থা কৰিবৰ কাৰণে মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো আৰু এই কথা কেইটা কৈ আমাৰ চৰকাৰখনে পৰিবৰ্তনকামী আহ্বানেৰে যি ব্যাপক পৰিবৰ্তন আনিছে ইয়াৰ পৰিপ্ৰেক্ষিতত অসমৰ বানপানী সমস্যাৰ এটা স্থায়ী সমধানৰ বাবে এই দুৰ্যোগ ব্যৱস্থাপনা পুঁজিৰ সৎ ব্যৱহাৰ কৰিবলৈ পুঁজিৰ আৱন্টন আগন্তুক বছৰত দুগুনলৈ বৃদ্ধি কৰিবৰ কাৰণে আহ্বান জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**সভাপতি (শ্ৰীবীৰভদ্ৰ হাগজেৰ) ঃ** ধন্যবাদ, এতিয়া মই মাননীয় বিধায়ক চৰণ বড়োক কবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চৰণ বড়ো ঃ** সন্মানীয় সভাপতি মহোদয়, যোৱা কালি মঞ্জুৰী নম্বৰ ৪১, ইয়াত যি বিৰোধী দলৰ পৰা প্ৰাকৃতিক দুৰ্যোগৰ নামত যিখিনি বাজেট আৱন্টন আহিছিলে, ইয়াৰ কৰ্তন প্ৰস্তাৱ যি আনিছিল এইতোকে মই বিৰোধীতা কৰি কিছু বক্তব্য ৰাখিবৰ কাৰণে আগবাঢ়িছো। যিখিনি পুঁজি এইটো বছৰৰ কাৰণে যে ১০৮৪ কোটি টকা এই বিভাগত বিচাৰিছে, এইটো কৰ্তন কৰাৰ তেনেকুৱা একো প্ৰশ্ন থাকিব নোৱাৰে। যিহেতু এতিয়া এইটো বঢ়াবহে লাগে। যিহেতু আমি ইয়াত বিধায়ক হোৱাৰ পিছত ইতিমধ্যে আমি দুবাৰ বানপানী পালো। আমি বিধায়ক হৈ অহাৰ পাছত আমি দুবাৰ বানপানী পালো ২০১৬-১৭ আৰু ২০১৭-১৮ চনৰ বানপানী আমি বিধায়ক হৈয়ে দেখিবলৈ পালো। তাৰ কাৰণে আমাৰ বিভাগৰ যিটো পুঁজি মই ভাবো সেইটো বঢ়াব লাগে। ২০১৬-১৭ বৰ্ষত আমি দেখিছিলো যে, এই বিভাগৰ Allocation টো আছিলে ৭১১ কোটি। ঠিক তেনেকে ই বাঢ়ি এতিয়া ২০১৮-১৯ বৰ্ষত ১০৮৪ কোটি। এই টকাটো যথেষ্ট বাঢ়িছে। কিন্তু তাৰ লগতে সমস্যাটোও যদি আমি চাওঁ, তাৰ তুলনাত এই টকাটো যথেষ্ট নহয়। এইটো যিহেতু এটা normal budget, পৰিস্থিতি সৃষ্টি হলে বা emergency situation হলে যিহেতু আকৌ তাৰ কাৰণে পুঁজি বেলেগলৈ দিয়া হয়, যেনেকৈ উদাহৰণস্বৰূপে যোৱা বছৰ যেতিয়া বানপানীৰ সৃষ্টি হৈছিল তেতিয়া আমাৰ ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়া নিজে আহি বান পীড়িত সমস্যাটোৰ বুজ লবলৈ আহিছিল আৰু তাৰ কাৰণে ২০০০ কোটি টকা ঘোষণা কৰা গৈছিল। এই দুটা বছৰত আমি বিধায়ক হৈ যিখিনি দেখিলো , বানপানীৰ ওপৰত চৰকাৰে যি পদক্ষেপ লৈছে , তাৰ কাৰণে মই চৰকাৰক ধন্যবাদ জনাইছো। আমাৰ চৰকাৰৰ প্ৰথম অধিবেশনৰ সময়ত হোৱা বানপানীতো আমি সদন স্থগিত ৰাখি সকলো ঠাইত বানপীড়িত লোকসকলক সহায়ৰ কাৰণে আমি গৈছিলো। বানপীড়িত লোকসকলক Relief Camp ত ৰখাৰ ক্ষেত্ৰত বা তেওঁলোকক সহায়ৰ ক্ষেত্ৰত চৰকাৰৰ যি পদক্ষেপ আমি তাক ধন্যবাদ যাচিব লাগিব। যোৱাবাৰ বানপানীৰ সময়ত আমাৰ ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী গৰাকীয়ে নিজে আহি বানপানীৰ পৰ্য্যালোচনা কৰি ইয়াৰ স্থায়ী সমাধানৰ কাৰণে যি ২০০০ কোটি টকা ঘোষণা কৰি গল সেইটো আমি appreciate

কৰিব লাগিব। ঠাই বিশেষে বানপানীৰ পাৰ্থক্য আছে। আমাৰ অঞ্চলৰ যি বানপানী তাৰ কথাই মই কব বিচাৰিছো যে, আমাৰ অঞ্চলবিলাক ডুবি নাথাকে। কিন্তু আমাৰ গড়াখহনীয়াৰ অসুবিধাটো বহুত বেছি। আমাৰ BTC অঞ্চল বিলাকত যিবোৰ নদী আছে এই নদীবিলাক হিমালয়ৰ foot-hills নদী আৰু এই নদী বিলাকে বহুত গড়াখহনীয়া ক ৰে আৰু এই সমস্যাটো natural বানপানীতকৈয়ো বহু গুণে ভয়ানক। এটা ৰাতিতে কাৰোবাৰ শ শ বিঘা মাটি বা ঘৰ উটুৱাই নিয়া আমি দেখা পাওঁ। তাৰ কাৰণে বহু নদীত আমি মথাউৰিৰ কাম কৰিবও নোৱাৰো আৰু ক'ৰবাত আমি ইয়াৰ measure বা protection ৰ কাম কৰিব বিচাৰিছিলো যদিও success নহলো। প্ৰতি বছৰে আমি চাই থকাৰ বাহিৰে বেলেগ একো কৰিব পৰা নাই। আমি অনুভৱ কৰো এই অঞ্চলবিলাক এটা সময়ত মৰুভুমিলৈ পৰিণত হ'ব। এইবোৰ কাম কৰিবৰ কাৰণে আমাৰ চৰকাৰৰ হাতত পুঁজি যথেষ্ট কম। ইয়াত অকল SDRF বা NABARD শিতানৰ যোগেদি কিছু কাম কৰা আমি দেখা পাওঁ। গড়াখহনীয়াটো যিহেতু SDRF ত Consider কৰা নহয়, তাত ক্ষতিগ্ৰস্ত লোকসকলক চাই থকাৰ বাহিৰে আমি একো কৰি দিব পৰা নাই। এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক মোৰ ফালৰ পৰা কিছু Suggestion দিব বিচাৰিছো। এক নম্বৰতে, erosion টো যাতে আমি Disaster হিচাপে গ্ৰহণ কৰি যেতিয়া আমাৰ SDRF ৰ পুঁজি আহে ইয়াৰ দ্বাৰা যাতে আমি কিছু কাম কৰিব পাৰো। SDRF ৰ Guideline টো কিছু Modification কৰি Erosion টোক যাতে এটা Disaster হিচাপে ধৰা হয়। তাৰ কাৰণে পদক্ষেপ লবৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ। দ্বিতীয়তে, Erosion ৰোধৰ কাৰণে আমি সৰু সৰু কাম কৰিছো যদিও ইয়াক আমি সমাধা কৰিব নোৱাৰো। এই ক্ষেত্ৰত এটা proper বা high level study কৰাৰ প্ৰয়োজন আছে বুলি মই ভাৱো। মই মন্ত্ৰী ডাঙৰীয়াক এই ক্ষেত্ৰত পদক্ষেপ লবলৈ অনুৰোধ জনাইছো।

তৃতীয়তে, আমাৰ যিসকল ক্ষতিগ্ৰস্ত লোক আছে , তেখেত সকলক যিধৰণে Compensation দিয়া হয়, দুই ধৰণে দিয়া হয়-- Partially damageআৰু Fully damage. যিসকল লোকৰ ঘৰ -বাৰী সকলো উটি গৈছে তেওঁলোকক Fully damage ত ধৰা হয় আৰু তেওঁলোকক ৯৫,০০০ টকা ক্ষতিপূৰণ হিচাপে দিয়া হয়। Partial damage মানে কাৰোবাৰ অকল ঘৰ বা কাৰোবাৰ অকল মাটি ধ্বংশ হয়। তাৰ বিপৰীতে যিটো ক্ষতিপূৰণ দিয়া হয় , সেইটো বহুত কম। মই এই Fully damage আৰু যিটো Compensation rate টো বঢ়াই দিবৰ কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

বানপানী হোৱাৰ লগে-লগে অকল খেতি-বাতিয়ে নহয়, কেতিয়াবা ৰাস্তা- ঘাট , কেতিয়াবা ঘৰ- বাৰী বা কেতিয়াবা সৰু সৰু irrigation project বোৰো ধ্বংশ হৈ যায়। আগৰ সময়বিলাকত গড়াখহনীয়া বা Bridge Closing বা Irrigation Project বিলাক Repairing কৰিবৰ কাৰণে আমি পইচা দিয়া দেখা পাইছিলো কিন্তু এতিয়া SDRF ৰ যি Guideline ইয়াত আমি দেখিছো যে এটা PWD ৰাস্তা পুনৰ নিৰ্মাণ কৰিবৰ কাৰণে rate দিয়া হয় প্ৰতি কি: মি মাত্ৰ ৬০,০০০ টকা । এইটো অসম্ভৱ এটা Irrigation Project Repairing কৰাৰ কাৰণে SDRF Guideline মতে ১.৫ লাখ টকা দিয়া হয়। ১.৫ লাখ টকাৰে এটা Irrigation Project Repairing কৰাটো সম্ভৱ নহয়। যাৰ ফলত PWD আৰু Irrigation Deptt. য়ে SDRF ৰ পৰা টকা লৈ নোযোৱাটো আমাৰ পৰিলক্ষিত হৈছে। আমি যদি SDRF ত সঠিক পুঁজি দিব পাৰো, তেতিয়াহলে আমি বহুখিনি সমস্যা সমাধান

কৰিব পাৰিম। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ক পদক্ষেপ লবৰ কাৰণে অনুৰোধ জনাইছো।

অলপ আগতে আমাৰ ৰণোজ পেগু ডাঙৰীয়াই যেনেকৈ কৈছিল যে DC level ত আমাৰ যেতিয়া emergency situation হয়, এইবিলাকৰ লগত মোকাবিলা কৰিবলৈ DC ৰ হাতত পইচা নাথাকে। emergency situation ৰ কাৰণে যদি DC level ত কিছু পইচা দিয়াৰ সুবিধা কৰি যিয়ে, তেতিয়া আমাৰ সৰু সৰু সমস্যাবোৰ সমাধান কৰিবলৈ যথেষ্ট সুবিধা হয়।

আমাৰ নতুন চৰকাৰৰ পৰা এটা সিদ্ধান্ত লোৱা হৈছিল যে বানপানীৰ আগতেই Water resource ৰ canal নিৰ্মাণ, মথাউৰি নিৰ্মাণ বা যিমান খিনি restoration কাম আছে সেইবোৰ কৰা হ'ব। কিন্তু, এতিয়া আমি দেখিবলৈ পাইছো যে SDRF scheme ধৰাৰ ক্ষেত্ৰত যথেষ্ট পলম হৈছে। এইবাৰ SDRF ৰ meeting প্ৰায় ফেব্ৰুৱাৰী মাহলৈ হৈছিল আৰু ফেব্ৰুৱাৰী মাহলৈকে selection কৰা আঁচনিবোৰে এতিয়াও administrative approval পোৱা নাই। গতিকে ইয়াৰ administrative approval যদি এতিয়ালৈকে হোৱা নাই, তেন্তে ইয়াৰ tender কেতিয়া হ'ব? কাম কেতিয়া আৰম্ভ কৰিব? অসমত অক্টোবৰ-নৱেম্বৰ মাহলৈকে বানপানী হয়। গতিকে অক্টোবৰ-নৱেম্বৰ মাহৰ ভিতৰতে ক্ষতিগ্ৰস্ত হোৱা ঠাইবোৰৰ survey কৰি SDRF ৰ meeting পাতি যি আঁচনিৰ দৰকাৰ, সেইবোৰ হাতত লৈ চলিত বিত্তীয় বৰ্ষত rainy season ৰ আগতেই execution কৰিলে যথেষ্ট ভাল হয়। এই কথাখিনি চৰকাৰে নিশ্চয় জানে আৰু প্ৰথম বৰ্ষত এই কামখিনি কৰিবৰ বাবে যথেষ্ট চেষ্টাও চলাইছিল, কিন্তু এই বছৰত SDRF ৰ scheme selection ৰ meeting বহুত পলমকৈ হোৱা পৰিলক্ষিত হৈ আছে। এই ক্ষেত্ৰত পদক্ষেপ ল'বলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো।

আনহাতে, আমাৰ যেতিয়া বানপানী হয়, তেতিয়া concerned Department বোৰ situation ৰ লগত involve থাকিব লগীয়া হয়। সেই situation ৰ লগত জড়িত বহুতো proposal তেওঁলোকে পঠাই দিয়ে কিন্তু selection ৰ সময়ত তেওঁলোকৰ কোনো বিশেষ ভূমিকা দেখিবলৈ পোৱা নাযায়। SDRF বিভাগ আছে যদিও তেওঁলোকে বান পীড়িত অঞ্চললৈ নাযায়। সেয়েহে আঁচনি দিয়াৰ ক্ষেত্ৰত বিভাগৰ তৰফৰ পৰা যিবোৰ proposal দিয়ে, সেই proposal বোৰ priority basis ত ল'লে বেছি ভাল হ'ব বুলি মই ভাৱো। মন্ত্ৰী মহোদয়ৰ প্ৰতি এইটো মোৰ আন এটা অনুৰোধ।

মই আৰু এটা কথা ক'ব বিচাৰিছো যে আমাৰ কিছুমান বিভাগ, যেনে, Agriculture, Veterinary, Fisheries আদি বিভাগে বানপানীৰ পিছত assessment কৰোতে পলম কৰে যাৰ ফলত প্ৰকৃততে বানপানীত ক্ষতিগ্ৰস্ত খেতিয়ক সকলক ক্ষতি পূৰণ দিয়াত পলম হৈ যায় বা কিছুমান ব্যক্তি ইয়াৰ পৰা বঞ্চিত হ'ব লগীয়া হয়। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে উক্ত বিভাগবোৰক time frame গঢ়ি assessment দিয়াৰ বাবে যাতে নিৰ্দেশনা দিয়ে তাৰ বাবে পদক্ষেপ ল'বলৈ মই অনুৰোধ কৰিছো।

**মাননীয় সভাপতিঃ** মাননীয় বিধায়ক, আপোনাৰ ইতিমধ্যে ১৫ মিনিট হৈছে, kindly চমু কৰিব।

**শ্ৰী চৰণ বড়ো, মাননীয় সদস্য (মাজবাট) ঃ** হয় মহোদয়। সদৌ শেষত, এই দুই বছৰত আমাৰ অঞ্চলত যি বানপানী, erosion ৰ সমস্যা হৈ আছে, সেই ক্ষেত্ৰত guideline ত নপৰা স্বত্বেও মন্ত্ৰী মহোদয়ে আমাক specially consider কৰি সমষ্টিত বহুতো আঁচনি

দিয়াৰ বাবে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। যোৱা বছৰ SDRF ৰ তৰফৰ পৰা মই প্ৰায় ৬ টা মান আঁচনি পাবলৈ সক্ষম হৈছিলো আৰু এই বছৰতো মই ৬ টা মান আঁচনি পাইছো। এই আঁচনিবোৰৰ জৰিয়তে মই মোৰ সমষ্টিৰ যি সমস্যা সেইবোৰ কিছু পৰিমাণে হ'লেও সমাধান কৰিবলৈ সক্ষম হৈছো। এইখিনি সহায় কৰাৰ বাবে মই মন্ত্ৰী মহোদয়ক আকৌ এবাৰ ধন্যবাদ জ্ঞাপন কৰিছো আৰু কৰ্তন প্ৰস্তাৱক বিৰোধিতা কৰি মই মোৰ বক্তব্য ইমানতে সামৰিছো। ধন্যবাদ।

**মাননীয় সভাপতিঃ** ধন্যবাদ। এতিয়া মই মাননীয় বিধায়ক শ্ৰী গণেশ কুমাৰ লিম্বু ডাঙৰীয়াক তেওঁৰ বক্তব্য ৰাখিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী গণেশ কুমাৰ লিম্বু, মাননীয় সদস্য (বৰচলা)ঃ** মাননীয় সভাপতি মহোদয়, বিৰোধীয়ে অনা কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই চমুকৈ দু-আষাৰ ক'বলৈ ওলাইছো আৰু এই ক্ষেত্ৰত মোক ক'বলৈ সুযোগ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। আচলতে, প্ৰাকৃতিক দুৰ্যোগৰ বিষয়ে যদি আমি আলোচনা কৰিবলৈ যাওঁ তেতিয়া ইয়াৰ লগত জড়িত আন কেইবাটাও বিষয় আহি পৰিব। কিন্তু, দীৰ্ঘ দিনৰ পৰা অসমৰ প্ৰাকৃতিক দুৰ্যোগ তথা জ্বলন্ত সমস্যা হিচাপে চিহ্নিত হোৱা একমাত্ৰ সমস্যাটোৱেই হৈছে বানপানী আৰু গৰাখহনীয়া। এই সমস্যাটো সমাধানৰ বাবে বিভিন্ন সময়ত বিভিন্ন ৰাজনৈতিক দলে আন্দোলনো কৰি আহিছে আৰু অসমৰ উন্নয়নৰ ক্ষেত্ৰত অসমৰ অৰ্থনীতিত এই জ্বলন্ত সমস্যাটোৱে বিৰূপ প্ৰভাৱ পেলাই আহিছে। নতুন বিধায়ক হিচাপে মই ভাৱো যে, অসমৰ উন্নয়নৰ ক্ষেত্ৰত, অসমৰ অৰ্থনীতিত হেঙাৰ স্বৰূপে চিহ্নিত হোৱা এই জ্বলন্ত সমস্যাবোৰ সমাধানৰ বাবে বিগত সময়ত কোনো ৰাজনৈতিক দল বা অসমৰ মুখ্যমন্ত্ৰী বা ভাৰত চৰকাৰে বিশেষ ভাৱে পদক্ষেপ নোলোৱাটো অসমৰ বাবে সঁচাকৈয়ে দুৰ্ভাগ্য জনক কথা। শেহতীয়াকৈ, মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নেতৃত্বত ভাৰত চৰকাৰ আৰু মুখ্যমন্ত্ৰী সৰ্বানন্দ ডাঙৰীয়াৰ নেতৃত্বত অসম চৰকাৰে এই সমস্যা সমাধানৰ ক্ষেত্ৰত যি ধৰণে আন্তৰিকতা দেখুৱাইছে, যিমান গুৰুত্ব সহকাৰে নদীৰ সমস্যা, বানপানীৰ সমস্যা আৰু এই গৰাখহনীয়াৰ সমস্যা সমাধানৰ বাবে যিপদক্ষেপ লৈছে তাৰ বাবে আমি সঁচাকৈয়ে শলাগিছো আৰু মই আশাবাদী যে অনাগত দিনত এই জ্বলন্ত সমস্যাৰ পৰা পৰ্যায় ক্ৰমে আমি কিছু পৰিমাণে হ'লেও পৰিত্ৰাণ পাম। সভাপতি মহোদয়, মই যদি মোৰ সমষ্টিৰ কথা ক'বলৈ যাওঁ তেন্তে ব্ৰহ্মপুত্ৰ নদী মোৰ সমষ্টিৰ সীমা। এফালে Highway আৰু আনফালে সীমা হিচাপে ব্ৰহ্মপুত্ৰ নদী। লগতে তাত বহুতো উপনৈ আছে, যেনে পাঁচনৈ, বেলশিৰি, গাভৰু আদি। এই উপনৈ বোৰতো বিভিন্ন ধৰণৰ গৰাখহনীয়া সমস্যা আছে। ব্ৰহ্মপুত্ৰৰ দাঁতি-কাষৰীয়া অঞ্চল হিচাপে মোৰ সমষ্টিত বানপানীৰ সমস্যা মই দেখি আহিছো আৰু এই সমস্যাই মোক উপায়বিহীন কৰি তুলিছে। Highway ৰ পৰাই মই নাঁৱত উঠি মোৰ সমষ্টিৰ পৰিভ্ৰমণ কৰো। এনে ধৰণৰ এটা সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। সেয়েহে আমি যদি স্ব-চক্ষুৰে বিষয়টো প্ৰত্যক্ষ নকৰো তেন্তে সমস্যাটো কিমান গভীৰ সেইটো দূৰৰ পৰা চাই অনুভৱ কৰিব নোৱাৰিম। আমাৰ চৰকাৰৰ প্ৰতি মোৰ এটাই অনুৰোধ যে আমাৰ source ৰে আমি যিমান পাৰো বা আমাৰ বিজ্ঞানী সকল বা Research কৰা যিমানবোৰ সংস্থা আছে, সকলোৱে যাতে বিজ্ঞানসন্মত ভাৱে অসমৰ এই জ্বলন্ত সমস্যাবোৰ ৰোধ তথা সমাধান কৰিব পাৰি এই ক্ষেত্ৰত অসম চৰকাৰে যাতে গুৰুত্ব দিয়ে। সভাপতি মহোদয়, মোৰ সমষ্টিত ITBP আছে, তেজপুৰ মেডিকেল কলেজ আছে। মই গাঁওবোৰৰ কথাতো নকলোৱেই, চৰ-চাপৰি মই গাওঁ বিলাকৰ কথাটো নকলোৱেই, চৰ চাপৰিৰ কথাটোও নকলো। এই অনুষ্ঠানলৈকে ব্ৰহ্মপুত্ৰৰ পানী আহে সেয়েহে মই বিভাগীয় মন্ত্ৰীক অনুৰোধ জনাওঁ যাতে বিষয়টোৰ ওপৰত

গুৰুত্ব উপলব্ধ কৰি কিবা এটা যাতে কৰে মই এই বিষয়ত সদনৰ মজিয়াত ক'ব বিচাৰিছো আৰু দেখিছো যে মোৰ সমষ্টিত Water Resource ৰ ফালৰ পৰা যি কাম হৈছিল, মই নিজে গৈও পৰ্য্যালোচনা কৰিছো। মই নিজেও চাইছো যাতে ভালকৈ হয় তাৰ ওপৰত গুৰুত্ব দিছো। আগৰ চৰকাৰৰ দিনতেই হৈছিল, এই বিষয়টো আধৰুৱা হৈ আছে। কি কাৰণত আধৰুৱা হৈ আছে এই বিষয়টো যাতে মন্ত্ৰী মহোদয়ে অলপ গুৰুত্ব দিয়ে আৰু আমাৰ বিধান সভাৰ মজিয়াত মই দেখিছো যে চৰ অঞ্চলক লৈ বিভিন্ন ধৰণৰ আলোচনা হয়। মই আপোনালোকক জনাব বিচাৰিছো মোৰ সমষ্টিত দুটা ব্লকতে চৰ অঞ্চল আছে। মই বিশেষকৈ মোৰ সমষ্টিৰ চৰ অঞ্চলৰ বিষয়ে ক'ব বিচাৰিছো যে আঁচলতে চৰৰ বিষয়ে স্পষ্ট ধাৰণা সকলো বিধায়কৰে আছে। নাথাকিবও পাৰে যিহেতু কাৰোবাৰ সমষ্টিত চৰ নাথাকিবও পাৰে। এতিয়া মোৰ সমষ্টিত যি চৰ আছে তাত মানুহ বসবাস কৰিব পৰা ২৫ শতাংশ তকৈ কম ঠাই আছে। ৭৫ শতাংশ ত মানুহ থাকিব নোৱাৰে। স্থায়ী নহয়। ইয়াত বানপানী আহিবই। এনেকুৱা অঞ্চলত যদি আমি মানুহ বিলাকক থকাৰ বাবে ব্যৱস্থা কৰি দিওঁ, স্কুল, হস্পিটেল যদি পাতি দিওঁ কোনো কাৰণতে বিজ্ঞানসন্মত হ'ব নোৱাৰে আৰু তাত বসবাস কৰা মানুহৰ বাবেও উপযোগী হ'ব নোৱাৰে। চৰ অঞ্চলত যিমান মানুহ আছে তাৰ ২৫ শতাংশ মানুহৰ ভোটাধিকাৰ তাত নাথাকে আৰু ১৫ শতাংশ মানুহ চৰ অঞ্চলত নাথাকে। ভোটাধিকাৰ আছে চৰত কিন্তু তাত মানুহ নাথাকে। বামত থাকে এই কথাটো মই আপোনালোকক জনাব বিচাৰিছো। কিন্তু সেই ৭৫ শতাংশ যি পানীত ডুব যায়, সেই অঞ্চলত যেতিয়া বানপানী হয় আমি সকলো মানুহক ৰিলিফ দিবলৈ বাধ্য হওঁ। অথচ ৫০ শতাংশ মানুহ তাত নাথাকে। এই কথাটো বিভাগীয় বিষয়া সকলে জানি লোৱাটো উচিত আৰু মই এই কথাত একমত নহয় যে গড়াখহনীয়াৰ বাবে যিসকলৰ মাটি, ঘৰবাৰী ব্ৰহ্মপুত্ৰত জাহ গ'ল সেই সকল মানুহে চৰ অঞ্চলত গৈ জীৱন নিৰ্বাহৰ কাৰণে থাকিব লগীয়া হৈছে, সেই কথাত মই একমত নহয়। কিয়নো মই উদাহৰণ দিব পাৰো যে মোৰ সমষ্টিত এনেকুৱা বহুত ডাঙৰ ডাঙৰ গাওঁ আছে যিবোৰ আজি ব্ৰহ্মপুত্ৰৰ বুকুত নিশ্চিহ্ন হৈ গ'ল। কিন্তু সেই অঞ্চলৰ মানুহ এজনো গৈ চৰত বসবাস কৰাৰ উদাহৰণ নাই। মই ক'ব খুজিছো যে সভাপতি মহোদয়, আঁচলতে এটা ৰিজন হ'ব পাৰে। কিন্তু সকলোবোৰেই যে বানপানী, গড়াখহনীয়াৰ বাবে চৰত আছে, এই বিষয়টো কিন্তু শুদ্ধ নহয়। আমি এই বিষয়ত এনেকৈয়ো ক'ব পাৰো যে আমাৰ সমাজত বৰ্তমান আমি অনুভৱ নকৰাকৈয়ে যিধৰণৰ অস্বাভাৱিক জনসংখ্যা বৃদ্ধি পাইছে আৰু অস্বাভাৱিক জনসংখ্যা বৃদ্ধিৰ যিটো বোজা এটা side effect যিবোৰ ঠাইত আঁচলতে মানুহ থাকিব নালাগে।

**Hon'ble Chairman :** Hon'ble MLA, please do not forget the aspect of disaster management আপুনি আপোনাৰ বক্তব্যটো তেনেকে ৰাখিব।

**শ্ৰী গনেশ লিম্বু ঃ** গতিকে চৰত থকাৰ কাৰণে মই ভাৱো যে যেতিয়াই বানপানী আহে তেতিয়া আমাৰ ক্ষয় ক্ষতিৰ ছবিটো অলপ বেছিকৈ হয়। মই এই বিষয়টো ইয়াত ক'ব বিচাৰিছো। সভাপতি মহোদয়, আমি যিদিনালৈকে বানপানী আৰু গড়াখহনীয়াৰ স্থায়ী সমাধানৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যদি বিশেষ পদক্ষেপ ল'ব নোৱাৰো তেতিয়ালৈকে আমাৰ চৰকাৰৰ যিটো লক্ষ্য, উদ্দেশ্য সেইটো সঁচা অৰ্থত নহ'ব। আজিও চৰকাৰে initialy যি ব্যৱস্থা হৈছে ব্ৰহ্মপুত্ৰৰ গতি অনুসন্ধান কৰা ইয়াত research কৰা আৰু ভৱিষ্যতত ইয়াৰ ওপৰত হোৱা যি পাৰ্শ্বক্ৰিয়া ইয়াৰ নিয়ন্ত্ৰণৰ বাবে যি ব্যৱস্থা লৈছে তাৰ কাৰণে মই চৰকাৰক ধন্যবাদ জনাই মোৰ বিশেষ ক'বলগীয়া ইমানতে সমাপ্ত কৰিছো। ধন্যবাদ।

**শ্ৰীমতী নন্দিতা দাস ঃ** মাননীয় সভাপতি মহোদয়, মোৰ point of order এটা আছিলে।

**Hon'ble Chairman :**If it relates to last speakes than it is admissible.

**শ্ৰীমতী নন্দিতা দাস ঃ** মাননীয় সভাপতি মহোদয়, সেইটো ৰিলেটেড হয়। তেখেতে এটা তথ্য দিছে তেওঁৰ সমষ্টিক কেন্দ্ৰ কৰিয়েই তেওঁ কথাখিনি কৈছে যে তেখেতৰ সমষ্টিৰ চৰ অঞ্চল আছে হয়তো বিভিন্ন সদস্যৰ থাকিব পাৰে। তেখেতে যিটো ক'লে যে ৫০ শতাংশ মানুহ চৰত থাকে আৰু ৫০ শতাংশ হয়তো থকাৰ বাবে permanant জাগা আছে। তেওঁলোকে হয়তো তাত খেতি বাতি কৰি থাকে। বানপানীৰ ৰিলিফ দিয়াৰ সময়ত যেতিয়া ৰিলিফৰ কথা আহে আমি ৰিলিফ সকলো মানুহক দিব লগীয়া হয় যিহেতু তেওঁলোক তাতে থাকে। তেওঁ এটা তথ্য দাঙি ধৰিছে। এতিয়া সভাপতি ডাঙৰীয়া, মোৰ ক'বলগীয়া এইটোৱেই যে চৰ অঞ্চল মোৰ সমষ্টিতো আছে। কেবাজনো মাননীয় সদস্যৰ সমষ্টিৰ অঞ্চলত আছে। আমাৰ অঞ্চল বিলাকতো মানুহ আছে কিন্তু তেখেতে কোৱাৰ দৰে ৫০ শতাংশ নহয়। চৰ অঞ্চল বিলাকত ২ শতাংশ মানুহ আছে। যিসকল মানুহ তাত permanantly নাথাকে তাত তেওঁলোকে কাম কৰি থাকে। কিন্তু ৰিলিফ দিয়াৰ সময়ত আমি যদি অকল এই ২ শতাংশ মানুহক ৰিলিফ দিওঁ যিহেতু তেওঁলোক flood affected হয়.....

**মাননীয় সভাপতি ঃ** মাননীয় বিধায়িকা ডাঙৰীয়ানী এইটো কথা নহয়। তেখেতে তেখেতৰ সমষ্টিৰ চৰ অঞ্চলৰ কথা কৈছে। গতিকে সেইটো আৰু সময় লোৱা কথা নহয়।

**শ্ৰীমতী নন্দিতা দাস ঃ** তেখেতে এটা general view দিছে ছাৰ। চৰৰ ক্ষেত্ৰত যদি এই view টো থাকি যায়, মই ভাৱো এইটো ভুল হ'ব। actually আমাৰ চৰ অঞ্চলত ২ শতাংশহে বাহিৰা মানুহ থাকে। যাৰ হয়তো permanant জাগা আছে।

**Hon'ble Chairman :** The point is taken. ইয়াত ডিবেট নহয়। তেখেতে তেখেতৰ সমষ্টিৰ কথা কৈছে এইটো generalise নহয়।

**শ্ৰী মতী নন্দিতা দাস ঃ** যিহেতু specific কৰি কথাটো কৈছে। যিহেতু disaster ৰ ওপৰত কথাটো হৈ আছে, বিভাগে এটা specific view ল'ব নালাগে।

**শ্ৰী গনেশ লিম্বু ঃ** মাননীয় সভাপতি মহোদয়, মই বক্তব্য ৰাখোতে কৈছো যে specially মোৰ সমষ্টিত। আপোনালোক মন কৰিছে নে নাই মই নাজানো আৰু মই যি কথা কৈছো with proof মই দিব পাৰো যে মই যি কথা কৈছো সঁচা কথা কৈছো।

## (Hon'ble Speaker on the Chair)

**মাননীয় অধ্যক্ষ ঃ** এইটো cut motion ৰ ওপৰত discussion হৈছে। মন্ত্ৰীয়ে যেতিয়া উত্তৰ দিব you can take clearification also. মই এতিয়া শেষলৈ যাব বিচাৰিছো আৰু দুজন আছে। AIUDF ৰ পৰা মই মাতিছিলো, তেওঁলোক নাই বুলি কৈছে। তেওঁলোকে আব্দুল ৰহিম আজমলৰ নাম দিছিলে কিন্তু তেখেত নাই। গতিকে কোনোবা এজন সদস্যই কৈছে যে কংগ্ৰেছে কালি বহুত সময় ললে আজি আকৌ কিয় দিলে? আঁচল কথাটো হ'ল cut motion ত আমি time limit কৰিব নোৱাৰো as per rule. কিন্তু আমি কেইবাটাও subject লোৱা বাবে মই অলপ সময়তো limit কৰিব খুজিছো। মই যোৱা কালিৰ কথাটো নাজানো। সেয়ে মই যদি আজমল ডাঙৰীয়া আছে তেখেতৰ নামো কৈছিলো। তেওঁ নাই গতিকে সেইটো প্ৰশ্ন নাহে। এতিয়া শেষত দুজন আছে।

শ্ৰী প্ৰদীপ হাজৰিকা আৰু তাৰ পিছত শ্ৰী যোগেন মোহন। এতিয়া শ্ৰী প্ৰদীপ হাজৰিকা।

**শ্ৰী প্ৰদীপ হাজৰিকা, আমগুৰি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মঞ্জুৰী নং ৪১ যিটো কাট-মোচন আনিছে, মই তাৰ বিৰোধ কৰি মোৰ দুটামান অবজাৰভেশ্যন দাঙি ধৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, আমি Natural Calamities বুলিলে আমি যি ধৰণে বুজি পাওঁ যে, প্ৰাকৃতিক দুৰ্য্যোগবিভিন্ন দেশত বেলেগ বেলেগ ধৰণৰ আছে। এতিয়া চুনামীটো এটা প্ৰাকৃতিক দুৰ্য্যোগত আহে। বিভিন্ন দেশত বনজুই হৈছে, বনজুইটো এটা প্ৰাকৃতিক দুৰ্য্যোগ আৰু ভূমিকম্প ও এটা প্ৰাকৃতিক দুৰ্য্যোগ, Volcano Eruption হৈ কোনোবা দেশৰ জনসাধাৰণৰ অপকাৰ হৈছে, সেইটো এটা প্ৰকৃতিক দুৰ্য্যোগ। কিন্তু স্বাভাবিকতে আমাৰ যদি অসমৰ প্ৰাকৃতিক দুৰ্য্যোগ এই দিশটো যদি অসমৰ ক্ষেত্ৰত চাওঁ, তেতিয়াহ'লে আমাৰ ইয়াৰ মুল যিখন নৈ ব্ৰহ্মপুত্ৰ। এই ব্ৰহ্মপুত্ৰই যি ক্ষতি সাধন কৰে, বানপানী যিটো হয় এইটোৱেই বিশেষভাৱে আমাৰ সকলোৰে মনত থকাকে এইটো প্ৰাকৃতিক দুৰ্য্যোগ বুলি ক'লে এই কথাটোৱেই বিশেষ ধৰণে আমি লবলগীয়া হয়। সেইকাৰণে অসমত প্ৰত্যেক বছৰে ঘটি থকা বানপানীৰ পৰা যিটো দুৰ্যোগ হয়, সেই দুৰ্য্যোগটোৰ প্ৰতি লক্ষ্য ৰাখি মই মোৰ অবজাৰভেশ্যনটো দাঙি ধৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰখন মানস সৰোৱৰৰ পৰা ওলাইছে। আৰু হিমালয় পৰ্বতত বহু হাজাৰ কিলোমিটাৰ তাৰ পৰা ওলাই আহি ব্ৰহ্মপুত্ৰ উপত্যকাইদি বৈ গৈ বাংলাদেশৰ মাজেদি বঙ্গোপ সাগৰত এই নৈখন পৰিছেগৈ। এই নৈ খনৰ লগত ব্ৰহ্মপুত্ৰৰ এই নৈ খনৰ নিচিনাকৈ হিমালয় পৰ্বতৰ পৰা ওলোৱা আমাৰ আশে-পাশে বহুত নৈ আছে। এতিয়া ওচৰৰ ম্যানমাৰৰ যিখন নৈ ইৰাৱতী আছে, এই ইৰাৱতী নৈ খনো আচলতে হিমালয় পৰ্বতৰ পৰাই ওলাইছে বুলি কব লাগিব। মেকনখন যিখন আছে, মেকনখনো হিমালয় পৰ্বতৰ পৰাই ইয়াৰ উৎপত্তি হৈছে বুলি আমি কব লাগিব। ভাৰতবৰ্ষৰ প্ৰত্যেকখন নৈয়ে এই হিমালয় পৰ্বতৰ পৰাই ওলাইছে, উত্তৰ দিশৰ পৰাই ওলাইছে আৰু দক্ষিণ দিশত গৈ সাগৰত সোমাইছে। এতিয়া অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰৰ যিটো ভেলী, ব্ৰহ্মপুত্ৰৰ ভেলীটো উত্তৰ দিশটো একেবাৰে হিমালয়ৰ লগতে লাগি আছে। আৰু দক্ষিণ দিশটোৰ সৰু সৰু পাহাৰ বিলাক আছে যেনেকৈ নগা পাহাৰ, মিজো পাহাৰ, মেঘালয় এই পাহাৰবিলাক আছে, আৰু এইবিলাক পাৰ হলেই সাগৰ পায়গৈ। এতিয়া উত্তৰ ফালে ওখ হয়, আৰু দক্ষিণ ফালে চাপৰ । এতিয়া উত্তৰ ফালৰ নৈ আছে, এই নৈ বিলাক Cello river আৰু দক্ষিণ ফালৰ যিবিলাক river আছে, উপনৈ যিবিলাক আছে, ব্ৰহ্মপুত্ৰত দ নৈ বিলাক। যেতিয়া বানপানী হয়, বা ব্ৰহ্মপুত্ৰ খনৰ erison যিটো আছে, ব্ৰহ্মপুত্ৰই যিটো অপকাৰ কৰি আছে, ব্ৰহ্মপুত্ৰখন লাহে লাহে দক্ষিণ দিশলৈ বেচিকৈ আহি আছে। প্ৰত্যেক বছৰে দক্ষিণ ফালটোলৈ আহি আছে। এতিয়া এই নৈ খনৰ যিটো বানপানী হৈ যেতিয়া বাৰিষা হয়, ইয়াৰ পানীটো যদি অধ্যক্ষ মহোদয়, বাৰিষা এই নৈখনৰ পানী যদি নাওঁত গৈ থাকোতে গিলাচ এটা লোৱা হয়, তেতিয়াহ'লে দেখিব যে পানী এক গিলাচত এক ইঞ্চিমান তাত গেদ পৰিছে। siltration টো কিমান হৈ আছে। ইয়াত কিমান বোকাপানী আহিছে, কিমান বেয়া পানী আহি আছে। এই নৈখন এতিয়া নীলাৰ নিচিনা হৈ আছে, কিন্তু তেতিয়া এইটো প্ৰায় ব্ৰাউন ৰংৰ হৈ যায়। এতিয়া সেই কাৰণে বৃটিছ বিলাকৰ সময়ত তেওঁংলোকে কৈছিলে, A place of red river and blue mountain. Blue mountain and red river. এতিয়া এই যিটো সমস্যা আমাৰ বিভিন্ন জনে এই নৈখনৰ যিটো ধ্বংসলীলা বাৰিষা আনে, সেই কথাটো কৈছে। অধ্যক্ষ মহোদয়, প্ৰত্যেক বছৰে হাজাৰ কোটি টকা ইয়াত খৰচ কৰা হয়। এতিয়ালৈকে যেতিয়াৰ পৰা এই সমস্যাটো হৈছে, আমি চাইছো যে, আমি সৰু চামতে ইয়াৰ সমস্যাটো ইমান বৃহৎ নাছিলে, বৃহৎ আকাৰৰ এই সমস্যাটো হোৱা নাছিল। আজিৰ যিটো সমস্যা হৈছে। এতিয়া সেইটোৰ

সময়ত সেই সমস্যাটোত যিমান খৰচ হৈছিল, তাৰ আজি হয়তো পঞ্চাশ গুণ বেছি খৰচ এতিয়া কৰিবলগীয়া হৈছে। এতিয়া আমি যদি বানপানীৰ এই সমস্যাটো সৃষ্টি হোৱাৰ দিনৰ পৰা যদি আমি এতিয়ালৈকে আমাৰ প্ৰত্যেক বছৰে কৰা খৰচটো ওলোৱা হয়, তেতিয়াহ'লে হয়তো ব্ৰহ্মপুত্ৰত দুয়োটা পাৰে পকাকৈ নিৰ্মাণ কৰি উলিয়াব পৰা হ'লহেঁতেন বুলি আমাৰ এটা ধাৰণা হয়। পকাকে এইটো নিৰ্মাণ কৰি উলিয়াব পাৰিলেহেঁতেন।অধ্যক্ষ মহোদয়, যেতিয়া ব্ৰহ্মপুত্ৰই কোনোবা এটা ঠাইত পাৰ ভাঙে, সেই পাৰ ভাঙিলে সেইটো এটা চাব নোৱাৰা এটা অৱস্থা হৈ যায়, আৰু এখন নতুন নৈ এখন তাত সৃষ্টি কৰি দিয়ে। মই দেখিছো এবাৰ আমাৰ দিখৌমুখ অঞ্চলত ব্ৰহ্মপুত্ৰত এনেকুৱা এটা বিট্‌চ হৈছিল। আৰু মাথাউৰি ভাঙি বৰমাথাউৰিলৈকে গোটেই নৈখন সোমাই আহিছিল। আৰু শুকাই যোৱাৰ পিছত দেখিছো যে, ইমান দ এখন নৈ তাত জন্ম দিলে এইখন নৈয়ে। এইটো মানে এটা স্থায়ী সমস্যা হৈ গ'ল। নতুন সমস্যা। নৈখনটো আছিলেই। এইখন এখন নতুন নৈ সৃষ্টি কৰি এটা স্থায়ী সমস্যাৰ সৃষ্টি কৰিলে। এতিয়া সেইটো যদি বন্ধ কৰিবলৈ হয়, এটা বৃহৎ প্ৰজেক্ট লব লাগিব। প্ৰজেক্টটো আমি বনাইছিলো। এইটো প্ৰায় এ শ কোটি টকাৰ প্ৰকল্প লব লাগিব। তাত এশ কোটি টকা খৰচ কৰিলেহে সেইটো ৰোধ কৰিব পাৰিব। এতিয়া এনেধৰণে প্ৰত্যেক বছৰে নতুন নতুনকৈ ব্ৰহ্মপুত্ৰই সৃষ্টি কৰি আহিছে। এই সমস্যাত এই প্ৰাকৃতিক দুৰ্য্যোগৰ সময়ত আমি যদি চাও যে, পানীটো আহিলে মাথাউৰি ভাঙিলে আমি ৰিলিভ দিলো, তাৰ পাছতেই চব যেন শেষ হৈ গ'ল ,তেনেকুৱা এটা ধাৰণা হয় যে, পানী শুকালে এতিয়া চব ভাল হৈ গ'ল। অধ্যক্ষ মহোদয়, ইয়াত কথাটো তেনেকুৱা নহয়। ইয়াত প্ৰত্যেকটো জনজীৱনৰ আমাৰ জনসাধাৰণৰ প্ৰতিটো ব্যৱস্থাই বানপানীৰ সময়ত অপকাৰ হৈ যায়। যিধৰণে পশুধন নষ্ট হয়, যি ধৰণে খেতি পথাৰ নষ্ট হয়, মানুহৰ স্বাস্থ্য পাতি বেয়া হয়, ৰাষ্টা-ঘাট ভাঙে, ইলেকট্ৰিকেল ইন্‌চষ্টলেশ্যন বিলাক ভাঙি যায়, ঘৰ-দুৱাৰ উটাই নিয়ে। এখন গাওঁ, এটা অঞ্চল জনসাধাৰণ তাত থাকিব পৰা এটা অৱস্থা নাথাকে। আৰু বানপানী শুকাই যোৱাৰ পিছত যিটো কিছুমান ঠাইত Epedmic form হৈ যায়। ইমান বেমাৰ আজাৰ হয়। কিয় পানীটো বেয়া হৈ যায়, পানী মানুহে খাব নোৱাৰা অৱস্থা হয়, তাৰ পৰা বেমাৰ-আজাৰ হয়। এতিয়া সেই কাৰণে অধ্যক্ষ মহোদয়, আমি চাইছো যে সেইটো এটা হ'ল যে প্ৰাকৃতিক দুৰ্য্যোগ আৰু সেইটো আমি কেনেকৈ সীমিত কৰিব পৰা যায়, বা কেনেকৈ control কৰিব পৰা যায়, ইয়াৰ এটা বিজ্ঞানসন্মত আমাৰ চৰকাৰে উলিওৱা অত্যন্ত প্ৰয়োজন হৈছে। এনেকুৱা অকনমান পইচা দি এতিয়া এটা মাথাউৰি ভাঙিলে, তাত আমি চাইছো যে, এটা প্ৰকৃতিক দুৰ্য্যোগৰ যিটো হেড আছে, সেইটো হেডৰ পৰা এইবাৰ ডি চি ৰ তাৰ পৰা অলপমান পইচা দিছে। তাত আমি ধৰিলো ৭০ লাখ টকা দিলে, তেতিয়া ভাঙিলে হয়তো দুই-তিনি বছৰ আগতে পইচা দিছে এতিয়া। এই তেনেকুৱা ধৰণে দিলে সেই মানুহবিলাকৰ কেতিয়াও সমস্যাৰ সমাধান কৰিব নোৱাৰে বৰঞ্চ এইটোৰ পৰা বেছিহে অপকাৰ হ'ব। এতিয়া সেই কাৰণে অধ্যক্ষ মহোদয় সেইটোৰ লগতে এতিয়া নতুন এটা সমস্যা তাত আহিছে আমাৰ অঞ্চলত। এইটো হ'ল কি আমাৰ যিবিলাক উপনৈ আছে, ব্ৰহ্মপুত্ৰৰ এইটো অপকাৰ আছেই। কিন্তু এতিয়া উপনৈ বিলাকে বানপানীৰ নাগালেণ্ড ফুড হিলত এতিয়া বানপানীৰ সৃষ্টি কৰিবলৈ লৈছে। আৰু সেইটো প্ৰাকৃতিক দুৰ্য্যোগৰ কাৰণে মানুহে নিজে সৃষ্টি কৰি লোৱা এটা দুৰ্য্যোগ। মই দেখিছো যে আমাৰ শিৱসাগৰত থকা ৰূপহী নৈ, ডিমৌ নৈ, নামদাং নৈ, পাভজান, শিঙিজান, নেমুজান এই গোটেই বিলাক, সেইটো ফালৰ পৰা চুইচগেট দি আহিলে আৰু নৈ বন্ধ কৰি আহিলে, এতিয়া গোটেই পানীখিনি পশ্চিমফাললৈ ঢাল খাই আহি আছে। এই বিলাক কিন্তু আমাৰ টেকনিকেল মানুহখিনিয়েই কৰিছে।

যেনে ৩৭ নং টো এই ফালেদি পাৰ হৈ যাওঁতে শিলসাকো পাৰহৈ গৈ ৰূপহী পথাৰৰ ওচৰত নৈ খন বন্ধ কৰি পেলাই ৰাস্তাটো ওপৰেৰে লৈ গুছি গ'ল। এতিয়া নৈ এখন পুতি পেলাই ৰাস্তাটো ওপৰেদি লৈ গ'ল, এই পানী বিলাক কেনি যাব এতিয়া? নামদাংখন শিলসাকো পাৰ হৈ দিখৌত পৰিছে বুলি, যাতে ঘূৰি অহা পানীটো ইয়াত সোমাব নোৱাৰে। সেই কাৰণে চুইচ গেট দিলে, এতিয়া নৈ খন শেষ হৈ গ'ল। এই পানীটো কেনি যাব। ঠিক তেনেকৈ পাভজান, শিঙৰাজান এই গোটেই নৈ বিলাক, জান বিলাক এইবোৰৰ মুৰত চুইচগেট দিয়াৰ কাৰণে এতিয়া পানীবিলাক পশ্চিমলৈ আহি একেবাৰে ব্ৰহ্মপুত্ৰৰ ওচৰত খনামুখৰ ফালে হেঁচা মাৰি ধৰে। এইটো এটা প্ৰাকৃতিক দুৰ্যোগত পৰিণত হোৱাৰ দৰে হৈছে। কিন্তু এইটো This is a artificial creation of human being, এতিয়া মানুহ বিলাকে তেনেকুৱা ধৰণৰ সৃষ্টি কৰিছে। এনে কথাবিলাক যদি সোনকালে চৰকাৰৰ পৰ্য্যায়ত যদি ব্ৰহ্মপুত্ৰৰ ক্ষেত্ৰত এটা আঁচনি লৈ কাম নকৰে তেতিয়া হলে এই যিটো Amount প্ৰত্যেক বছৰে খৰচ কৰি আছে প্ৰাকৃতিক দুৰ্য্যোগ বুলি সেই Amount টো লাহে লাহে বাঢ়ি যাব আৰু এটা দিনত হয়টো অসমৰ সম্পূৰ্ণ বাজেটখনেই ইয়াতে খৰচ কৰিব লগা তেনেকুৱা এটা অৱস্থালৈ অধ্যক্ষ মহোদয়, আহিব পাৰে। এতিয়া সেই কাৰণে আমি চৰকাৰক নিবেদন কৰিব বিচাৰিছো, যে অসমৰ যিটো পৰিকল্পনা কৰা হৈছে, আমাক Out line যিটো দিয়া হৈছে, যে ব্ৰহ্মপুত্ৰখন খণ্ডা হব। দুয়োটা পাৰত দুটা express High Way হব। আৰু সেইটো হয়টো Water reserver বনাব বা কোনোবাই Dam বনাব পাৰে, বনাই সেই সমস্যাটো এটা স্থায়ী সমাধান উলিয়াবৰ কাৰণে, ব্যৱস্থা কৰিব। আৰু মই ভাবো সেইটো হলে খুব ভাল হয়। আৰু সেইটো হলে মই ভাবো যে এই প্ৰাকৃতিক দুৰ্য্যোগ আমাৰ যিটো আছে, আমাৰ চুনামী ইয়াত নহয়, বা আমাৰ ইয়াত বনজুই এতিয়ালৈকে হোৱা নাই, তেনেকুৱা ধৰণৰ সমস্যা হোৱা নাই. বা আমাৰ ভলকে'ন এৰিয়া নহয়, ভূমিকম্পইও তেনেকুৱা ধৰণৰ সমস্যা সৃষ্টি কৰা নাই যে এখন নগৰ তেওঁলোকে খহাই পেলালে। এতিয়া আমাৰ সন্মুখত হোৱা সমস্যাটো হ'ল খালী ব্ৰহ্মপুত্ৰ। এতিয়া যিহেতু এটাই সমস্যা, এই সমস্যাটো মই ভাবিছো যে এটা নহয় এটা আমাৰ পৃথিৱীত ইমানবোৰ Scientist আছে, আৰু ওচৰতে হোৱাংহোখন কেনেকুৱা ধৰণে নিয়ন্ত্ৰণ কৰিছে, এতিয়া সেই কাৰমে এইখন কৰিব নোৱাৰৰ কোনো কাৰণেই নাই। আৰু এতিয়া এই ধৰণৰ কথা বিলাক erosion হোৱা, চৰ অঞ্চলৰ মানুহ ভাঙি যোৱা হাজাৰ হাজাৰ মানুহ পলাই যোৱা, য'ত ত'ত খাদ্য শস্য দিব লগীয়া হোৱা, পশুধন উটাই নিয়া এই কথাবিলাক তেতিয়া নিশ্চয় নাহিব। সেই কাৰণে ইয়াৰ এটা আশুসমাধানৰ কাৰণে এনেকুৱা এটা পৰিকল্পনা কৰি কাম হাতত ললে খুব ভাল হয়। কিন্তু অধ্যক্ষ মহোদয়, মই লগতে আৰু দুটামান নতুন নতুন সমস্যাৰ কথা কব বিচাৰিছো এই কেইটাক প্ৰাকৃতিক সমস্যা বুলিয়েই কব পাৰি, সেই কেইটা মই অকনমান দাঙি ধৰিব বিচাৰিছো। সেইকেইটা হৈছে, যে এতিয়া মানুহ আৰু জন্তুৰ লগত যি সংঘাট হৈ আছে, এতিয়া হাতী ওলাই আহিছে, হাতী ওলাই আহি গোটেই পথাৰৰ শস্য, ঘৰ-দুৱাৰ ভাঙি-চিঙি গুছি গৈছে। এইটো এটা দুৰ্য্যোগ হৈ পৰিছে। লাহে লাহে এইটো দুৰ্য্যোগলৈ গৈ আছে। দুৰ্য্যোগৰ নিচিনাই হৈছেগৈ এতিয়াষ কিছুমান গাৱৰ মানুহে খাদ্যশস্যৰ কাৰণে সিহঁতৰ গোটেই খেতি পথাৰেই শেষ কৰি পেলাইছে। এই হাতীৰ উপদ্ৰৱ হৈছে, বা বান্দৰৰ যিটো উপদ্ৰৱ হৈছে, হাজাৰ বিঘা মাটি erosion হোৱাৰ কথাটো কৈছে, কিন্তু হাজাৰ হাজাৰ বিঘা মাটি যে খেতি কৰিব নোৱাৰা সৃষ্টি হৈছে। লাহে লাহে সৰু সৰু অঞ্চলবোৰ গোট খাই এতিয়া অসমৰ এটা বৃহৎ অঞ্চল হবগৈ। সেই সমস্যা বিলাকৰ ক্ষেত্ৰতো কিন্তু চৰকাৰে বিশেষ গুৰুত্ব দিয়া ভাল। অষ্ট্ৰেলিয়াত অধ্যক্ষ মহোদয়, One Mil-

lion কেংগেৰু মাৰিবৰ কাৰণে তেওঁলোকে এতিয়া permission দিছে। আপোনাৰ খাদ্যশস্যত যদি কোনোবা কেংগেৰুৱে খাই পেলাই ধ্বংস কৰে, সেই মালিকজনে সেই খাদ্যশস্য বচাবৰ কাৰণে সেইটো মাৰিব পাৰিব। আমাৰ নীল গাই মৰাৰ কাৰণেও ভাৰতবৰ্ষত এটা অনুমতি দিছিল। এতিয়া আমাৰ চৰকাৰেও অন্ততঃ, হাতী আগতে ধৰিছিল, হাতী ধৰিব লাগিছিল। ধৰাটো এতিয়া সম্পূৰ্ণ বন্ধ হৈ আছে। যদি ধৰে, তেতিয়াও হয়তো নিয়ন্ত্ৰণ হলহেতেন। খাদ্যশস্যৰ যি নাটনি হৈছে সেইটোৰ যদি এটা ব্যৱস্থা কৰিলেহেতেন তেতিয়াও নিয়ন্ত্ৰণ হ'লহেতেন। আৰু বান্দৰ আহি ঘৰৰ ভিতৰত ভাত পানী খাই লৈ যোৱাৰ যিটো উপক্ৰম হৈছে, এতিয়া চৰকাৰে এটা ব্যৱস্থা কৰিব লাগিব। আজি আমি কৈছো কাৰণে দুই এটুকুৰা ঠাইৰ কথা আহিছে। সেই কাৰণে গুৰুত্বটো হয়টো ইমান পৰা নাই । কিন্তু কালিলৈ যিটো সৰহসংখ্যক হৈ আহিব সেইটো তেতিয়া চৰকাৰে সমাধান কৰিবলৈ অসুবিধা হব, সৰু হৈ থাকোটেই যদি নিয়ন্ত্ৰণ কৰিব নিবিচাৰে । সেই কাৰণে এই যিখিনি সমস্যা আছে, এই সমস্যাখিনি মই ভাবো, মোৰ দৃষ্টিত পৰাখিনি মই দাঙি ধৰিলো। মই আশা ৰাখিম যে চৰকাৰে ইয়াৰ ওপৰত গুৰুত্ব দিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ-** আপোনাৰ শেষৰ দুটা Suggestion, দৰকাৰী Suggestion বনৰীয়া হাতী আৰু বান্দৰৰ কথাটো। এতিয়া যোগেন মোহন।

**শ্ৰী যোগেন মোহন, সদস্য ঃ-** এই পবিত্ৰ অসম বিধান সভাৰ মাননীয় অধ্যক্ষ মহোদয়, বিৰোধীয়ে যি ৪১ নং মঞ্জুৰীৰ ওপৰত কাটমোচন আনিছে, তাৰ বিৰোধিতা কৰি মই কেইটামান কথা অৱগত কৰিব বিচাৰিছো। যিহেতু আমাৰ চৰকাৰ অহাৰ লগে লগে মাননীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত এই প্ৰকৃতিক দুয্যোগৰ যি ব্যৱস্থাপনা এইটো অলপ স্বচ্চতালৈ আহিছে। আমি District যিখন সমিতি Disaster Management সমিতি proposel অহাৰ লগে লগে অনুমোদন কৰিছে। আমি এই বিলাক ক্ষেত্ৰত ৰাইজক সকাহ দিব পাৰিছো। পূৰ্বতে বহুত তিনি চাৰি বছৰটো নাপাইছিল কিন্তু এতিয়া ৰাইজে ২-৩ মাহৰ ভিতৰত তেওঁলোকৰ যি ক্ষতি পুৰণ পাবলৈ সক্ষম হৈছে। বিশেষকৈ যদি কোনোৱা ব্যক্তি নিহত হয়, আমি ২৪ ঘণ্টাৰ ভিতৰত তেখেত সকলৰ তিলানি হ'বলৈ নাপায় পইচা গৈ পায়গৈ। তেনেকে মোৰ সমষ্টিটো আমি দিছো। গতিকে তেনেকুৱা ধৰণে আৰু তেখেত সকলে আমাৰ মুখ্যমন্ত্ৰীৰ সাহাৰ্য্য পুজিঁৰ যিটো আমাৰ, প্ৰধান মন্ত্ৰীৰ জীৱনজ্যোতি যোজনাটো ২ লাখ পায়গৈ। তেনেকুৱা ধৰণে এতিয়া জনসাধাৰণে এই ব্যৱস্থাপনাৰ জৰিয়তে, যথেষ্ট সকাহ পাইছে। আমি নিশ্চয় ত্ৰইটো কথা কব লাগিব যে আমি চৰাইদেউ জিলাত ৯ কোটি টকা পাইছো। ৰাইজক প্ৰাকৃতিক দুৰ্য্যোগত, যেনে ঘৰ ভঙা, বিভিন্ন ধৰণৰ বিভাগৰ যিবোৰ ক্ষয়-ক্ষতি হৈছিল সেই বিলাকত দিবলৈ সক্ষম হৈছো। কিন্তু আমি ভাবিছিলো, অলপ কথা আৰু এতিয়াও আছে। এটা কথা মই কব বিচাৰিছো যে Forest Village, চৰকাৰী মাটিত থকা লোক সকল এই সাহাৰ্য্যৰ পৰা বঞ্চিত হৈ থাকে। আমি যদি চৰকাৰে মানৱতাৰ খাতিৰত, এই সকলকো কিবা দিব পাৰো, যিহেতু প্ৰাকৃতিক দুৰ্য্যোগ, অন্যান্য চৰকাৰী সাহাৰ্য্য নাপালেও, তেওঁলোকৰ ঘৰটো ভাঙি গ'ল আমি কিবা এটা যদি সহায় কৰিব পাৰো। সেইখিনি কথা চাব লাগে। আৰু বিভিন্ন ধৰণে অংগনবাড়ী কেন্দ্ৰ,স্কুল বিভিন্ন বিভাগ ক্ষতিগ্ৰস্ত হয় প্ৰাকৃতিক দুৰ্য্যোগত। ৰাস্তা-পদুলিটো বাদেই, গতিকে এই বিলাক ক্ষেত্ৰত যিমান টকা District ৰ পৰা বিছৰা হয়। সেইটো যাতে দিয়ে তাৰ কাৰণে চাব লাগে। সেই কাৰণে আমি ভাবো পইচাটো অলপ কমহে হৈছে। ১০৮৪ কোটি টকা, এইটো বহুত কম হৈছে, বঢ়াবহে লাগে। অৱশ্যে বিৰোধীয়ে কবই, এইটো এনেধৰণৰ ব্যৱস্থাই । এইটো গণতান্ত্ৰিক ব্যৱস্থা। কিন্তু এই দুৰ্য্যোগবোৰ বিভিন্ন প্ৰকাৰে

আহে। শিলবৃষ্টি, ধুমুহা আদি কৰি বিভিন্ন ধৰণে আহে। সমষ্টি সমুহত আমি দেখো বহুত বেয়া লাগে। গাৱঁৰ গাওঁবুঢ়া সকল বা মণ্ডল সকল, তেওঁলোক এই বিলাকৰ নিৰীক্ষণৰ দায়িত্বত থাকে। গতিকে এই সকলৰ স্বচ্চতাটো হব লাগে। আমি সভাপতি সকলকো মাতি আনি কৈছো যে এই ক্ষেত্ৰত যাতে দুৰ্নীতি নহয়। কৰবাত ঘৰ নভঙা মানুহে ক্ষতিপূৰণ পায়, কিন্তু ঘৰ ভঙা মানুহে ক্ষতিপূৰণ নাপায়। যেতিয়া MLA ৰ ঘৰত আহি যায় আৰু কয় যে আমাৰটো ঘৰ দুৱাৰ ভাঙি-চিঙি শেষ হৈ গৈছে কিন্তু আমি একোৱেই নাপালো। এইটো গাওঁবুঢ়াইহে কৰে। Circle officer level ৰ পৰা আহে। অৱশ্যে সেইখিনি এতিয়া নাইকিয়া হৈছে। আগতে বহুত এনেকুৱা ধৰণৰ ঘটনা ঘটিছিল। সেই কাৰণে চৰকাৰী ধনৰো অপচয় হৈছিল। চৰকাৰী ধনৰটো সৎব্যৱহাৰ হবলৈ হলে তলৰ লেভেলৰ পৰা, একেবাৰে গাওঁবুঢ়াজনেই হ'ল চৰকাৰৰ শেষ প্ৰতিনিধি। তেওঁ এই বিলাক ক্ষেত্ৰত অলপ ভালকৈ চাব লাগে । আৰু যি সকলে এই বিলাক ক্ষেত্ৰত দুৰ্নীতি কৰে এই ক্ষেত্ৰত তেওঁলোকৰ ওপৰত লগে লগে ব্যৱস্থা লব লাগে। এতিয়াও যদি এনেকুৱা কৰে, গাওঁবুঢ়া হওঁক মণ্ডল হওঁক বা কানানগো যিবিলাকে চাৰ্কোল অফিচাৰ লেভেলত যদি স্বচ্চতাটো নাহে, এজন লাট মণ্ডলে দুখন তিনিখন গাওঁ কেনেকৈ ঘুৰিব, আজি কালি ২৪ ঘণ্টাৰ ভিতৰত photo up-load কৰিব লাগে। DC বা চাৰ্কোল অফিচত জমা দিব লাগে। সেই কাৰণে তলৰ লেভেলত যদি পাৰি এখন এখন কমিতি গঠন কৰিব দিব লাগে। গাওঁ লেভেলত এখন Disaster Management এখন কমিতি বনাই দিলে তেওঁলোকে Retired মানুহক বা সমাজ সচেতন মানুহক লৈ যদি এখন কমিটি গঠন কৰা হয়।

গাওঁ লেভেলত এখন দুৰ্য্যোগ ব্যৱস্থপনা সমিতি এখন বনাই দিয়া হয় অৱসৰপ্ৰাপ্ত তথা সমাজ সচেতন মানুহক লৈ তেনেহ'লে দুৰ্যোগৰ বিষয়ে কিছু পদক্ষেপ ল'ব পাৰে। আমি চৰাইদেউ জিলাত ১ এপ্ৰিল তাৰিখে ৬ লাখ গছ পুলি ৰুবলৈ সিদ্ধান্ত লৈছো। সকলো অনুষ্ঠান প্ৰতিষ্ঠান লগ হৈ আম, কঠাল আদিৰ দৰে গছবোৰ ৰুব লাগে। তেতিয়া বান্দৰবোৰ মানুহ ঘৰত অহা বন্ধ হ'ব। মানুহে বেঙেনা খেতি কৰিবলৈ বাদ দিলে বান্দৰৰ বাবে। কাৰণ খাদ্যৰ অভাৱত বান্দৰ আহি মানুহৰ ঘৰ পায় আৰু বান্দৰ আহিবই কাৰণ ফৰেষ্টত খাদ্যৰ অভাৱ হৈছে। আমি যদি খাদ্যতো ফৰেষ্টতে যোগান ধৰাৰ ব্যৱস্থা কৰো তেতিয়া আৰু গাওঁলৈ বান্দৰ নাহে। এই ক্ষেত্ৰত মই ভাবিছো ফৰেষ্টৰ বিভিন্ন অঞ্চলত থলুৱা গছ ৰোপনৰ ব্যৱস্থা কৰিব লাগে। এই বিষয়টোত বিভাগে অলপ গুৰুত্ব দিব লাগে। অধ্যক্ষ মহোদয়, আৰু এটা কথা চাহ বাগিছা অঞ্চলত ধুমুহা বা প্ৰাকৃতিক দূৰ্যোগ হ'লে তেওঁলোকে সাহাৰ্য্য নপায় গতিকে চাহ বাগিছা আঞ্চলত আমি চৰকাৰী গাঁওবুঢ়া আদি নিযুক্তি দিব পাৰোনেকি সেই বিষয়টোও চাব লাগে। এই মানুহখিনি আৰ্থিক ভাবে বহু দূৰ্বল শ্ৰেণীৰ, তেওঁলোকক আমি সকাহ দিব লাগিব। গতিকে মই দীঘলীয়াকৈ নকওঁ মোৰ মতে ফৰেষ্ট ভিলেজ আৰু চাহ বাগিছাৰ কথাখিনি ভালদৰে চাব লাগিব। সমগ্ৰ অসমতে প্ৰাকৃতিক দূৰ্যোগ, ধুমুহাত আদিত স্কুল, অঙ্গনবাড়ী কেন্দ্ৰকে আদি কৰি বিভিন্ন বিভাগ ক্ষতি হয়। কিন্ত প্ৰাকৃতিক দূৰ্যোগ বিভাগে যি পুঁজি দিয়ে সকলো বিভাগে নাপায়। সেইবিলাক কথা অলপ চাব লাগে। আমি জিলা উপায়ুক্তৰ লগত বহি যি ক্ষয়-ক্ষতিৰ তালিকা দিও সকলোৱে যাতে পায় তাৰ ব্যৱস্থা কৰিব লাগে। হিতাধিকাৰী বাচনিৰ ক্ষেত্ৰত বিভিন্ন ঠাইত যি খেলি-মেলি হয় সেই বিষয়টো চাব লাগে আৰু এটা ভাল পলিচি ল'ব লাগে। প্ৰাকৃতিক দূৰ্যোগ হোৱাৰ লগে লগে আমি দেখিছো অকল বিভাগে নহয় বিভিন্ন সংগঠনে মানবীয় দৃষ্টান্ত দাঙি ধৰি আহিছে। আজি শিল্পীয়েই হওক, সাংবাদিক সকল হওক এন.জি.অ'য়েই হওক প্ৰাকৃতিক দূৰ্যোগৰ সময়ত চৰকাৰে কৰিব নোৱাৰা কাম তেওঁলোকে

কৰি আছে। সেইখিনি অসমখনৰ কাৰণে এটা ভাল কথা আমি দল-মত নির্বিশেষে সকলোৱে দুর্গতসকলৰ সহায়ৰ বাবে কাম কৰি আহিছো। গতিকে মই বেছি কথা নকওঁ আজি বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰিছো আৰু দুৰ্গত ৰাইজৰ সহায়ৰ ক্ষেত্ৰত আমি সকলোৱেই স্বচ্ছতা বজাই ৰাখি কাম কৰিবলৈ অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ** ঃ মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক উত্তৰ দিবলৈ অনুৰোধ কৰিছো ।

**শ্ৰী পল্লৱ লোচন দাস(মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, গ্ৰান্ট নং ৪১ - প্ৰাকৃতিক দুৰ্যোগ ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বাবে ১০৮৪১৪.৬১ লাখ টকাৰ যি আমি মঞ্জুৰী বিচাৰিছো আৰু লগতে গ্ৰান্ট নং-৭২, সাহাৰ্য্য আৰু পুনৰসংস্থাপন শিতানত আমি ১০০২.০০ লাখ টকাৰ যি পুঁজিৰ মঞ্জুৰী বিচাৰিছো তাৰ কৰ্তন বিচাৰি বিৰোধীৰ লগতে শাসক পক্ষৰ সন্মানীয় সদস্য শ্ৰীশ্বেৰমান আলি আহমেদ, শ্ৰীমামুদ ইমদাদুল হ'ক চৌধুৰী, শ্ৰী তপন কুমাৰ গগৈ, শ্ৰীথানেশ্বৰ বসুমতাৰী, শ্ৰী চক্ৰধৰ গগৈ, ড° নোমল মমিন, শ্ৰীনিজানুৰ ৰহমান, শ্ৰীগুৰুজ্যোতি দাস, শ্ৰীআব্দুৰ ৰচিদ আলম, ড°ৰণোজ পেগু, শ্ৰীচৰণ বড়ো, শ্ৰীগনেশ লিম্বু, শ্ৰীপ্ৰদীপ হাজৰিকা আৰু শ্ৰী যোগেন মোহন ডাঙৰীয়া যি কেইজনে কৰ্তন প্ৰস্তাৱৰ সপক্ষে-বিপক্ষে বক্তব্য ৰাখি চৰকাৰক পৰামৰ্শ আগবঢ়ালে তাৰ বাবে মই তেখেতসকলক ধন্যবাদ জনাইছো। কেইবাজনো বিধায়কে আমাক গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াইছে মই আপোনালোকৰ পৰামৰ্শ সমূহ মানি লৈ বিভাগটো চলাবলৈ চেষ্টা কৰিম। মাননীয় অধ্যক্ষ মহোদয় প্ৰাকৃতিক দূযোৰ্গ সম্পৰ্কত মাননীয় বিধায়ক ৰণোজ পেগু ডাঙৰীয়াই ভাল বক্তব্য ৰাখিছে। প্ৰাকৃতিক দূৰ্যোগ আমি কেতিয়াও কামনা নকৰো। প্ৰাকৃতিক দূৰ্যোগৰ বাবে আমি কেনেকৈ প্ৰস্তুত হ'ব লাগিব। দূৰ্যোগৰ মুখামুখি হোৱাৰ বাবে আমি প্ৰস্তুত হোৱাটো আমাৰ বাবে ডাঙৰ কথা। কেনেকৈ প্ৰাকৃতিক দূৰ্যোগ নোহোৱা কৰিব পাৰো সেই কথাটো আমি চিন্তা কৰিব লাগিব। ভাৰত চৰকাৰে প্ৰাকৃতিক দূৰ্যোগ বুলি যিখন তালিকা নিৰ্দ্ধাৰণ কৰিছিল সেইখনত অসমত হোৱা তিনিটা দূৰ্যোগ সন্নিবিষ্ট নাছিল - বজ্ৰপাত, ঘূৰ্ণী বতাহ, খহনীয়া। এই তিনিটা প্ৰাকৃতিক দূৰ্যোগ তালিকাভূক্ত নথকা ভাবে কেন্দ্ৰীয় চৰকাৰ পৰা অহা ধন আই এই প্ৰাকৃতিক দূৰ্যোগত ক্ষতিগ্ৰস্তত সহায় কৰিব পৰা নাছিলো। অসম চৰকাৰে ২০১৫ চনৰ এক অধিসূচনাৰ জৰিয়তে 'ৰাজ্যৰ বিশেষ দূৰ্যোগ' হিচাপে এই তিনিটা দূৰ্যোগ সামৰি লোৱা হ'ল আৰু সমূদায় ধনৰ দহ শতাংশ ধন এই দূৰ্যোগত খৰছৰ কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ'ল। এতিয়া আমাৰ অসমত হোৱা সকলো সমস্যাতকৈ আটাইতকৈ ডাঙৰ সমস্যা হৈছে বানপানীৰ সমস্যা। মাননীয় অধ্যক্ষ মহোদয়, বানপানী যোৱাবাৰ হৈছে নাইবা এইবছৰ হৈছে তেনেকুৱা নহয় আমি যেতিয়াৰ পৰা জনা হৈছো তেতিয়াৰ পৰা বানপানী সমস্যা দেখিছো। বানপানী প্ৰতিৰোধৰ বাবে বিভাগে বহু পদক্ষেপ গ্ৰহণ কৰিছো যদি আমি মাত্ৰ অস্থায়ী সমাধানহে কৰি আহিছো। সেয়েহে আমি বানপানীৰ সমস্যাটোৰ স্থায়ী সমাধান কেনেকৈ কৰিব পাৰো সেইটো চিন্তা কৰিব লাগিব। যোৱা দিনবোৰত নদীসমূহৰ ওপৰত কোনো ধৰণৰ অধ্যয়ন কৰা নহ'ল - কিয় নদীসমূহৰ বহন ক্ষমতা কমি আহিছে। নদীসমূহৰ বহন ক্ষমতা বৃদ্ধিৰ বাবে কি কৰিব পৰা যায় তাৰ কোনো ব্যৱস্থা লোৱা হোৱা নাই। যোৱা আগষ্ট মাহত ভাৰতৰ প্ৰধানমন্ত্ৰী অসমলৈ আহিছিল তেতিয়া তেখেতে কৈছিল যে যোৱাবছৰৰ বানপানী আৰু এইবছৰৰ বানপানীৰ মাজত পাৰ্থক্য কি? নদীসমূহৰ বহন ক্ষমতা কি আছিল? অধ্যক্ষ মহোদয়, সেইসময়ত আলোচনা কৰা হৈছিল যে চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ লগত গোটেই নদীখন অধ্যয়ন কৰি বিজ্ঞান সন্মত ভাবে পদক্ষেপ গ্ৰহণ কৰি বানপানীৰ সমস্যাটো স্থায়ী সমাধানৰ বাবে কেনেকৈ আগবাঢ়িব পাৰো। সেই আলোচনাতে প্ৰথম বাৰৰ বাবে নদীসমূহৰ অধ্যয়নৰ ওপৰত চিন্তা কৰা হৈছিল - যিটো

কেতিয়াও হোৱা নাছিল। মোৰ বিধান সভা সমষ্টিৰ বালিপাৰা অঞ্চলত জলাখৰ নদী আছে সেই নদীখনৰো একে অৱস্থা। যোৱা বছৰ মই আৰু জলসম্পদ মন্ত্ৰী তাত গৈ পৰিদৰ্শন কৰি নদীখনে কিমান ক্ষতি কৰে আৰু সেইটো নিৰাময়ৰ বাবে আমি কি কাম কৰিব পাৰো তাৰবাবে নদীৰ অধ্যয়নৰ বাবে আই. আই. টিক দায়িত্ব দিলো। মাননীয় অধ্যক্ষ মহোদয় মই সন্মানীয় বিধায়কক এটা অনুৰোধ জনাব বিচাৰিছো। যোৱা ১৯ ফেব্ৰুৱাৰীত দূৰ্যোগ ব্যৱস্থাপনা বিভাগৰ তৰফৰ পৰা এখন প্ৰত্ৰৰ লগত এখন মেনুৱেল, গাইডলাইন সকলো বিধায়কক দিছিলো। তাত জনোৱা হৈছিল যে কোনো সুবিধা কেনেকৈ পোৱা যায় আপোনালোকে চাই ব্যৱস্থা গ্ৰহণ কৰিব। আপোনালোকক এই কাৰণে দিয়া হৈছিল যে যাতে আপোনালোকে প্ৰত্যক্ষ ভাবে গোটেই ব্যৱস্থাটোৰ লগত জড়িত হ'ব পাৰে। কিন্তু যেতিয়া আপোনালোকে বক্তব্য আগবঢ়ায় তেতিয়া প্ৰায়ে ৰাজহ বা দূৰ্যোগ ব্যৱস্থাপনা বিভাগক সামৰি লৈ কয় যে বিভাগে কাম কৰা নাই। কিন্তু মুলত বিষয়টো হৈছে এনেকুৱা - যদি কোনো ঠাইত দূৰ্যোগ হয় তেতিয়া দূৰ্যোগটোৰ মূল্যাঙ্কন জিলা পৰ্য্যায়ত কৰা হয় আৰু জিলা ভিত্তিত যি ডি.ডি.এম.এৰ সভা হয় তাত আলোচনা কৰি সকলো বিভাগক দায়িত্ব দিয়া হয়। ক্ষয়-ক্ষতিৰ পৰিমান কিমান, ক্ষতিপূৰণ দিব লাগিবনে নাই, ক্ষতিগ্ৰস্ত স্থানসমূহৰ কেনেকৈ পুনৰ নিৰ্মাণ কৰিব পৰা যায় সেই ব্যৱস্থা আমালৈ প্ৰেৰণ কৰে আৰু ৰাজ্যিক ভিত্তিত থকা কমিটি আছে ইয়াত যিটো State Excutive Committee আছে, আমাৰ যিটো ডিপাৰ্টমেণ্ট ৰ তালিকা প্ৰস্তুত কৰে, সেই তালিকাখনকে অনুমোদন জনাই আমি নিজাববীয়াকৈ তালিকা প্ৰস্তুত কৰি নিদিওঁ। জলসম্পদ বিভাগৰ কাৰণে আমাৰ যিমান পুঁজি ধাৰ্য্য কৰা থাকে আমি দি দিওঁ। জলসম্পদ বিভাগে আমাৰ কোন কেইটা মথাউৰিৰ কাম পুনৰ নিৰ্মাণ কৰিবৰ প্ৰয়োজনীয়তা আছে তেওঁলোকে priority list বনাই। PWD আৰু কৃষি বিভাগেও বনাই। Sericulture, Fishery প্ৰত্যেকটো বিভাগে নিজৰ নিজৰ পৰ্য্যায়ত সেইখিনি আনে, as per Guide Line আছে নে নাই কেৱল সেইটো আমি চাওঁ। সেইটো মুখ্য সচিৱৰ নেতৃত্বত যিখন State Excutive Committee আছে সেই কমিটিখনে এইখিনি কথা চাই। বাকী অন্যান্য কথাখিনি আমাৰ ইয়াত নাই। কিন্তু বহুতৰে ধাৰণা যে আমি গোটেই খিনি কৰো। ইতিমধ্যে earmark ত আমাৰ কোনে কিমান কৈ পাব গোটেইখিনি দি দিওঁ। কিন্তু খুব দূৰ্ভাগ্যৰ বিষয় এইটো যে বহু বিভাগ এনেকুৱা আছে যি বিভাগ সমূহৰ পৰা আমাৰ যিখিনি ক্ষয়-ক্ষতিৰ পৰিমাণ যেনেকৈ আহিব লাগে সেই গাইড লাইন মতে অহা নাই। শ্বেৰমান আলি ডাঙৰীয়াই কালি যেতিয়া বক্তব্য দিছে খুব সুন্দৰ ভাৱে কথাখিনি কৈছে। তেওঁ guide line ৰ কথাও কৈছে আৰু কোনখিনি কাম অসমৰ কাৰণে প্ৰযোজ্য হোৱা নাই, সেই গোটেই কথাখিনি কৈছে আৰু তেওঁ পৰিবৰ্তনৰ শ্লোগানৰ কথা কৈছে যেএইখন চৰকাৰে যিহেতু পৰিবৰ্তনৰ কথা কৈ আহিছে, সেই পৰিবৰ্তনটো বাস্তৱ সন্মত হয়নে নহয়। সেই কথাটোতে response কৰি ক'ব খুজিছো। আগত ২০০৯ চনৰ SDMA হৈছে আৰু SDMA ৰ পৰাই ইয়াৰ কামখিনি হৈ আছে। আজি ইমান বছৰৰ পৰা এই দুৰ্যোগ যেতিয়া হয় ইয়াত immediate response কৰিব লাগে। এই immediate response কৰাৰ যিটো ব্যৱস্থা আজি যেতিয়া বিধান সভাৰ সদস্য সকলে বক্তব্য দিছে, এই immediate response কৰাৰ ব্যৱস্থা কেতিয়াৰ পৰা কৰা হ'ল? Immediate response বুলি যদি কোৱা যায় আমি জিলা উপায়ুক্ত সকলক কেতিয়া ধন দিয়াৰ ব্যৱস্থা কৰিলো যেতিয়া আমাৰ চৰকাৰ আহিল, আমি চৰকাৰে সিদ্ধান্ত ল'লো। মাননীয় সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াই উপলব্ধি কৰিলে যে প্ৰথম বাৰৰ কাৰণে আমি দূৰ্গত সকলক সহায় কৰাৰ বাবে বিধান সভা স্থগিত কৰি সকলো বিধায়কক দায়িত্ব দিয়া হ'ল আৰু

সকলোৰে গৈ নিজৰ দায়িত্ব পালন কৰিলে। এইটো বিধান সভাত আগতে কেতিয়াবা হৈছিল নেকি? আগতেও মুখ্যমন্ত্ৰী আছিল, বিধান সভা হৈছিল, বানপানী হৈছিল কোনোবা দিনা এনেকুৱা পৰিৱেশ হৈছিল নেকি? বিধান সভা স্থগিত কৰি আমি যাব লাগিব, এইটো পৰিবৰ্তনৰ প্ৰথম লক্ষণ যে পৰিৱৰ্তন আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এইটো কৰাৰ মানসিকতা কৰিছিল। প্ৰথমবাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে যেতিয়া বক্তব্য দিছে, তেতিয়া তেওঁ কৈছে সকলো বিৰোধী বিধায়ক, সাংসদ সকলোৰে যিধৰণে আমাক সহায় সহযোগীতা আগবঢ়াই আহিছে তাৰ বাবে আমি কৃতজ্ঞতা জনাইছো। এই কথাষাৰো আমি আগতে শুনা নাছিলো। আগত আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়া তেওঁৰ নিশ্চয় মনত আছে যে যেতিয়া ২০১১-১২ চনত বিশ্বনাথ চাৰিআলি, চতিয়া এই অঞ্চল সমূহত বানপানী হৈছিল আৰু সেই সময়ত তাৰ যিটো পৰিবেশ আছিল, সেই সময়ৰ ক্ষতিগ্ৰস্ত লোক সকলক কেতিয়া ক্ষতিপূৰণ দিয়া হৈছিল ? বিধায়ক পদ্ম হাজৰিকা দেৱে চিএঞঁৰি চিএঞঁৰি এই কথা সেই সময়ত কৈছিল। কিন্তু সেই কাৰ্য্যকাল পাৰ হৈ গ'ল। সেই সময়ত কোনো ধৰণৰ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰা নহ'ল। কিন্তু তাত যিসকল লোক নিহত হৈছিল, আহত হৈছিল, সেই পৰিয়াল সকলকো সাহাৰ্য্য দিয়া নহ'ল। আপোনালোকে Revenue Department ত চাই লব পাৰে আগৰ চৰকাৰৰ দিনত প্ৰাকৃতিক দূৰ্যোগত যদি মানুহ এজনৰ মৃত্যু হৈছিল তেওঁলোকে সাহাৰ্য্যৰ ধন কেতিয়া পাইছে? শ্বেৰমান আলি ডাঙৰীয়াইও এই কথা কৈছে যে তেওঁলোক সাত বছৰে বিৰোধী বিধায়ক হিচাপে আছে। আগৰ পাঁচ বছৰ আৰু এতিয়াৰ দুই বছৰ। আপুনি নিজে পাৰ্থক্যটো উপলব্ধি কৰক। এই দুই বছৰত আমি কেনেকৈ আপোনালোকক সহায় কৰি আছো। আগৰ পাঁচ বছৰত আপুনি বিৰোধী হৈ থাকোতে কেনেকুৱা সহায পাইছিলে? মই আগতেওঁ আপোনাৰ বক্তব্যত কেতিয়াও শুনা নাই যে জল সম্পদ বিভাগক কেতিয়াবা আপুনি কৈছে আপোনালোক আৰু আপোনালোকৰ বিষয়া সকলে ভাল মথাউৰি নিৰ্মাণ কৰিছে। আপুনি তাত আছিল কিন্তু এইবাৰ আপুনি কৈছে মই যোৱা বাৰে আ পোনাৰ বক্তব্য শুনিছিলো তেতিয়াও আপুনি কোৱা নাছিল যে ২৪ ঘন্টা, ৪৮ ঘন্টাৰ ভিতৰত কোনোবাক সাহাৰ্য্য দিয়াৰ কাৰণে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। তেনেকুৱা আপোনাৰ কতো দৃষ্টিগোচৰ হোৱা নাই। এইটো আপোনাৰ প্ৰথম দৃষ্টিগোচৰ হৈছে যে ৪৮ ঘন্টাৰ ভিতৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিৰ্দেশ দিছে যিটো GR বুলি কয়। গ্ৰেচিচ ৰিলিফ ফাণ্ডটো সেই ৰিলিফ ফাণ্ডটো প্ৰত্যেকজন উপায়ুক্তলৈ আগতীয়াকৈ ধন আৱন্টন কৰি দিছো যাতে তেওঁলোকে যদি কোনোবা মানুহক সাহাৰ্য্য দিব লগা হয়, নিহত হয় তেওঁলোকক যাতে ৪৮ ঘন্টাৰ ভিতৰত দিব। ex-gratia দিব পৰা যায়। ইতিমধ্যে ব্যৱস্থা কৰি দিছো। এইটো আগতে কেতিয়াও হোৱা নাছিল আৰু এই ফাণ্ড চিলিং ফ্ৰি কৰিবৰ বাবে কোনো ধৰণৰ ব্যৱস্থা হোৱা নাছিল। ২০১৭ চনত আমি চিলিং ফ্ৰি ব্যৱস্থা কৰিলো যাতে কোনো ধৰণৰ অসুবিধা নহয়। উপায়ুক্ত সকলে যাতে সময় মতে সেইখিনি দিব পাৰে তাৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিছো। আজিৰ দিনত আমি এটা ক্ষেত্ৰতে অসুবিধা পাইছো সেইটো হৈছে assesment কৰোতে। assesment কৰোতে যিটো আমি ব্যৱস্থা কৰিব লাগে আজি যোগেন মোহন ডাঙৰীয়াইও কৈছে, শ্বেৰমান আলি ডাঙৰীয়াই আৰু মামুন ইমদাদুল হক ডাঙৰীয়াইও কৈছে যিটো assesment হয় সেইটো কৰোতে আজিৰ দিনত আমি গাওঁবুঢ়া আৰু মণ্ডলক দায়িত্ব দিওঁ। সেই assesment কৰি যিকোনো প্ৰাকৃতিক দূৰ্যোগ হ'লে তেওঁলোকে এখন তালিকা প্ৰস্তুত কৰি সময়মতে দিব লাগে। কিন্তু দুৰ্ভাগ্যবশত যে আমি সময়মতে এতিয়াও তালিকা পোৱা নাই। যোৱা বাৰিষাৰ দিনত হয়তো যিখিনি ঘটনা হৈছে আজিলৈকে আমাৰ তালিকা আহি আছে।

এতিয়াও বহু ঠাইৰ পৰা অহা নাই। সেই ব্যৱস্থাটো কেনেকৈ খৰতকীয়া কৰিব পৰা যায় তাৰ ব্যৱস্থা গ্ৰহণ কৰিছো। কালি যেতিয়া চক্ৰধৰ গগৈ ডাঙৰীয়াই কথা কৈছিল তেওঁ তেতিয়া এটা ডাঙৰ কথা কৈছিল যে আমাৰ জাতীয় চৰিত্ৰ এটা নিৰ্মাণ কৰাৰ প্ৰয়োজন আছে। জাতীয় চৰিত্ৰ এনেকুৱা এটা নিৰ্মাণ কৰাৰ প্ৰয়োজন আছে যাতে যেতিয়া অসমত দুৰ্গত অৱস্থা হয়, অসমৰ বিভিন্ন চৰকাৰী বিষয়া বা আমি জনপ্ৰতিনিধি সকলে যাতে হৃদয়ংগম কৰিব পাৰো যাতে কোনোৱে সেই দুৰ্গত সকলৰ টকা আত্মসাৎ কৰিবৰ বাবে কোনো চৰকাৰী ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে বা উৎসাহ দিয়াৰ পৰিৱেশ সৃষ্টি নকৰো। সেই জাতীয় চৰিত্ৰ আমি নিৰ্মাণ কৰিব পাৰিম নেকি? সেইকাৰণে মই মাননীয় বিধায়ক সকলক অনুৰোধ জনাম যে আপোনালোক ৰাইজৰ প্ৰতিনিধি। ৰাইজৰ আৱেগ অনুভূতি সমূহক প্ৰতিনিধিত্ব কৰে। সেইকাৰণে আপোনালোকৰ হাতত যি গণতান্ত্ৰিক অধিকাৰ আছে, সেই অধিকাৰ সমূহক সঠিক ঠাইত ব্যৱহাৰ কৰক। আপোনালোকক আমি গাইড লাইন দিছো। এইবাৰ আমি কৈছো যে যি সময়ত প্ৰাকৃতিক দুৰ্যোগ হয়, সেই সময়ত প্ৰত্যেক মাহে DDMAৰ এখন সভা হ'ব লাগে। DDMAৰ সভাত যিখন Benificiary List থাকে, সেই Benificiary List খন আপোনালোকৰ হাতত থাকিব আৰু আপোনালোকে যাতে assesment কৰি পেলাই সেইখন যাতে বিভাগলৈ প্ৰেৰণ কৰিব পাৰে তাৰো নিৰ্দেশ আমি দিম আৰু আপোনালোকে যাতে তাত থাকিব পাৰে আৰু প্ৰতিটো বিষয়ত জড়িত হ'ব পাৰে। আমি সকলো বিধায়ককে সামৰি লম। কোনো পাৰ্থক্য নকৰো। শ্বেৰমান আলি ডাঙৰীয়াৰ বাঘবৰ সমষ্টিত মই নিজে গৈ সকলো চাইছো তেওঁ নিজেই জানে। আমি পাৰ্থক্য নকৰো। আমি সকলো বিধায়কৰ তালৈ যাম আৰু ধন দিয়াৰ ক্ষেত্ৰতো কৰিছো। শ্বেৰমান আলী ডাঙৰীয়াই কালি এটা বিষয় কৈছিল যে, আমাৰ লোকসকল যেতিয়া ক্ষতিগ্ৰস্ত হয় তেতিয়া PWD বিভাগে আমাক যিখিনি ৬০ হাজাৰ টকা আৰু ১ লাখ দিয়া যায়, ইয়াত যিটো আমাৰ নিয়ম আছিল সেই নিয়মত কিন্তু আমাৰ সেইটো নাছিল। নিয়মটোৰ বিষয়ে আগৰ বিভাগ সমূহে কিয় বুজি নাপালে মই গম নাপালো। মই এখন কাগজ দেখাব বিচাৰো, য'ত গাইড লাইন মতে লিখা আছিল আমি যদি Road বোৰ নিৰ্মাণ কৰো তাত শেষত এটা লাইন দিয়া আছিল--If O.R and P.R rates are not provided by the state মানে যদি আমাৰ Ordianary Repairing আৰু Periodic Repairing কাৰণে যদি State য়ে Notified rate নাই কৰা তেনেহ'লে তেওঁলোকৰ তাত প্ৰযোজ্য হ'ব ১ লাখ আৰু ৬০ হাজাৰ টকা। ইয়াত Star mark দিয়া আছিল। এইটো ২০০৯ চনৰ পৰা চলি আছিল কিন্তু আগৰ চৰকাৰে Star mark দিয়া এই কথা উপলব্ধি নকৰিলে বুজি নাপালো। কিন্তু আজি আমাৰ চৰকাৰে যিহেতু PWD বিভাগক Already rate দিয়া আছে। এতিয়া আপোনালোকে যদি চায়, আপোনালোকে ১৫-২৫ লাখৰ ভিতৰত ৰাস্তা বনাব পাৰে। যিমান ৰাস্তা আছিছে সকলোতে প্ৰতি কি: মি ১৫ লাখ টকাকৈ আমি ইয়াত অনুমোদন দিছো। যিটো আগতে কেতিয়াও নাছিলে। এইবাৰ যদি আপোনালোকে বিচাৰে আপোনালোকে পাব। PWD বিভাগে ইতিমধ্যে Notification উলিয়াই দিছে। সেইকাৰণে যোৱাবাৰ আপুনি কোৱা ১ লাখ ৬০ হাজাৰ টকা প্ৰযোজ্য নহব এতিয়া ১৫-২৫ লাখলৈকে ইয়াত আপোনালোকে ধনখিনি পাব আৰু ৰাস্তাবোৰ ভালকৈ নিৰ্মান কৰিব পাৰিব।

সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয়, আমি অতি পৰিকল্পিত ব্যৱস্থাৰে কামবোৰ আগবঢ়াই লৈ গৈ আছো আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াইয়ো এই ক্ষেত্ৰত বিশেষ তৎপৰতা গ্ৰহণ কৰিছে। তেখেতে নিজে অহা ৩ তাৰিখে পুনৰ এখন ভি,চি,মিটিং কৰিবলৈ মনস্থ কৰিছে। সেইদিনাখন

আমি D.C. সকলৰ লগত Video Conferencing ৰ দ্বাৰা আলোচনা কৰিম আৰু আপোনালোকে ইয়াত যি পৰামৰ্শ আগবঢ়াইছে সেইবিলাক বাস্তৱত ৰূপায়িত কৰিবপৰা যায় নেকি তাৰ কাৰণে আমি চেষ্টা কৰিম। কিন্তু তৃণমূল পৰ্যায়ত কেনেকৈ ভালদৰে Assessment কৰিবপৰা যায়, সেই ক্ষেত্ৰত এক বিশ্লেষণৰ প্ৰয়োজন আছে। এই ক্ষেত্ৰত আমি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগক জড়িত কৰিব পাৰো নেকি নে অন্য কিবা Machanism লম যাৰ জড়িয়তে অতি কম সময়ৰ ভিতৰতে যাতে গোটেই প্ৰক্ৰিয়াটো সামৰি লব পাৰো তেনেকুৱা ব্যৱস্থা যদি থাকে, তেতিয়া আমি সেই ব্যৱস্থাটো গ্ৰহণ কৰিব পাৰিম। শ্বেৰমান আলী ডাঙৰীয়াই তেখেতৰ বহুল বক্তব্যত অভিযোগ আনিছিল যে- বহু ঠাইত Utensils, Clothing and Siltation ৰ ক্ষেত্ৰটো ধনৰ আৱন্টন দিয়া হোৱা নাই। মই ইয়াত দুৰ্ভাগ্যজনকভাৱে এটা কথা উল্লেখ কৰিব বিচাৰিছো যে - আমি Siltation ৰ কাৰণে টকা ৰাখি থৈছো, কিন্তু আজিলৈকে কোনো Proposal অহা নাই, কেৱল তিনিচুকীয়া জিলাৰ উপায়ুক্তইহে কাপোৰ আৰু বাচন-বৰ্তনৰ বাবে Proposal দিছে আৰু আমিও অনুমোদন জনাইছো। ইতিমধ্যে আমি টকা দি থৈছো যাতে তেওঁলোকে তাৰপৰাই টকা দিব পাৰে, কেৱল মাত্ৰ আমাক জনালেই হৈ যায়। এই ক্ষেত্ৰত কাপোৰ আৰু বাচন-বৰ্তনৰ বাবে আৱন্টিত ধন যাতে সকলো সমষ্টিৰ ৰাইজে সমানে সুবিধা লাভ কৰিব পাৰে তাৰ বাবে Provision আছে আৰু মই সকলো সন্মানীয় বিধায়ক সকলক আহ্বান জনাব বিচাৰিছো যে আপোনালোকে আপোনালোকৰ সমষ্টিৰ লগত জড়িত জিলা উপায়ুক্তৰ লগত আলোচনাত মিলিত হওঁক আৰু কাপোৰ আৰু বাচন-বৰ্তনৰ ক্ষেত্ৰত থকা সুবিধাসমূহ আদায় কৰাৰ ব্যৱস্থা কৰক। মই আশা ৰাখিছো, আপোনালোকে এই ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব।

শ্ৰীশ্বেৰমান আলী আহমেদ ডাঙৰীয়াই আৰু এটা বিষয়ত কৈছিল যে - Unemployeed ব্যক্তি সকলে ভাট্টা পোৱাৰ ব্যৱস্থা আছে যদিও কিয় ভাট্টা লাভৰ পৰা বঞ্চিত হৈ আছে? এই সম্পৰ্কে মই কব বিচাৰিছো যে- যি সকলক G. R. দিয়া হয়, তেওঁলোকক Provision মতে ভাট্টা দিব পৰা নাযায়। সেয়েহে এই Unemployeed ব্যক্তি সকলক খোৱা বস্তুকে আদি কৰি যদি আন্যান্য প্ৰয়োজনীয় সামগ্ৰীৰ যোগান ধৰা হয় তেনেক্ষেত্ৰত নিবনুৱা ভাট্টাটো দিয়াৰ Provision নাই। আপুনি যিহেতু এই সম্পৰ্কত অভিযোগ আনিছে আমি এইটো .Re-examine কৰিম। অহা ১ এপ্ৰিলত Central Government ৰ N.H.এ ভাৰতবৰ্ষৰ প্ৰতিখন ৰাজ্যৰ পৰা Proposal বিচাৰে যে আঁচনি সমূহত কিবা Revised কৰাৰ প্ৰয়োজনীয়তা আছে নেকি ? সেইকাৰণে আমি এইবাৰ কেন্দ্ৰীয় চৰকাৰলৈ Revised Proposal পঠিয়াইছো যে এই আঁচনি সমূহত কিছুমান সংশোধন বা Change আনিব লাগে। আমাৰ গ্ৰাম্যঞ্চলত ৯৫ হাজাৰ টকাত যিসমূহ ঘৰ নিৰ্মাণ কৰা হৈছে, সেই ঘৰসমূহ যদি P.M.G.S.Y. আঁচনিৰ এই ঘৰ সমূহ মিলাই সেই একেই পৰিমানৰ টকাটোৱেই যদি দিব পৰা যায় তেতিয়া আমাৰ কাৰণে বেছি ভাল হ'ব নেকি এই কথা বিলাক চিন্তা-চৰ্চা কৰি গোটেইখিনিৰ আমি ইয়াত ব্যৱস্থা কৰিছো। তাৰোপৰি পশুধনৰ মৃত্যুৰ বাবতো ক্ষতিপূৰণ দিয়াৰ Provision আছে। কিন্তু আমাৰ ওচৰলৈ এই সম্পৰ্কে একো Proposal নাহে। Siltation ৰ ওপৰতো ক্ষতিপূৰণৰ ব্যৱস্থা আছে, কিন্তু Proposal নাহে

**মাননীয় অধ্যক্ষ ঃ** Siltation মানে বালিয়ে যে পুটি পেলাই সেইটো নহয় জানো ?

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী ঃ** হয়। বালিয়ে যে পুটি পেলায় সেইখিনি নিৰাময় কৰাৰ ব্যৱস্থা আছে। কিন্তু আমি Agriculture, Fishery বা অন্যান্য Department ৰ পৰা Proposal

নাপালে সেই ধন খিনি দিব নোৱাৰো । সেই কাৰণে অহা এপ্ৰিল মাহত বিভাগ বিলাকৰ লগত এখন সভা আয়োজন কৰিম আৰু সেই সভাত প্ৰতিটো বিভাগক এবছৰৰ বাবে Earmark কৰি ৰখা ধনৰ পৰিমান জনাম যাতে তেওঁলোকে আমাক বিভাগীয় ভাবে অতি সোনকালে Proposal বিলাক দিব পাৰে আৰু আমিও যাতে সেই Proposal ৰ টকা খিনি খৰচ কৰিব পাৰো, তাৰ ব্যৱস্থা কৰিছো । আনকালে প্ৰায়ে শুনা যায় যে পইচা আছে কিন্তু বিভাগে খৰচ নকৰে। কথাটো আচলতে তেনেকুৱা নহয়, Proposal নাহিলে আমি নিজাববীয়াকৈ ধন খৰচ কৰিব নোৱাৰো। এইবাৰ পোন প্ৰথম বাৰৰ বাবে ভাৰত চৰকাৰে **"ব্যৱহাৰিক প্ৰমানপত্ৰ"** নিবিচাৰি আগধন আমাক দি দিয়াৰ ব্যৱস্থা কৰিছে। আগতে আমাৰ পৰা **"ব্যৱহাৰিক প্ৰমানপত্ৰ"** গলেহে টকা দিছিল । কিন্তু ভাৰতৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়া যেতিয়া ইয়াত আহিছিল তেতিয়াই কথা দি গৈছিল যে, ইয়াত যিহেতুকে বান পানীকে আদি কৰি বহুতো **"প্ৰাকৃতিক দুৰ্যোগ"** হয়, সেয়েহে আপোনালোকে আমাক **"ব্যৱহাৰিক প্ৰমানপত্ৰ"** পিছত দিব, আমি আপোনালোকক **"আগধন"** হিচাপে টকা দি দিম। পিছত 2nd Instalment ৰ টকা খিনিওঁ আমাক **"আগধন"** হিচাপে দি দিলে যাতে আমি কামখিনি ভালদৰে কৰিব পাৰো । গতিকে, যদি এই টকাখিনি আমি উপযুক্ত ভাবে খৰচ কৰিব পাৰো তেতিয়া পৰৱৰ্তী সময়ত আমি আৰু টকা আনিব পাৰিম। সেয়েহে মই মাননীয় বিধায়ক সকলক অনুৰোধ জনাইছো আৰু নিৰ্দ্দেশো দিছো যাতে তেওঁলোকে প্ৰতিটো মাহতে তেওঁলোকৰ সমষ্টি বিলাকত নীতি নিৰ্দ্দেশনা অনুসৰি একোখন সভা পাতে আৰু তাতে তেওঁলোকে কি কি বস্তু কেনেকৈ পাব পাৰে সেইটো ব্যৱস্থা কৰে। কোনটো বিভাগৰ কাৰণে Earmark কৰি কি কি বস্তুৰ ওপৰত আমি কিমান টকা ধৰি থৈছো তাৰ ওপৰত বিবেচনা কৰি আপোনালোকে Proposal দিব । বিভাগ সমূহে যিটোৰ ওপৰত অগ্ৰাধিকাৰ দিয়ে আমি সেই মতে টকা আৱন্টন দিম। আমি গড়কাপ্তানি বিভাগত ৭৫ কোটি টকা দিছো। গড়কাপ্তানি বিভাগে যিখন তালিকা দিছে সেইখনৰ কোনো কৰ্তন নকৰাকৈ অনুমোদন কৰি দিছো । আমি জলসম্পদ বিভাগক ২.৫০ কোটি টকা দিছো । জলসম্পদ বিভাগে যিকেইটা মথাউৰি নিৰ্মাণ কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছে, সেই কেইটাৰে Proposal দিছে আৰু আমিও সেই মতে অনুমোদন কৰি দিছো। আমাৰ ফালৰ পৰা কোনো ধৰণৰ অগ্ৰাধিকাৰ দিবৰ বাবে তালিকা আদি বনোৱা হোৱা নাই । সেই সম্পৰ্কত আমাৰ ওচৰলৈ কোনো ধৰণৰ ফাইল পত্ৰ আদিও নাহে, কাৰণ আমি সচিব পৰ্য্যায়তে অনুমোদনৰ কাম শেষ কৰি থৈছো। আমি এই ব্যৱস্থাটো এই কাৰণে কৰিছো যাতে ফাইল Processing ত দেৰি নহয় আৰু সোনকালে কামবোৰ সম্পন্ন হয় ।

মাননীয় অধ্যক্ষ মহোদয়, সেই কাৰণে আমি নতুন চিন্তা ধাৰাৰে কাম বিলাকত আগবাঢ়ি যোৱাত আপোনালোকৰ পৰা সহায় সহযোগিতা বিচাৰিছো, আগৰ যি প্ৰক্ৰিয়া আছিল সেইটো আমি সম্পূৰ্ণ ভাবে সলনি কৰিব বিচাৰিছো যাতে আমি আৰু তাৎক্ষনিক ভাবে আপোনালোকৰ অভাৱ অভিযোগবোৰ Clear কৰিব পাৰিম । প্ৰকৃততে আমি আপোনালোকৰ অভাৱ অভিযোগ বোৰ হৃদয়ঙ্গম কৰিব পাৰিছো। আমি কেতিয়াও এনেকুৱা বক্তব্য দিয়া নাই, যি বক্তব্য শুনিলে দুৰ্গত সকলে মানসিক দুখ বা আঘাত পাব। আপোনালোকক আমি এনেকুৱা ব্যৱহাৰ কেতিয়াও কৰা নাই কাৰণ আপোনালোকে যেতিয়াই আমাক কিবা বিষয় অৱগত কৰিব বিচাৰিছে, আমি তাত সহাৰি দিছো। মোৰ মাত্ৰ এটাই অনুৰোধ তৃণমূল পৰ্য্যায়ত আপোলোকে যি Assessment কৰে সেই খিনি যাতে শুদ্ধ হয়। সেইটো আপোনালোকে বিশেষভাবে লক্ষ্য ৰাখিব।

আলী ডাঙৰীয়া আপুনি হাটৰ ক্ষেত্ৰত যিটো কথা কৈছিলে সেইক্ষেত্ৰত যাতে Assess-

ment টো ভালকৈ হয় তাতো লক্ষ্য ৰাখিব। এই সম্পৰ্কত এখন তালিকা দিব আৰু আমি সেই তালিকা মতে কাম কৰিম। আপুনি যোৱা বছৰ এগৰাকী কেচিয়াৰৰ কথা কৈছিলে যি জনে ২৮ লাখ টকা আত্মসাৎ কৰিছে, মই এই বিষয়টো পুনৰ তদন্ত কৰিম বুলি ভাবিছো আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰীক এই বিষয়ে অৱগত কৰিম আৰু মাননীয় মুখ্যমন্ত্ৰীৰ তদাৰকী বা দুৰ্নীতি নিবাৰক শাখাৰ দ্বাৰা তদন্ত কৰি সেই দোষি ব্যক্তিৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰাৰ কাৰণে আমি পদক্ষেপ গ্ৰহণ কৰিম। মুঠতেই এই গোটেই বিষয়টোত Total Transparent ৰাখিম আৰু সকলোকে লৈ কাম খিনি কৰিম। সেয়েহে মাননীয় অধ্যক্ষ মহোদয় আমাৰ বিৰোধী দলে যি কৰ্তন প্ৰস্তাৱ আনিছে সেইটো উঠাই লবলৈ মই বিৰোধী দলক অনুৰোধ জনাইছো কাৰণ আমাৰ চৰকাৰে যথেষ্ট আন্তৰিকতাৰে কাম খিনি কৰিছো, আগলৈও আপোনালোকক লৈ কাম কৰি যাব বিচাৰিছো । মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছে যে, আমাৰ কৰ্মত আপোনালোকে সন্দেহ নকৰিব কাৰণ আমি চেষ্টাৰ ক্ৰুতি কৰা নাই। আপোনালোকে আমাৰ কামত যদি কিবা বিসংগতি দেখিছে সেইটো আমাৰ দৃষ্টিগোচৰ কৰক। আমি সেইখিনি Ractify কৰিম । আমাৰ সদস্য শ্ৰী চক্ৰধৰ গগৈয়ে কৈছে যে বিধান সভাৰ এটা জাতীয় চৰিত্ৰ এই যে যিকোনো প্ৰাকৃতিক দুৰ্যোগৰ সময়ত আমি সমুহীয়া ভাবে দুৰ্গত সকলৰহে কাম কৰি যোৱা। গতিকে আমাৰ মানসিকতাৰ উন্নতি কৰাৰ প্ৰয়োজন আছে বুলি মানুহে উপলব্ধি কৰিছে ।

আমাৰ মুখ্যমন্ত্ৰী মহোদয়েকৈছে যে আমাৰ কৰ্মটোত আপোনালোকে সন্দেহ নকৰিব। আমি চেষ্টাৰ ত্ৰুটি কৰা নাই। আপোনালোকক লগত ৰাখি আমি কামখিনি কৰিব বিচাৰিছো। ক'ৰবাত যদি আমাৰ বিসংগতি দেখা পাইছে আপোনালোকে আমাক দৃষ্টিগোচৰ কৰক। আমি সেইখিনি শুধৰনি কৰিম। সেই কাৰনে যিটো আমাৰ মাননীয় বিধায়ক চক্ৰধৰ গগৈয়ে কৈছে জাতীয় চৰিত্ৰ এটা গঢ়ি উঠিব লাগে যে, — প্ৰাকৃতিক দুৰ্যোগ হৈছে বা আন কিবা দুৰ্যোগ হৈছে আমি সকলোৱে সমূহীয়াভাৱে দুৰ্গতসকলৰ বাবে কাম কৰিম। তেনেকুৱা এটা মানসিকতা আমি গঢ়ি তোলাৰ বাবে আমি চেষ্টা কৰিম। তেনেকুৱা এটা কৰাৰ প্ৰয়োজন আছে কাৰন মানুহে এই কথাটো উপলব্ধি কৰে। যোৱাবাৰ মাননীয় বিধায়ক কমলেখ্য দে পুৰকায়স্থ দেৰ তাতো এটা প্ৰাকৃতিক দুৰ্যোগ হৈছিলে তাত এইটো লৈ গণ্ডগোল হৈছিলে যে তালিকাখন কোনে প্ৰস্তুত কৰিব। পঞ্চায়তৰ সভাপতিয়ে নে জিলা উপায়ুক্তৰ জৰিয়তে তালিকা প্ৰস্তুত কৰা হ'ব। এইখিনিক লৈয়ে এটা ডাঙৰ বিসংগতি হৈছিল। এনেধৰনৰ সৰু সৰু বিষয়বিলাক যাতে আমি সামৰি লৈ কামখিনি নিয়াৰিকৈ কৰিব পাৰো আমি সেইখিনিয়ে আশা কৰিছো। মোৰ বিশ্বাস আছে সকলোৱে সহযোগিতা থাকিলে এইবাৰ আমাৰ এপ্ৰিলত বিধান সভাৰ অধিবেশন শেষ হোৱাৰ পিচত ----ডি ডি এম ৰ প্ৰথমবাৰৰ বাবে সভা নিজে আয়োজন কৰি আমি উপায়ুক্তসকলক নিৰ্দ্দেশ দিম। যে Flood prepareness ৰ কাৰনে আপোনালোকে এখন সভা কৰক। তাত আপোনালোকে প্ৰতিবেদন লওঁক যে কিমানখন নাও আপোনালোকৰ আপাতকালিন অৱস্থাৰ বাবে আছে। কিমানখিনি পুঁজি তাত আছে। কিমানখিনি ব্যৱস্থা তাত আছে। তাত আৰু আপোনালোকৰ কি কি ব্যৱস্থাৰ প্ৰয়োজন হ'ব। ১৫৪ টা-Circle ত আমি -DDM ৰ পৰা এজন মানুহ দিছো। যাতে গোটেই প্ৰাক্‌কলনৰ কাম কৰিব পাৰে। প্ৰতি জিলাত এগৰাকী মানুহ দিছো। সেই মানুহগৰাকীৰ জৰিয়তে এগৰাকী বিষয়া দিছো। যিগৰাকী বিষয়া সকলো ক্ষেত্ৰতে আপোনালোকক সহযোগিতা কৰিব পাৰে। আমি ১৬ টা বিভাগত এগৰাকী বিষয়া দিছো। যি বিষয়াই এই বানপানীৰ সময়ত বা দূৰ্যোগৰ সময়ত আপোনালোকক সহায় কৰিব পাৰে। আমি টোল ফ্ৰি নম্বৰ দিছো যিToll Free Number ৰ জৰিয়তে আপোনালোকে

যিকোনো সময়ত আপোনালোকৰ তাত যদি কিবা দুৰ্যোগ হৈছে সেই দুৰ্যোগৰ কথা আপোনালোকে জনাব পাৰিব। আমি গোটেই এই ব্যৱস্থাখিনি ইয়াত লৈছো। আৰু কিবা নতুনত্ব ইয়াত আনিব লাগিব, তৃণমূল পৰ্য্যায়ত আৰু কিবা কৰিব লাগিব সেইখিনি পৰৱৰ্ত্তী সময়ত আমি কৰিবলৈ চেষ্টা কৰিম কিন্তু আমি আশা কৰিম যে আপোনালোকে এই ক্ষেত্ৰত আমাক ১০০ শতাংশই সহযোগিতা কৰিব। আৰু দূৰ্যোগৰ সময়ত যাতে কোনোধৰনৰ অসুবিধা নহয় যাতে আমি সেইখিনি ব্যৱস্তা আমি কৰিব পাৰো। খাদ্য সামগ্ৰীৰ ক্ষেত্ৰতো এটা কথা মই আপোনালোকক ক'ব বিচাৰিছো। যাতে দুৰ্যোগৰ সময়ত ঘাঁহৰ কাৰনে , জীৱ জন্তুৰ খাদ্যৰ কাৰনে কোনোধৰনৰ অসুবিধা নহয়। মহত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনিৰ যোগেদি যদি কিবা ঘাঁহ লগোৱাৰ ব্যৱস্থা কৰিব পৰা যায় । আপোনালোকে যদি -DDM ৰ সভাত ক'ত কেনেকৈ কৰিব পৰা যাব এই কতাটো ঠিক কৰিব পাৰে তেতিয়া মই ভাবো পৰিকল্পিত ব্যৱস্থাৰে আপোনালোকে দুৰ্যোগটো মোকাবিলা কৰিব পাৰিব। সন্মানীয় বিধায়কসকলক মই কেৱল এটাই অনুৰোধ জনাব বিচাৰিছো। আমি ঘৰবিলাক এনেকুৱাকৈ বনাইছো যে কালিলৈ গুৱাহাটীত যদি ভূমিকম্প হয় তেন্তে কোনটো ঠাইত আমি মানুহখিনিক ৰাখিম, কোনটো ৰাস্তাৰে আমি যাব লাগিব, ক'ত সমান ঠাই আছে, কিন্তু ইয়াত তেনেকুৱা সমান ঠাই নাই। শিবিৰ পাতিবলৈ ইয়াত জাগা নাই। মানুহে ঘৰটো কেনেকৈ বনাইছে, নলাটো কেনেকৈ বনাইছে সেইটো কিন্তু চিন্তা কৰা নাই। গাওঁ সমূহতো আমি দেখিছো এতিয়া সেই সময়ৰ আমাৰ পূৰ্ব্ব পুৰষসকলে পৰিকল্পিত water reservoir ক'ত হ'ব লাগে ক'তএৰা বাৰী হ'ব লাগে ক'ত ফিল্ড হ'ব লাগে ক'ত ঘৰ বনাব লাগে ক'ত পুখুৰী বনাব লাগে এটা বিজ্ঞানসন্মত ব্যৱস্থা অনুসৰন কৰিছিলে। কিন্তু আজি বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগত নিজকে জ্ঞান সমৃদ্ধ বুলি বিবেচনা কৰো কিন্তু আমি যিখিনি নিৰ্মানৰ কাম কৰো বিজ্ঞান সন্মত দৃষ্টি ভঙ্গী, পৰিকল্পনা আমি অনুসৰন নকৰো। আজি হাতী- বান্দৰৰ উপদ্ৰৱৰ কথা কোৱা হৈছে কিন্তু আজি বনাঞ্চলসমূহ যেনেকৈ সংৰক্ষন কৰিব লাগিছিল সেইখিনি কৰাটো আজিও আমাৰ দৃষ্টিগোচৰ নহয়। আমি এতিয়াও কওঁ যে আমি Forest village ত আমি দিব লাগে P G R, V G R ত আমি দিব লাগে। গো চৰনীয়া পথাৰ আগতে থাকিব লাগিছিল কিন্তু আমি P G R, V G R চিন্তা কৰা নাই। water Body কথা আমি চিন্তা কৰা নাই Forest ৰ কথা আমি চিন্তা কৰা নাই কেৱল আমি কেনেকৈ থাকিব লাগে এইটোৰে চিন্তা কৰিছো। সেই কাৰনে আজি প্ৰাকৃতিক দুৰ্যোগৰ ভয়াবহতাটো বৃদ্ধি হৈছে। সেই কাৰনে বিধান সভাত মোৰ আপোনালোকৰ ওচৰত অনুৰোধ থাকিব যে আপোনালোকে পৰিকল্পনা কৰক যে গোটেই অসমখনক প্ৰাকৃতিক দুৰ্যোগ হ'লে কেনেকৈ আমি চম্ভালিব পৰাকৈ এটা পদক্ষেপ গ্ৰহণ কৰক সেইখিনি আপোনালোকে চিন্তা কৰক। সেইখিনি কৰিব পৰা যদি যায় নিশ্চিতভাৱে আমাৰ সকলোৰে বাবে ভাল হ'ব আৰু মই এই ক্ষেত্ৰত শাসকীয় দলৰ মাননীয় বিধায়ক সকলৰ লগতে বিৰোধী দলৰ মাননীয় বিধায়কসকলে যিটো পৰামৰ্শ দিলে আমি আন্তৰিকতাৰে গ্ৰহণ কৰিছো। এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰি, বিভাগৰ লগত আলোচনা কৰি সেইখিনি কেনেকৈ পৰ্য্যায়ক্ৰমে কৰিব পৰা যায় তাৰ কাৰনে আমি চেষ্টা কৰিম। গতিকে এইখিনি কৈ মই আপোনালোকে কৰ্ত্তন প্ৰস্তাৱটো উঠাই ল'ব বুলি আশা কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** Thank you, please don't hurry. কৰ্ত্তন প্ৰস্তাৱ দুটাৰ প্ৰত্যাহাৰৰ কথাটো আহিছে । তাৰ আগতে নন্দিতা দাসৰ কিবা থকা বুলি কৈছিল, কওক।

**Nandita Dasঃ** মাননীয় অধ্যক্ষ মহোদয় এইটোৰ ওপৰত মইক'ব বিচাৰিছো যিবিলাক

গাওঁলীয়া ৰাস্তা আছে সেইবিলাক ভাঙি যায়। যাৰ বাবে গাওঁলীয়া মানুহখিনি যিবিলাক Foot Bridge বনায় সেইবিলাকো ভাঙি যায়। যোৱা বাৰ মই ২৫খন মান Bridge দিছিলো সেইটো বিভাগে গ্ৰহণ নকৰিলে। গড় কাপ্তানী বিভাগৰ আওঁতাত নপৰে কাৰণ সেইবিলাক গ্ৰাম্য ৰাস্তা হয়। সেই কাৰণে মই Blockত গৈ কৈ দিলো কিন্তু তাত ক'লে পুঁজি নাই। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো এই Foot Bridge বিলাক বনাব লাগে যিহেতু বানপানীৰ সময়ত একেসময়তে ভাঙি যায়। দ্বিতীয়তে মহোদয়, বানপানীৰ সময়ত খোৱাপানীৰ সাংঘাতিক সমস্যা হয়। যোৱা বাৰ বানপানীত আমি এনে সমস্যাৰ সন্মূখীন হৈছো। আমি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ লগত যোগাযোগ কৰি তিনিটা- চাৰিটামানহে দমকল পালো। এইটো আগতীয়াকৈ যাতে ব্যৱস্থা গ্ৰহণ কৰা হয়।

**মাননীয় অধ্যক্ষঃ** সেই কাৰনে তেখেতে আগতীয়াকৈ এখন মিটিং পাতিব কৈছে এইটো খুৱ গুৰুত্বপূৰ্ণ।

**Nandita Dasঃ** তৃতীয়তে মহোদয় আমাৰ গৰু ছাগলীৰ আশ্ৰয়ৰ বাবে ওখ ঠাই নিৰ্মান কৰাটো খুৱ প্ৰয়োজন। আমি যোৱা বাৰ এনৰেগাৰ দ্বাৰা কৰিছো কিন্তু এইবোৰ সোনকালে হৈ নুঠে। আৰু এটা ছাৰ বানপানীত যিখিনি মানুহ মুকলি ঠাইত থাকে তেওঁলোকৰ কাৰণে Plastic Shade লাগে কিন্তু আমি যোৱাবাৰ উপায়ুক্তসকলক অনুৰোধ কৰিছো কিন্তু তেওঁলোকে অনুমোদন নকৰিলে। এই অসুবিধা বিলাক চাব লাগে। ধন্যবাদ ছাৰ।

**মাননীয় অধ্যক্ষঃ** মোৰ তাতো বানপানী হয়। Plasticৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো Provision কিবা আছেনেকি, এনেকুৱাকৈ কয় যে, কেম্পত থাকিলেহে দিয়ে। এনেকুৱা Provision আছে যদি এইটো উল্লেখ কৰি দিব। আৰু কাৰোবাৰ আছে নেকি একেলগে উত্তৰ দিব।

**শ্ৰীআনোৱাৰ হুছেইন লস্কৰঃ** frash Floodৰ কথাটো নক'লে ছাৰ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। কমলাক্ষ দে পুৰকায়স্থ

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থঃ** মই মন্ত্ৰী গৰাকীৰ পৰা জানিব খুজিছো। জুঁইয়ে ঘৰ পুৰিলে কি ব্যৱস্থা আছে? আমি উপায়ুক্তসকলৰ পৰা একো নাপাওঁ।

**শ্ৰীমতিউৰ ৰহমান মণ্ডলঃ** ছাৰ, full damage, partial damage ৰ- কিবা এটা Percentange আছে। মোৰ তাত গোপাল দাস বুলি এজন মানুহৰ ঘৰ জ্বলিছে আৰু তিনিদিন আগতে জনৈক হুছেইন বুলি মানুহ এজনৰ সম্পূৰ্ণ ঘৰ জ্বলিছে কিন্তু আজিলৈকে সাহাৰ্য্য পোৱা নাই অধ্যক্ষ মহোদয়। মই বিচাৰিছো ঘৰ জ্বলা মানুহে ৪-৫ দিনৰ ভিতৰত সাহাৰ্য্য পোৱাৰ ব্যৱস্তা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়ঃ ঠিক আছে, এতিয়া চাহাবুদ্দিন আহমেদ।

**শ্ৰীচাহাবুদ্দিন আহমেদঃ** অধ্যক্ষ মহোদয় , ইয়াত মন্ত্ৰী মহোদয়ে পশুধনৰ ক্ষয়ক্ষতিৰ যিটো কতা ক'লে যোৱা বাৰ মোৰ সমষ্টিৰ চৰ অঞ্চলত চাউলধোৱাত ৮ টা গৰু পুৰিছে , Medical Report হৈছে, Police Report হৈছে আজিলেলৈকে পশুধনৰ ক্ষতিপূৰন পোৱা নাই, এইটো ব্যৱস্থা ল'ব লাগে। ১৮ টা দোকান ঘৰ পুৰিছে ক্ষতিপূৰন পোৱা নাই।

**শ্ৰীআব্দুল কালাম ৰছিদ আলমঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তাত ধুমুহাই যিটো ক্ষতি কৰিলে তাৰ বাবে Circle office ৰ পৰা প্ৰতিবেদন দিছে ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়ে উত্তৰত দিছে, Flood, lightening, Storm, Ero-

sion নতুনকৈ দিছে। এইবাৰ চৰকাৰে দিব। আগতে নাছিল। এইবাৰ গুৰুজ্যোতি দাস।

**শ্ৰীগুৰুজ্যোতি দাসঃ** দোকানঘৰত অগ্নি সংযোগ হ'লে ক্ষতিপুৰনৰ ব্যৱস্থা হ'ব লাগে কাৰন পৰিয়ালটোৰ জীবিকা ৰুদ্ধ হৈ যায় ।

**মাননীয় অধ্যক্ষ ঃ** দোকানৰ কথাটো আগতে কৈছে।

**শ্ৰীআমিনুল ইছলামঃ** Commercial হ'লে Guide Line মতে নাপায় এইটো সংশোধনৰ ব্যৱস্থা হ'লে ভাল হয়অধ্যক্ষ মহোদয়।

**শ্ৰী মিহিৰ কান্তি সোম, উদাৰবন্দ ঃ** মাননীয় অধ্যক্ষ মহোদয়, চাহ শ্ৰমিকৰ যি ক্ষতি হৈ থাকে, তাত কোনো land document নথকাৰ কাৰণে তেওঁলোকে একো ক্ষতিপূৰণ নাপায়। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক ইয়াৰ ব্যৱস্থা লোৱাৰ কাৰণে অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, land document নথকাৰ কাৰণে নাপায়। এইটো মন্ত্ৰী ডাঙৰীয়াই চাব।

এতিয়া মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নীঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ক এটা বিষয় দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে যোৱা বৰ্ষত চাহ বাগিছা অঞ্চল ধুমুহা, শিলাবৃষ্টি হৈ অৱস্থা বেয়া হৈ গৈছে। গতিকে প্ৰশ্নটো হ'ল যে আসাম চাহ বাগানৰ অৱস্থা খুৱ বেয়া, বহুত শ্ৰমিকে অস্থায়ী ভাৱে চালি ঘৰ বনাই আছে, তেওঁলোকৰ land documents নোহোৱা কাৰণে ক্ষতিপূৰণ পোৱা নাই। এই ক্ষেত্ৰত শিথিলতা আনি কিবা কৰিব পাৰি নেকি?

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে।

**শ্ৰী কোশল দুৱৰী, থাওৰাঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ "প্ৰাকৃতিক দূৰ্য্যোগ", ধুমুহাত এখন এখন গাঁওৰ সম্পূৰ্ণ ঘৰ বিলাকৰ ইলেক্ট্ৰনিক বস্তুবিলাক জ্বলি যায়। কিন্তু এইটোৰ কোনো কাৰণত ক্ষতিপূৰণ দিয়া নহয়। এইটো আমি সামৰি লব পাৰো নেকি?

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, গুৱাহাটী পশ্চিমঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন আছিলে যে যিবিলাক অগ্নিকাণ্ডত ঘৰ-দুৱাৰ জ্বলে সেই বিলাক মিত্ৰজোটৰ চৰকাৰৰ কথাটো সুকীয়াই, আগৰ চৰকাৰৰ দিনৰো যিবিলাক ঘৰ-দুৱাৰ অগ্নিদগ্ধ হৈছে আজিলৈকে টকা পোৱা নাই। গতিকে যিবিলাক তেনেধৰণ ঘৰ-দুৱাৰ জ্বলি গৈছে, গোটেই অসমতে এটা নিদিষ্ট সময়ৰ ভিতৰতে যাতে টকা খিনি পাব পাৰে, তাৰ কাৰণে তেনেধৰণৰ কিবা ব্যৱস্থা লব পাৰিব নেকি?

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, আজি মই সকলোকে ধন্যবাদ দিছো যে এই গুৰুত্বপূৰ্ণ বিষয় এটা cut motion ত কেতিয়াও আলোচনা কৰা নাছিলো। It is a vital issue. কাৰণ আমাৰ ইয়াত বানপানী প্ৰত্যেক বছৰে হয়, গতিকে এইবাৰো হোৱাৰ সম্ভাৱনা আছে। আমাৰ মাহেকীয়া মিটিং হ'ব বুলি কৈছে। These are encouraging. প্ৰশ্ন গোটেই কেইটা একে সম্পৰ্কীয়, গতিকে মন্ত্ৰী ডাঙৰীয়া উত্তৰ দিয়ক।

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম আমাৰ মাননীয় সদস্যা শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়ানিয়ে যিখিনি কথা কৈছিলে যে আমাৰ কিছুমান বাঁহৰ দলং নিৰ্মাণ কৰিব পৰা যায় নেকি? যিখিনি বাঁহৰ দলং বনাব পৰা যায়, তাৰ কাৰণে নিশ্চয় আমি বিবেচনা কৰিম যে কেনেকৈ এইটো কৰিব পৰা যায়। কাৰণ already আমি গড়কাপ্তানি বিভাগক ধনখিনি আৱন্টন

কৰি দিওঁ আৰু প্ৰতিটো বিভাগক আৱন্টন কৰা হৈছে। কিন্তু আপোনালোকে যিহেতু গাঁৱৰ ৰাস্তাৰ কথা কৈছে, সেইটো P&RD বিভাগৰ হ'ব। সেই কাৰণে এইক্ষেত্ৰত P&RD বিভাগৰ লগত কেনেকৈ কথা পাতিব পৰা যায় মই মাননীয় মূখ্যমন্ত্ৰীৰ ওচৰত এইটো দৃষ্টিগোচৰ কৰি কিবা ব্যৱস্থা কৰিব পৰা যায় নেকি, সেইখিনি ব্যৱস্থা কৰিম। দ্বিতীয়তে আপুনি যিটো পানীৰ অসুবিধাৰ কথা কৈছিলে তাৰ কাৰণে আমি Disaster Management Committee ৰ Meeting হ'ব। প্ৰত্যেক মাহত আমি দিছো এইবাৰ। আপোনালোকে এপ্ৰিল মাহৰ মিটিংখনত প্ৰত্যেকটো বিষয় চাব যে তাত পানীৰ ব্যৱস্থা কি আছে, বাকীখিনি কি ব্যৱস্থা আছে । কালি কোনোৱাই কৈছিলে যে চাউল ৰাখিব পৰা গুডামৰ ব্যৱস্থা নাই। অন্যান্য যিখিনি খাদ্য সামগ্ৰী ৰখাৰ ব্যৱস্থা নাই। আপোনালোকে গোটেইখিনি তাত ব্যৱস্থা কৰিব। আৰু কি কি সামগ্ৰী বানপানীৰ সময়ত প্ৰয়োজন, তাত নাওঁ আছে নে নাই, অফিচাৰ কোন আছে, কি নাই গোটেই বিষয়খিনি আপোনালোকে তাত আলোচনা কৰি লৈ আমাক দিব। যদি কৰবাত আপোনালোকৰ কম দিয়া যেন লাগে, তেতিয়া হ'লে সেইখিনিৰ ক্ষেত্ৰত কেনেকুৱাকৈ সহযোগিতা কৰিব পৰা যায়, সেইখিনিৰ ক্ষেত্ৰত আমি সহযোগিতা কৰিম। আমি যোৱা বাৰ যিটো গাইডলাইন আপোনালোকক দিছিলো, সেইটো গাইডলাইনত সম্পূৰ্ণভাৱে লিখা আছে। যদি কাৰোবাৰ ঘৰ বতাহত উৰি যায়, তেওঁলোকে কিমান পাব, partial damage হ'লে fully damage হ'লে কিমান টকা পাব, সেইটো গাইডলাইনত সম্পূৰ্ণভাৱে দিয়া আছে। সেইটো আপোনালোকে সম্ভৱ চোৱা নাই, চালে গম পাব। আমাৰ এগৰাকী বিধায়কে কৈছে flash flood বা অন্য সাধাৰণ বানপানী, আমি বানপানী বুলিয়ে ধৰো। তাত কোনো পাৰ্থক্য নাই। flash flood ত যদি মানুহৰ কিবা ক্ষতি হৈছে, তেওঁলোকক যিখিনি ব্যৱস্থা দিব লাগে, ক্ষতিপূৰণ দিব লাগে, আমি দিওঁ। আৰু গোৱালপাৰা জিলাত আপুনিও জানে তাত সেইখিনিৰ ক্ষেত্ৰত কোনো অসুবিধা হোৱা নাই, আমি সেইখিনি সামৰিয়ে লৈছো। তাত আপোনালোকৰ flash flood হ'ব পাৰে, কিন্তু তাত সাহাৰ্য্য পোৱাত কোনো অসুবিধা নহয়, সেই সাহাৰ্য্য খিনি আপোনালোকে পাব। আৰু টিৰপা'লৰ যিটো কথা কৈছে, টিৰপা'ল জি. আৰ. ৰ ভিতৰত দিব পাৰে। অনুমোদন, উপায়ুক্তই দিয়ে আৰু বহু ঠাইত তেনেকুৱা টিৰপা'ল দিয়া হৈছে। আৰু যিসকলৰ তেনেকুৱা দিয়া নাই, আপোনালোকে টিৰপা'ল তাত দিব পাৰিব। সেইকাৰণে মই ভাৱো যে আপোনালোকে যদি এটা দিন কোনো বানপানী নথকা অৱস্থাত, normal period ত DDMA ৰ এখন মিটিং কৰে, গোটেই দিনযোৱা আৰু গাইডলাইনখন লৈ পেলাই আপোনালোকে উপায়ুক্তৰ লগত বহি আলোচনা কৰে, তেনেহ'লে মই আধা সমস্যা আপোনালোকে ইয়াত প্ৰশ্ন কৰিব লগীয়া নহয়। তাত শতকাৰ ৭০ ভাগ বা শতকৰা ৮০ ভাগ সমস্যা তাতে আপোনালোকে সমাধান কৰিব পাৰিব। কাৰণ আমি সকলো কথাত উপায়ুক্তক already empower কৰি থৈছো। অনুমোদন দিয়াৰ গৰাকী, জি. আৰ. দিয়া, ex-gracie দিয়া গোটেই খিনি তেওঁলোকৰ তাত দি দিছো। কেৱল মাত্ৰ যিখিনি বিভাগীয় টকাখিনি আহে, সেইখিনি কেৱল মাত্ৰ এখন SSE Committee ত অনুমোদন দিয়া যায়। কেৱল মাত্ৰ এখন SSE Committee হ'লে হৈ যায়। আমি এইবাৰ পাঁচখন SSE Committee বহাইছো। যোৱা বাৰ আমি সাতখন SSE Committee বহাইছিলো। ২০০৮-০৯ চনৰ পৰা যদি চাই, আগত কেৱল মাত্ৰ এখন দুখন মিটিং হৈছিলে। আপোনালোকৰ proposal আহিলে অতি সোনকালে মিটিংখন আয়োজন কৰি অনুমোদন দিয়াৰ ব্যৱস্থা কৰো।

Raised platform ৰ যিটো কথা কৈছে, সেইটো বনাব পাৰে। আৰু MGNREGA

ৰ conversion ৰ ব্যৱস্থা আছে।

পশুধনৰ কাৰণে proposal আহিলে আমি দিব পাৰো। আমি তাৰ কাৰণে দিয়ে আছো, তাত কোনো আপত্তি নাই আৰু partial damage আৰু fully damage ৰ ক্ষেত্ৰত যিটো পাঁচদিনৰ ভিতৰত দিব লাগে বুলি কথা আছে, তাত এটা technical problem আছে। জি. আৰ. ৰ ফাণ্ডটো আমি চিলিং ফ্ৰি কৰি দিলো। জি. আৰ. ৰ পৰা যিখিনি দিব পৰা যায়, সেইখিনি উপায়ুক্তই তাৰ পৰা মুকলি কৰি দি দিব পাৰে। কিন্তু বাকীখিনিৰ কাৰণে তেওঁলোকে যিটো re-habilitation grant এইটোৰ কাৰণে বিত্তীয় বিভাগলৈ আনিব লাগে। আৰু বিত্তীয় বিভাগৰ পৰা অনুমোদন লব লাগে। গতিকে প্ৰক্ৰিয়াটোত সময় অলপ লাগে। গতিকে অনুমোদনতো সোনকালে আহিলে আমি বিত্তীয় বিভাগলৈ সোনকালে পঠিয়াম। আৰু বিত্তীয় বিভাগেও কৈছে যে আপোনালোকে যদি এইখিনিৰ ক্ষেত্ৰত সোনকালে দিয়ে আমিও অনুমোদন সোনকালে দিব পাৰিম, সেই মতে আমি ব্যৱস্থাটো কৰিম।

চাহ বাগিছাৰ যিটো বিষয়ত land document নোহোৱাৰ কথা কৈছে, আমাৰ মাননীয় মূখ্যমন্ত্ৰীৰ পৰ্য্যায়ত যোৱা মাহত এখন আলোচনা হৈছিলে। আমি সেই আলোচনাতে সিদ্ধান্তটো লৈছো যে দূৰ্গত সকল থাকে তেতিয়া হ'লে তেওঁলোকক আমি সাঙুৰি লম। চাহ বাগিছাৰ মানুহখিনিক specially categorized কৰি তেওঁলোকৰ যিখিনি ক্ষতিগ্ৰস্ত হয়, সেইখিনি সাঙুৰি লোৱাৰ কাৰণে আমি ব্যৱস্থা কৰিম। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, কিছুমান ঠাইত আমাৰ অলপ অসুবিধা হয়, যেনেকৈ Forest land হৈ গ'লে, Forest বিভাগে আমাক অলপ অসুবিধা কৰে। Forest land ৰ ক্ষেত্ৰত তথাপিও মাননীয় মন্ত্ৰী মহোদয়ৰ লগত এইটো বিষয় আলোচনা হৈছে আমি অন্তত তেওঁলোকৰ কাৰণে সেই ব্যৱস্থা কৰিম।

এই বাৰ প্ৰথম বাৰৰ কাৰণে বাজেটত আমি **১০** কোটি টকা ৰাখি থৈছো। যদি খহনীয়াত কাৰোৱাৰ মাটি যায়, তেওঁলোকক যাতে ক্ষতিপুৰণ দিব পৰা যায়। এই বাৰ বাজেটত তেওঁলোকৰ কাৰণে specially fund ৰাখি থৈছো যাতে তেওঁলোকক আমি টকা দিব পাৰো। আৰু তেওঁলোকে বেলেগ কৰবাত মাটি এডোখৰ কিনি লব পাৰে। এনেকুৱা ধৰণৰ কথা আমি চিন্তু চৰ্চা কৰিছো। সেয়েহে এই বিষয়খিনি আমি সাঙুৰি লৈছো।

আপোনালোকে যিখিনি ইলেক্ট্ৰীকেল সামগ্ৰীৰ কথা সুধিছে যে ইলেক্ট্ৰীকেল সামগ্ৰীখিনি যদি বেয়া হৈ যায় তাকো সাঙুৰি লব নেকি? আপোনালোকৰ যিখিনি পৰামৰ্শ পাইছো, আমি বিভাগীয় পৰ্য্যায়ত আলোচনা কৰিম, যদি সেইখিনি কৰিব পৰাৰ ভিতৰত আছে, নিয়মৰ ভিতৰত আছে সেইখিনি সাঙুৰি লবৰ কাৰণে চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া কৰ্তন প্ৰস্তাৱ মাননীয় সদস্য শ্ৰী শ্বেৰমান আলি।

**শ্ৰী শ্বেৰমান আলি, বাঘবৰঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি কথা কলে যথেষ্ট positive । তেখেতক মই ধন্যবাদ জনাইছো। কিন্তু কৰ্তন প্ৰস্তাৱটো উঠাই লোৱাৰ আগতে মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা দুটা কথাত স্পষ্টীকৰণ বা আশ্বাস বিচাৰিম। এটা হ'ল যিটো **২৮,৯২০০০** টকাৰ দুৰ্নীতিৰ কথা কৈছে, সেই **২৮,৯২০০০** টকাৰ নহয়। বৰপেটা জিলাত **৮** টা সমষ্টি বিশেষকৈ পাটাছাৰকুছি আৰু বজালী সমষ্টিত সম্পূৰ্ণ টকা অত্মাসাৎ কৰিছে। আৰু এইটো উপায়ুক্তই কৰা তদন্তটো reflect হৈছে। এইটো **২০১০** চনৰ ঘটনা। আজিলৈকে তেওঁলোকে তেওঁৰ বিৰুদ্ধে suspension কৰা হৈছিল, withdraw কৰা হৈছে। তেওঁক বেলেগ ব্যৱস্থা লোৱা হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, আজিলৈ তেওঁৰ

বিৰুদ্ধে Suspend কৰা হৈছিল Withdraw কৰা হৈছে তেওঁক বেলেগ ব্যৱস্থা লোৱা হোৱা নাই আৰু এই ৯২ লাখ টকা Beneficiary ক দিয়াৰ ব্যৱস্থা কৰা হোৱা নাই । দ্বিতীয়তে, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে, আমাৰ Involvement ৰ কথা DDMA ৰ আমি সদস্য হিচাপে তাত হোৱা এই কথাবোৰ আলোচনা কৰিব পাৰো। আৰু তাত Approval কৰালৈ আমাৰ ক্ষমতা শেষ কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় বহু সময়ত আমি Approval কৰা প্ৰস্তাৱ তেওঁলোকে নপঠিয়াই বা বহু সময়ত আমি পিছৰ Meeting ত পৰ্য্যালোচনা কৰো আৰু তেওঁলোকে Revenue Department লৈ পঠিয়াইছে কিন্তু তেওঁলোকে Sanction দিয়া নাই। মই দুটা মান উদাহৰণ দিছো, School ঘৰৰ ACR মোৰ সমষ্টিতে ২২ খন School ঘৰ totally উটুৱাই লৈ গল। আমাৰ বৰপেটা জিলাত দুই বছৰ আগতে সেইখিনি Proposal পঠিওৱা হল কিন্তু আজিলৈ Disaster Department ৰ পৰা Approval দিয়া নাই। কেইবাৰো Proposal পঠিওৱা হৈছে, জিলাৰ পৰা কিন্তু Approval দিয়া নাই। গতিকে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে, অলপ Department ত Pending যিবোৰ Proposal আছে, বা মই যিবোৰ উত্থাপন কৰিছো, আমাৰ জিলাৰ পৰা কিয় পঠিওৱা নাই সেই ক্ষেত্ৰত এটা ব্যৱস্থা ল'ব লাগে যাতে ইয়াৰ পিছত তেওঁলোকে পেলাই থব নোৱাৰে। দ্বিতীয়তে, চাহ বাগানৰ যি সকলৰ মাটিৰ পট্টা নাই তেওঁলোকক পট্টা নোহোৱাকে যাতে ক্ষতি পুৰণ দিব পাৰে, এইটো মন্ত্ৰী মহোদয়ে আশ্বাস দিছে আমি ধন্যবাদ জনাইছো। তাৰ লগতে যিবোৰ অঞ্চলত Survey হোৱা নাই বহু অঞ্চলত এতিয়া লৈ চৰকাৰে Survey কৰা নাই সেই অঞ্চল বোৰতো যিবোৰৰ পট্টা নাই তেওঁলোকৰ যাতে বিশেষকৈ চৰ অঞ্চলবোৰৰ যি বোৰাত Survey হোৱাই নাই, সেইখিনি ও যাতে সামৰি লোৱা হয়।

**মাননীয় অধ্যক্ষ** ঃ Thank you, this will be the last. ইয়াৰ পিছত আপুনি মন্ত্ৰীৰ লগত কথা পাতিব।

**শ্ৰী শ্বেৰমান আলী আহমেদ (মাননীয় বিধায়ক, বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৫টা বছৰত এই Proposal মোৰ লগতে প্ৰত্যকজন বিধায়কে উত্থাপন কৰিছে যে Burning ৰ কথায়ে হওঁক বা পানীত পৰি মৰা হওঁক বহু Case pending হৈ আছে। কিছুমানে DDM য়ে Approval কৰাৰ পিছত প্ৰস্তাৱ দিয়া নাই, কিছুমান প্ৰস্তাৱ দিয়াৰ পিছতো Sanction হোৱা নাই। এইটো যাতে অনুসন্ধান কৰি গোটেই অসমতে কত কেনেকৈ কি হৈছে এটা Short time ৰ ভিতৰত যাতে এইখিনি কৰিব পৰা যায়।

**মাননীয় অধ্যক্ষ** ঃ এইটো আপোনাৰ ১নম্বৰ Point ৰ লগত মিলে, মই শুনি আছো আপুনি ১নম্বৰত এইটো কৈছে যে Pending বিলাক যাতে Clear হয়। Intelligently আপুনি কৈ আছে, এতিয়া মন্ত্ৰীয়ে উত্তৰ দিয়ক ।

**শ্ৰী পল্লৱ লোচন দাস (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো দুৰ্নীতি ২০১০ চনত হোৱা কথা কৈছে, সেই কথাখিনি কালি বিভাগক মই কৈছোৱে যিহেতু প্ৰথম আপোনাৰ পৰা এই কথাখিনি জানিলো। কালি আপুনি বক্তব্য দিওঁতে ২৮ লাখ টকাৰ কথা কৈছিল, এটা আপোনাৰ Area আৰু এই ২৮ লাখ টকাৰ কথাটো মই Record কৰি লৈছিলো। আজি যিহেতু আপুনি তাতকৈ বেছিকৈ, ৮টা সমষ্টিক সামৰি কৈছে, এই গোটেই বিষয়খিনি মই নিজে চাই মাননীয় মুখ্যমন্ত্ৰীৰ জৰিয়তে ইয়াৰ ওপৰত পুনৰ তদন্ত কৰা প্ৰয়োজন হ'লে আমি ব্যৱস্থা কৰিম আৰু যি গৰাকী বিষয়াই এই ক্ষেত্ৰত জড়িত থাকিব তেওঁৰ ওপৰত আমি উচিত শাস্তিৰ ব্যৱস্থা আমাৰ ফালৰ পৰা গ্ৰহণ কৰিম। ইয়াৰ উপৰিও Education Department ৰ ফালৰ পৰা বা যিখিনি

আপুনি ACR ৰ কাৰণে দিছে, সেই ক্ষেত্ৰত আমাৰ কথা হৈছে যে আমাৰ ৰাজহ বিভাগত কোনো Pending Proposal নাই। আমি এই বিলাক Proposal পোৱা নাই, সেই কাৰণে আমি কৈছো যে আপোনালোকে যেতিয়া DDMA ৰ সভা কৰিব আৰু তাত যেতিয়া Proposal খিনি থাকিব তাৰ পৰা অন্ততঃ এটা কপি যদি আমাক দি দিয়ে তেতিয়া আমি চাব পাৰিম, যদি মোৰ কাৰ্য্যলয়তো আপোনালোকে কপি দিয়ে তেতিয়া হ'লে সেইখিনি আমি চাব পাৰিম। কিন্তু আমাৰ বিভাগৰ ফালৰ পৰা কোনো Pending Proposal নাই, আমাক Department য়ে যিখিনি দিয়ে, সেইখিনিয়ে আমি Sanction কৰো আৰু Department ক Earmark কৰা আছে যে Department য়ে যদি আমাক Proposal দিয়ে, আমি সেইখিনি টকা দি দিম আৰু আপুনি যিটো কম দিনৰ ভিতৰত আপোনালোকে Pending খিনি ঠিক কৰিব দিছে আৰু আপোনালোকৰ যদি কৰ'বাত Specific Pending Proposal আছে আপোনালোকে আমাক জনাওঁক আৰু সেইখিনিৰ ওপৰত আমি বিহিত ব্যৱস্থা ল'ম আৰু খুব খৰটকীয়াকৈ কামখিনি কৰাৰ বাবে আমি পদক্ষেপ গ্ৰহণ কৰিম।

**শ্ৰী শ্বেৰমান আলী আহমেদ (মাননীয় বিধায়ক, বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ আশ্বাসত মই সন্তুষ্ট লগতে DDMA ফালৰ পৰা যদি নপঠায় আৰু আমি Approve কৰাৰ পিছত District office ৰ পৰা যদি পঠিওৱা নাই সেই ক্ষেত্ৰতো যাতে উপযুক্ত ব্যৱস্থা লোৱা হয় এইখিনি আবেদন জনায়, মই মোৰ কৰ্ত্তন প্ৰস্তাৱটো পৰিহাৰ কৰিছো আমাৰ দলৰ হৈ।

**মাননীয় অধ্যক্ষ** ঃ Thank you, এইবাৰ শ্ৰী হাফিজ বছিৰ আহমেদ আপোনালোকৰ দলৰ পৰাও এটা কৰ্ত্তন প্ৰস্তাৱ আছিলে আপুনি ক'ব পাৰে।

**শ্ৰী হাফিজ বছিৰ আহমেদ (মাননীয় বিধায়ক, বিলাসীপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহাশয়ে যিখিনি উত্তৰ, স্পষ্টীকৰণ তথা আশ্বাস দিলে সেইটোৰ ওপৰত আমাৰ সম্পূৰ্ণ আস্থা আছে আৰু এইখিনি নিশ্চয় বাস্তৱায়িত হব। ইয়াৰ লগতে মই এটা Opinion আৰু আপোনাৰ জৰিয়তে এটা আশ্বাস বিচাৰিছো যে ইয়াত Foot Bridge ৰ কথা কোৱা হৈছে Bamboo Bridge আৰু Rural Roads ৰ কথা কোৱা হৈছে। এই ক্ষেত্ৰত মোৰ এটা Opinion দিব বিচাৰিছো যে আমাৰ বিধায়ক সকলক সমষ্টি উন্নয়নৰ বাবে যিটো পুজি দিয়া হয়, ইয়াত Bamboo Ward কৰিব নোৱৰি নেকি ? যদি এইটোৰ বাবে 2/4/5 হাজাৰ টকা আৱণ্টন কৰা হয় তেতিয়া হলে সেইখিনি Problem Slove কৰাৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হ'ব। দ্বিতীয়তে, হল Erosion বা Flood ৰ বাবে কিছুমান সৰু সৰু উপ নৈ আছে য'ত নেকি Timely ৪/৫ হাজাৰ টকা খৰচ কৰিলে Bamboo Protection ৰ বাবে বহুত ডাঙৰ Help হ'ব বা বহুত ডাঙৰ দুৰ্যোগৰ পৰা বাচিব পৰা যায়। কিন্তু সেইখিনি সুবিধা Guide line ত নথকাৰ বাবে কৰিব পৰা নাযায়। এই ক্ষেত্ৰত অধ্যক্ষ মহোদয়, আপুনি যদি Initiative লয় আৰু এই Guide line টো যদি সংশোধন কৰিব পৰা যায়, এইটো আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়লৈ অনুৰোধ থাকিল।

**মাননীয় অধ্যক্ষ** ঃ You give me a proposal, I will talk to the Transformation and Development Department. আৰু Definitely আপুনি কোৱা কথাটো খুব জৰুৰী কেতিয়াবা এইটো অতি প্ৰয়োজন হ'ব পাৰে।

**শ্ৰী হাফিজ বছিৰ আহমেদ (মাননীয় বিধায়ক, বিলাসীপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইখিনি মন্ত্ৰী মহোদয়ৰ পৰা আশা ৰাখি আমি আমাৰ কৰ্ত্তন প্ৰস্তাৱটো পৰিহাৰ কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিব বিচাৰিছো, যিহেতু কৰ্ত্তন প্ৰস্তাৱ দুয়োটা withdraw হৈছে, ২০১৯ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত প্ৰাকৃতিক দুৰ্যোগ সম্পৰ্কীয় কেতবোৰ ব্যয় বহন কৰিবলৈ ভাৰপ্ৰাপ্ত মন্ত্ৰীক ১হাজাৰ ৮৪ কোটি ১৪লাখ ৬১ হাজাৰ টকা মঞ্জুৰ কৰিব লাগে আৰু লগতে ২০১৯ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত সাহাৰ্য্য আৰু পুনৰ সংস্থাপন সম্পৰ্কীয় কেতবোৰ ব্যয় বহন কৰিবলৈ ভাৰপ্ৰাপ্ত মন্ত্ৰীক ১০কোটি ২লাখ টকা মঞ্জুৰ কৰিব লাগে। যি সকল প্ৰস্তাৱ দুটাৰ সপক্ষে আছে , তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয়, মই ভাৱে হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে। দাবী মঞ্জুৰী নম্বৰ ৪১ আৰু ৭২টো গৃহীত হল এতিয়া মঞ্জুৰী নম্বৰ পিছত পানী যোগানাৰ অনাময়ত মই প্ৰথমতে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ক প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী ৰিহন দৈমাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ২০১৯ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত ভাৰপ্ৰাপ্ত মন্ত্ৰীক পানী যোগান আৰু অনাময় শিতানৰ প্ৰশাসনৰ অৰ্থে ২হাজাৰ ৬শ ৬১ কোটি ৮৪.০১ লাখ টকা মঞ্জুৰ কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, এতিয়া ইয়াত দুটা কৰ্তন প্ৰস্তাৱ আছে, মই দুয়োটা প্ৰস্তাৱ একেলগে এজনক উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো যিহেতু প্ৰস্তাৱটো একে । এইবাৰ আপুনি শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই উত্থাপন কৰক।

**শ্ৰী আমিনুল ইছলাম (মাননীয় বিধায়ক, ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০১৮-১৯ চনৰ বাজেটৰ তৃতীয় খণ্ডৰ ৬ নং অংশৰ পানী যোগান আৰু অনাময় শিতানৰ ৩০ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ ২হাজাৰ ৬শ ৬১ কোটি ৮৪ লাখ ১হাজাৰ টকাক ১টকালৈ হ্ৰাস কৰা হওঁক। আৰু আমি আশা কৰিছো অধ্যক্ষ মহোদয়, আমাৰ দুটা বিষয় কম কম সময়ত হ'লেও আলোচনা কৰিবলৈ সুবিধা দিয়ক।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে মই চাম । মোক list দিছে ইতিমধ্যে মই প্ৰথমতে শ্ৰী ৰূপজ্যোতি কুৰ্মীক ক'বলৈ ক'ম তাৰ পিছত শ্ৰী আজিজ আহমেদ খান। এতিয়া শ্ৰী ৰূপজ্যোতি কুৰ্মীয়ে কওঁক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মাননীয় বিধায়ক, মৰিয়ণী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, পানী যোগান আৰু অনাময় শিতানত যি কৰ্তন প্ৰস্তাৱ আমি বিৰোধী দলৰ তৰফৰ পৰা আনিছো, ইয়াক সমৰ্থন জনাই মই চমুকৈ বক্তব্য দাঙি ধৰিবলৈ ওলাইছো। আমি সকলোৱে জানো যে পানীয়ে প্ৰাণ। ২০০৬ চনৰ পৰা বিধায়ক হৈ আছো । প্ৰত্যক বছৰে আগৰ চৰকাৰৰ দিনত ৩/৪ টা পানী যোগান আঁচনি প্ৰত্যেক বছৰে বেলেগ বেলেগ অঞ্চলত আধাৰশিলা স্থাপন কৰাৰ সুবিধা লাভ কৰিছিলো। আৰু তাত গৈ উদ্বোধন কৰাৰ পিছত মানুহৰ যিটো আনন্দ সেইটো দেখা পায় মোৰ সঁচাকৈ বহুত ভাল লাগিছিল। কিন্তু এই যোৱা ২ টা বছৰত বৰ্তমান বিজেপি মিত্ৰজোঁটৰ চৰকাৰৰ সময়ত এটাও পানীযোগান আঁচনি নোপোৱাটোৱে আমাৰ সন্দেহ। আজি দিছে যে এই বিভাগটোত টকা দি কিবা লাভ হ'ব জানো বা এই বিভাগটোৱে প্ৰকৃততে টকা খৰছ কৰিছেনে? এই টকা কি কৰিছে সন্দেহ আহিছে। মাননীয় মন্ত্ৰী ৰিহন দৈমাৰী ডাঙৰীয়াৰ নিশ্চয় মনত আছে ২০০৬ চনত মই প্ৰথম বিধায়ক হওঁতে, তেখেত জনস্বাস্থ্য বিভাগৰ মন্ত্ৰী আছিল। আমাৰ সমষ্টিলৈ গৈ ৩ টা মান পানীযোগান আঁচনি তেখেতৰ লগতে মই উদ্বোধন কৰাৰ সুবিধা লাভ কৰিছিলো। কিন্তু এই ২ টা বছৰত তেখেত

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী হিচাপে আমাৰ মৰিয়নী সমষ্টিত যোৱাই নাই। কোনো মন্ত্ৰীয়ে এতিয়া লৈকে মৰিয়ণী সমষ্টিত পদাৰ্পন নকৰিলে। টিম অসমৰ কথা কোৱা হৈছে, কিন্তু আমি টিভি, পেপাৰত গম পাওঁ যে বিজেপি বা এজিপি বা বিপিএফ দলৰ মিত্ৰজোঁটৰ চৰকাৰৰ বিধায়ক সকলৰ সমষ্টিত মন্ত্ৰী সকল খুব গৈ আছে। আমি গম পাই আছো। ইয়াতে গম পোৱা যায় যে কৰবাত বৈষম্য বা গুৰুত্ব নিদিয়া যেন পৰিবেশ এটা সৃষ্টি হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিলৈ গ'ল, মই সিদিনা গুৱাহাটীলৈ আহিব লগীয়া হ'ল। মই সফুঁৰা, গামোছাৰে তেখেতক সম্বৰ্ধনা জনাব নোৱাৰিলো যদিওঁ মোৰ হৈ বেলেগে তেখেতক সম্বৰ্ধনা জনাইছে। মই সেই সম্বৰ্দ্ধনা অনুষ্ঠানত থাকিব নোৱাৰিলো। যি কি নহওক পানীয়েই প্ৰাণ বুলি আমি যিহেতুকে কওঁ, গতিকে পানীৰ ক্ষেত্ৰত বৰ্তমান বিভাগটোৱে কিমান গুৰুত্ব দিছে। খোৱাপানীতকৈ বেলেগ এটা পানীত বেছি গুৰুত্ব দিয়া যেন হৈছে। কিন্তু যিটো খোৱাপানী আমি খাওঁ সেইটোত যিমান গুৰুত্ব দিব লাগে, ক'ৰবাত দেখা পাইছো যে গুৰুত্ব দিয়া নাই। এতিয়া যোৱা বাজেটত যদি আমি চাওঁ, যিমান টকা দিয়া হৈছিল বা লৈছিল, সেই ক্ষেত্ৰত কৈছিল যে নতুন আঁচনি লোৱা হব। Defunct Scheme বোৰৰ ক্ষেত্ৰত পুঁজি দিয়া হব। ইয়াত কোৱা হৈছেযে ইলেক্‌ট্ৰিক বিলৰ নামত টকা দিয়া হব। awareness programme হ'ব বুলি কোৱা হৈছিল। কেন্দ্ৰীয় চৰকাৰৰ, নাৰ্বাডৰ, বিশ্ব বেংকৰ প্ৰজেক্ট বোৰৰ ক্ষেত্ৰত পুঁজি দিয়া হব। মোৰ মৰিয়ণী সমষ্টিত প্ৰায় ১৬ টা আঁচনি যোৱা ২ টা বছৰত , এই চৰকাৰৰ দিনত বন্ধ হৈ গ'ল। আজি এই ১৬ টা পানী যোগান আঁচনি ১৬ ঠাইৰ মানুহে পানী খাব পোৱা নাই। মাননীয় মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে বা কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব আমি নিশ্চয় শুনা পাম। আমাৰ মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত আমাৰ বিশ্বাস আছে। তেখেতে কিবা এটা উদ্যোগ ল'ব। কিন্তু ২ টা বছৰে হৈ নুঠা এই ১৬ টা আঁচনি বন্ধ হৈ যোৱাৰ আঁৰত কি আছে? জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিভাগীয় জ্যেষ্ঠ বিষয়াক সুধিলে কয়, আপোনালোকৰ দিনত যিটো আছিল, ৯০ঃ১০ special state ৰ যিটো মৰ্য্যদা। তেতিয়া আমি ১০ শতাংশ দিলে, কেন্দ্ৰীয় চৰকাৰৰ পৰা বহুত পুঁজি পাইছিলো। এতিয়া special state ৰ মৰ্য্যদা আতৰাই দিয়াৰ লগে লগে এতিয়া ৮০ঃ২০ হোৱাৰ লগে লগে ২০ শতাংশ, অতিৰিক্ত ১০ শতাংশ কেন্দ্ৰীয় চৰকাৰৰ পৰা যেনে ধৰণে পুঁজি পাব লাগে, নোপোৱাৰ কাৰণে আমি যিমান কাম কৰিব লাগিছিল, সঁচা অৰ্থত আমি কাম চৰকাৰ খনৰ মন্ত্ৰীয়ে হয়তো স্বীকাৰ নকৰিব ইয়াৰ সত্যতা আছে বুলি। এই ১৬ টা পানী যোগান আঁচনি বন্ধ হোৱাৰ কাৰণ কি? আপোনালোকৰ দিনত কেনেকৈ চলাই আছিল। আমাৰ দিনত কৰপৰা কেনেকৈ চলাই আছিল নাজানো। ASEB ৰ Electrical Bill ৰ ক্ষেত্ৰত যদি আমি কাৰ্য্যবাহী অভিযন্তাক কওঁ, যিহেতু ASEB ৰ Additional Chief Engineer নগাওঁত বহে, লগে লগে তেখেত সকলে এটা ফোন কৰাৰ লগে লগে উজনি অসমৰ সমস্যাবোৰ দূৰ হৈছে। আমি পুঁজিৰ অভাৱৰ কাৰণে কৰিব পৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, 'Sustainable Development Goal' ইয়াৰ নং- ২ আৰু ৩ ত। ইয়াত স্পষ্টভাৱে লিখা আছে যে End of Hunger. ইয়াত উল্লেখ কৰা আছে যে Health Security ৰ কামটো উল্লেখ কৰা হৈছে। Food Security ৰ কথাটো উল্লেখ কৰা হৈছে। কিন্তু খোৱা পানী যদি আমি ভাল ধৰণে, পৰ্য্যাপ্ত পৰিমাণে দিব নোৱাৰো আৰু ইয়াৰ পৰাই আমি দেখা পাইছো যে কেন্দ্ৰীয় চৰকাৰৰ জাইকাৰ দৰে পানী যোগান আঁচনি গুৱাহাটীত আজি বহুবছৰৰ পৰা চলি আছে। ইয়াত সময়ে সময়ে আমি শুনা পাওঁ তথ্যত দূৰ্নীতি হৈছে। ইয়াৰ

যদি সত্যতা অলপমানো নাথাকে, সংবাদ মাধ্যমত এই কথাবোৰ কি বুলি পাতিব। এই কথাবোৰ যদি আমি চাওঁ, এই ক্ষেত্ৰত বৰ্তমানৰ চৰকাৰ খনে গুৰুত্ব দিয়া নাই নেকি? এনেকুৰা এটা আমাৰ মনোভাৱ সৃষ্টি হৈছে। মই দীঘলীয়াকৈ বক্তব্য নাৰাখো, যিহেতু আমাক ১০ মিনিট সময় দিয়া হৈছে, সন্মানীয় সদস্য সকলেও হয়তো ইয়াত অংশ গ্ৰহণ কৰিব আৰু আমি অংশ গ্ৰহণ কৰাটো বিচাৰোঁ। সেয়েহে মই দীঘলীয়াকৈ ক'ব বিচৰা নাই। ইয়াত অনাময়ৰ ক্ষেত্ৰত কোৱা হৈছে। এজন বৃদ্ধ লোকে কেইদিনমান আগতে মোক ক'লে যে বোপাই আগতে আমি Electrical Bill দিছিলো। তাত স্বচ্ছতাৰ নামত টকা লোৱা দেখা পোৱা নাছিলো। এতিয়া Tax লৈ আছে কথাটো কি? ইপিনে কৈ আছে, কৰ নলওঁ। ইপিনে আকৌ কৰ লৈ আছে। তাৰোপৰি দেশৰ মাননীয় প্ৰধানমন্ত্ৰীয়ে স্বচ্ছতাৰ নামত পইচা লৈ আছে, আমি দেখা পাই আছোঁ আৰু Advertise বোৰ দি আছে, আমাৰ যি আচঁনি এই আচঁনিবোৰ বুজাব যোৱা যেন হৈছে যে বৰ্ত্তমান চৰকাৰ খনে প্ৰথম বাৰৰ বাবে অনাময়ৰ ক্ষেত্ৰত উদ্যোগ লৈছে। আমি জনাব বিচাৰোঁ যে ২০০১ চনৰ Total Sanitation Mission নামৰ আঁচনি তেতিয়াৰ পৰাই আৰম্ভ হৈছে। তেতিয়াৰ পৰা আৰম্ভ হৈ আগৰ UPA চৰকাৰৰ দিনৰ পৰা এটা Mission চলি আছিল। আৰু তেতিয়াৰ পৰা আৰম্ভ হৈ অৰ্থাৎ আগৰ UPA নেতৃত্বধীন চৰকাৰৰ দিনৰ পৰাই এটাMission চলি আছে। এই আচঁনি চলি আছে। প্ৰচাৰৰ নামত অযথা ইমান টকা খৰছ হোৱা নাছিল। এতিয়া অযথা খৰছ হোৱা যেন আমি অনুভৱ কৰোঁ। কিন্তু প্ৰকৃততে যদি আমি field ত চাওঁ আমাৰ ঠিকাদাৰ সকলে কয়, যে ১২ হাজাৰ টকাৰ লেট্ৰিন দিব লৈছে, ২০১৪-১৫ চনতে এই ১২ হাজাৰ টকাৰ লেট্ৰিনৰ কথা আহিছে। আজি যদি আমি ঠিকাদাৰ সকলক কওঁ কাম কিয় কৰা নাই, আমি টকা স্বচ্ছ মিছ্ন অভিযানৰ পৰা পাব লাগে, পোৱা নাই। কৰ বিভিন্ন ধৰণে লৈ আছে, টকা এৰি দিয়া নাই। অকনমান আমাৰ অসুবিধা আছে। কি অসুবিধা, ইটাৰ দাম বাঢ়িল। প্ৰত্যেক বছৰে চিমেন্ট, বালি ৰ'দ আদিৰ দাম বাঢ়ি গৈ আছে। এতিয়া আহি গল GST । GST ৰ Tax টো হ'ল দিয়া জনেও দিব লাগে। সকলোৱে দিব লাগে। এনে ধৰণৰ কামত যেনেধৰণে অগ্ৰগতি পাব লাগিছিল, তেনেধৰণে আজি অগ্ৰগতি হোৱা নাই আৰু ইয়াৰ ক্ষেত্ৰত বৰ্তমান বিভাগে যেনে ধৰণে গুৰুত্ব আৰোপ কৰিব লাগিছিল, আমি দেখা পাইছোঁ কৰবাত হেমাহি কৰিছে। অনাময়ৰ ক্ষেত্ৰত যদি ক'ব যাওঁ আৰু বহুতে কয় CSR আঁচনিৰ ক্ষেত্ৰত পূৰ্ব্বৰ UPA চৰকাৰৰ সময়তে এইটোৰ এটা proposal আছিল। এই শিতানত ২ শতাংশ প্ৰতিটো উদ্যোগ প্ৰতিষ্ঠানে তেওঁলোকৰ লাভৰ CSR ৰ অধীনত খৰচ কৰিব লাগে। এতিয়া বহু ঠাইত বিভিন্ন কাৰণ বশতঃ left out বহুত মানু হ আছে। সেই left out মানুহ সকলৰ তেনেকুৰা তালিকাত নাম নথকাৰ কাৰণে......তেওঁলোকে লেট্ৰিন বা অনাময় আচঁনি পোৱা নাই। আমাৰ District level সভা হৈছে। কিন্তুCSR যে যেতিয়া লিষ্ট বনোৱাৰ কাৰণে ONGC আৰু Oil ত যোৰহাট জিলা পৰ্য্যায়ত সভা হৈছিল। তাত অধ্যক্ষ মহোদয়, আপোনাৰো প্ৰতিনিধি আছে। তাত আমি দেখা পাইছো যে, আমি যদি Oil India list খন চাওঁ, সেই Oil India ৰ list ত দেখা পাইছো, বিভিন্ন প্ৰতিষ্ঠান গঢ়িবৰ কাৰণে তাত টকা খৰচ হৈছিল। কিন্তু অনাময় ক্ষেত্ৰত ধন দিব লাগিছিল আৰু লেট্ৰিনৰ নামত যিমান টকা খৰচ কৰিব লাগিছিল, বৰ্তমানৰ চৰকাৰখনে এই ক্ষেত্ৰত ধন আৱন্টন দিয়াৰ ক্ষেত্ৰত হেমাহি কৰিছে। আমি সেয়েহে কৰ্তন প্ৰস্তাৱটো অনাৰ উদ্দেশ্য অনাময় পুজিটো কমাই দিব লাগে। আমি যেনে ধৰণে উল্লেখ কৰিছো তেনে ধৰণে নহয়। আমি এটা আলোচনা বিচাৰিছো লগতে চৰকাৰৰ মানননীয় মন্ত্ৰী আৰু বিভাগটোৰ বিষয়া সকলক আমি এটা সচেতনতা আৰু আকৰ্ষণ কৰিবৰ বাবে বিভাগটোয়ে যাতে গুৰুত্ব দিয়ে। আৰু বৰ্তমানৰ মাননীয়

মুখ্যমন্ত্ৰীৰ লগতে মন্ত্ৰী সভাৰ মন্ত্ৰী সকলেও আপোনাক সহযোগ কৰি পেলাই এটা বিশেষ পুজি দি "পানীয়ে প্ৰাণ" এই পানীৰ ক্ষেত্ৰত এটা উদ্যোগ লোৱাৰ বাবে দৃষ্টি আকৰ্ষণ কৰাৰ উদ্দেশ্যেৰ মানসিকতা লৈ হে এই কৰ্তন প্ৰস্তাৱ আনিছো । মাননীয় অধ্যক্ষ মহোদয়, মোৰ সময় যিহেতু ১০মিনিট । মই আপোনাক সন্মান জনাই আৰু বিৰোধী দলৰ সদস্য সকলকো কবলৈ এটা সুবিধা দিয়াৰ উদ্দেশ্যেৰে মই আৰু দীঘলীয়া কৰিব বিচৰা নাই। মই মাথো শেষত মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদী মন্ত্ৰী সভাৰ সকলোকে কব বিচাৰিচো যে আপোনালোকে Team Assam ৰ কথা কৈ আছে। Team Assam ৰ কথা কৈ মাননীয় কেইজন মন্ত্ৰী, মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াইৰ নাম উল্লেখ কৰিব লাগিব, শ্ৰী শুক্লবৈদ্য চাৰ, মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী শ্ৰী ৰিহন দৈমাৰী ডাঙৰীয়াই, আমাৰ ২জন মান মন্ত্ৰী সমষ্টি ভিত্তিত মন্ত্ৰী দায়িত্ব লৈ যোৰহাটত নোৱাৰিলেও জিলা পৰ্য্যায়ত পৰ্য্যালোচনাৰ বৈঠক কৰিছিল। কিন্তু বাকী বহুত মন্ত্ৰীয়ে জিলা পৰ্য্যায়লৈ গৈ নাপালে। আজিলৈকে আমাৰ সমষ্টিত গৈ নাপালে আমি অনুৰোধ জনাইচো আপোনাৰ যোগেদি যদি Team Assam ৰ কথাটো সচা অৰ্থত কৈ আছে, মাননীয় মন্ত্ৰী সকলে এটা উদ্যোগ লওঁক। প্ৰত্যক সমষ্টিতে ১ ঘণ্টা বা ২ঘণ্টাৰ কাৰণে হলেও একোখন পৰ্য্যালোচনী সভা ৰখাৰ বাবে পদক্ষেপ গ্ৰহণ কৰক । মই বিশেষ নকৈ মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি আমি মাননীয় মন্ত্ৰী মহোদয়ক আহৱান জনাইচো, তেখেতৰ বিভাগৰ ওপৰত আমি যি বিষয় সমূহ দাঙি ধৰিলো আৰু অন্যান্য বিধায়ক সকলে যি বিষয় দাঙি ধৰিব, সেই বোৰ তেখেতে গুৰুত্ব সহকাৰে লৈ আমাৰ সমষ্টিৰ মই দুখেৰে জনাও যে ১৬ টা আঁচনি বন্ধ হৈ যোৱাটো প্ৰমান কৰিছে যে বৰ্তমান বিভাগটো অচল হৈছে, বা বিভাগটোয়ে চলাব পৰা নাই আৰু টকাৰ অসুবিধাত যেনে ধৰণে পৰিচালনা কৰিব লাগিছিল কৰিব পৰা নাই আৰু অন্যান্য আঁচনিৰ ক্ষেত্ৰত উদ্যোগ লৈ আগবঢ়াই নিব পৰা নাই । সেইটোতে বিফল হোৱা বুলি অনুভৱ কৰি বিশেষ নকৈ কৰ্তন প্ৰস্তাৱৰ সমৰ্থন জনাই মোৰ বক্ত্যৰৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী আজিজ আহমেদ খান।

**শ্ৰী আজিজ আহমেদ খান ঃ** মাননীয় অধ্যক্ষ মহোদয়, Grant No. 30 PHE বিভাগৰ কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন কৰি মোৰ বক্তব্য ৰাখিব বিচাৰিছো। অসমত ২০১৭-১৮ বৰ্ষত ৯৬ টা পানী যোগান আচঁনি লৈছিলে।

**Speaker ঃ** You can speak in Bengali also.

**আজিজ খান ঃ-** মাননীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাবের সমৰ্থন করে আমি আমার বক্তব্য রাখছি। আজ আমার বক্তব্য হলো অসমে ২০১৭-১৮ সালে ৯৬টি পানীয় জল সরবরাহ প্রকল্পের কাজ হাতে নেওয়া হয়েছিল। তার মধ্যে ২৯টির কাজ শেষ হয়েছে। ৬৭টির কাজ এখনও বাকি আছে। এবং ওই ৬৭টির কাজ কবে শেষ হবে তার কোনও হদিশ নেই। অসমে ৬৪৮টি পানীয় জল সরবরাহ প্রকল্প রয়েছে, পি ডব্লু এস এস। এতে দেখা গেছে আমাদের অসমে প্রায় ৯০ শতাংশ প্রকল্পই বন্ধ রয়েছে।

অধ্যক্ষ মহোদয়, আমাদের করিমগঞ্জে পাঁচটি সমষ্টি আছে। এর মধ্যে দক্ষিণ করিমগঞ্জ আমার সমষ্টি। আমার সমষ্টিতে ২৬টি পানীয় জল সরবরাহ প্রকল্প, পি ডব্লু এস এস রয়েছে। মন্ত্রী মহোদয় গিয়েছিলেন করিমগঞ্জে। উনি মিটিংয়েও ছিলেন, সেখানে আমি বলেছি, মাত্র চারটি প্রকল্প চালু রয়েছে। এরমধ্যে দুটোতে ৫০ শতাংশ, একটি ২৫ শতাংশ চলছে। এবং আরেকটিতে হয়তো ছয় মাসে একবার জল দেওয়া হয়। বাকি ১৮টি প্রকল্প বন্ধ রয়েছে। অত্যন্ত দুঃখের বিষয় যে স্বাধীনতার

সত্তর বছর পরও যদি একটু ভাল জল পান করতে না পারি, তাহলে আমরা কী ভাবে বসবাস করব? সেটা অত্যন্ত দুঃখজনক বিষয়। তাই আমার অনুরোধ এই যে কর্তন প্রস্তাব এনেছি আমরা বিরোধীরা, সেটা টাকা কমানোর জন্য নয়, শুধুমাত্র আলোচনার জন্য।

আমি দেখেছি আমাদের রূপজ্যোতি কুর্মি মহোদয় যে কথা বলেছেন, উনি মন্ত্রী ছিলেন, ২০০৬ সাল থেকে তিনি বিধায়ক রয়েছেন। আমি সেই সব কথায় যাচ্ছি না। আমি পারফেক্ট একটি কথা বলছি, আমাদের যে পানীয় জলের প্রকল্প ৬৪৮টি এখনও খারাপ অবস্থায় রয়েছে, আপনার মাধ্যমে মন্ত্রীকে অনুরোধ করছি, দয়া করে এই ৬৪৮টি পানীয় জলের প্রকল্প যত তাড়াতাড়ি সম্ভব যাতে রিপেয়ারিংয়ের ব্যবস্থা করা হয়। তাহলে গ্রামাঞ্চলের লোকদের অনেক সুবিধা হবে। করিমগঞ্জের মতো এত পিছিয়ে পড়া জেলা আমার মনে হয় না আর অসমের মধ্যে রয়েছে। একদিকে বাংলাদেশ সীমান্ত, একদিকে ত্রিপুরা সীমান্ত, একদিকে মিজোরাম সীমান্ত— এত পিছিয়ে পড়া স্থান। তাই আপনারাও বেশি করে যেতে পারেন না। একমাত্র বরাকের মন্ত্রী, তিনি এখানে রয়েছেন, তিনি যান। আমি অনুরোধ করছি, সবাই যদি একবার করে যান, তাহলে আমাদের করিমগঞ্জ জেলার অবস্থা কী, সেটা দেখতে পাবেন। করিমগঞ্জ জেলায় প্রায় ৯০ শতাংশ পানীয় জল সরবরাহ প্রকল্প বন্ধ রয়েছে ১৫ থেকে ২০ বছর ধরে। আমার সমষ্টিতে ২২টির মধ্যে ১৮টি প্রকল্প পুরোপুরি ড্যামেজ অবস্থায় রয়েছে। আমার সমষ্টিতে একটি টাউনও নেই, পুরোপুরি গ্রামাঞ্চল। যার ফলে আমি অনুরোধ করছি, বিভাগীয় মন্ত্রীর কাছে আগেও একটি চিঠি লিখেছি যে আমাদের প্রকল্পগুলি নিষ্ক্রিয় অবস্থায় রয়েছে। উনি বলেছেন, ছয়টি করে হবে। কিন্তু সেটা হয়েছে কিনা, আমি জানি না। তাই এ ব্যাপারে বিশেষ অনুরোধ করছি আমি।

তাছাড়া আমাদের যে স্যানিটেশন ব্যবস্থা, বর্তমান সরকার বলেছিল যে ২০১৭ সালের ২রা অক্টোবরের পর আর ময়দানে পায়খানা করা চলবে না। কিন্তু আজও সেই প্রতিশ্রুতি পূরণ হয়নি।

আজকের দিনেও ময়দানে পায়খানা করা হচ্ছে। আমাদের করিমগঞ্জে ময়দানে কেন পায়খানা করা হবে না, একটিও কমিউনিটি টয়লেট নেই পুরো জেলায়। বাকি জেলাগুলিতে কী হবে, আমার বলার কিছু নেই। আমি বিশেষ ভাবে অনুরোধ করছি বিভাগ থেকে অন্তত পক্ষে ২০-২৫টি করে কমিউনিটি টয়লেট করা হয় একটি জেলায়, যাতে টাউনগুলি আগে রক্ষা পায়। তারপর গ্রামগুলি দেখবেন। আমাদের করিমগঞ্জে আমার জানা নেই, একটিও কমিউনিটি টয়লেট রয়েছে কিনা। যদি কেউ জানেন তো বলবেন, তবে রয়েছে কিনা আমার সন্দেহ রয়েছে।

আমাদের করিমগঞ্জে পাঁচটি সমষ্টি রয়েছে। গ্রামাঞ্চলে যেভাবে স্যানিটেশনের অসুবিধা দেখা দিয়েছে, ব্রিকের দাম বেশি, বালির দাম বেশি যে বারো হাজার কিছু টাকা দেওয়া হয়, সেটা দিয়ে নির্মাণ করা সম্ভব হয় না। আরও অসুবিধা হচ্ছে যে এনজিও যাদের দায়িত্ব দেওয়া হয়েছে, তারাও টাকা পায় না। এর ফলে বিরাট অসুবিধা হচ্ছে।

আমার বক্তব্য দীর্ঘ না করে একটি অনুরোধ করলাম, আমাদের যেগুলি পানীয় জলের প্রকল্প রয়েছে, পিছিয়ে পড়া অঞ্চল আমাদের করিমগঞ্জ জেলা। তাই অধ্যক্ষের মাধ্যমে মন্ত্রীকে অনুরোধ করছি, যেহেতু পিছিয়ে পড়া অঞ্চল, মিজোরাম-ত্রিপুরা সীমান্তবর্তী এলাকা। তাই দয়া করে এ ব্যাপারে ব্যবস্থা নেওয়ার অনুরোধ করে কর্তন প্রস্তাবের সমর্থন করে বক্তব্য শেষ করছি।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী মৃণাল কুমাৰ শইকীয়া।

**শ্ৰী মৃণাল কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বিৰোধীয়ে Water Supply & Sanitation Deptt.ৰ Grantৰ ক্ষেত্ৰত যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধীতাৰে মই

দুযাৰমান ক'ব বিচাৰিছো। প্ৰথমতে মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ দিব খুজিম যে যোৱাকালি গোটেই অসমত একেলগে ১ লাখ Toilet ৰ কাম আৰম্ভ হৈছে আৰু এই আচঁনি আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মৰিগাওঁত আৰম্ভ কৰিছে। দেখা যায় যে, আমাৰ চৰকাৰ অহাৰ পিছত শৌচালয় নিৰ্মানৰ কাম যিদৰে খৰতকীয়া কৰিছে সেইটো পূৰ্বতে নাছিল আৰু মই আশাঁ ৰাখিছো যাতে অতি সোনকালে অসমখন Open defecation free ৰাজ্যত পৰিণত হ'ব। মোৰ সমষ্টিতে আমাৰ চৰকাৰ অহাৰ পাছত মুকলিত শৌচ নকৰা ৩ খন পঞ্চায়ত declare দিবলৈ সক্ষম হৈছো। PHE deptt.ত ইমান খৰতকীয়াকৈ কামবিলাক কৰা হয় যে Contractor য়ে আজি বিল Submit কৰিলে পিছদিনাখনে বিল পোৱাৰ ব্যৱস্থা থাকে। সেইকাৰণে মাননীয় মন্ত্ৰী মহোদয়ক মই ধন্যবাদ জনাইছো। আশা ৰাখিছো অ্সমখন অতি সোনকালেই Open defecation free ৰাজ্যত পৰিণত হ'ব।

দ্বিতীয় কথাটো হ'ল পানী। যিটো Cut Motion আহিছে, এইবাৰ grant বিচৰা হৈছে ২৬৬১ কোটি টকা আৰু ৮৪ লাখ টকা। মই ভাৱো এইটো Cut Motion ৰ পৰিবৰ্তে Add Motion হে হ'ব লাগিছিল কিয়নো পানীৰ সমস্যাৰ ওপৰত আমাৰ কৰিবলগীয়া বহুখিনি কাম আছে। পানীয়ে প্ৰাণীৰ প্ৰাণ যিটো আমাৰ মাননীয় সদস্য ৰূপজ্যোতি কূৰ্মী ডাঙৰীয়াই কৈ গৈছে। হয়,ডাক্তৰৰ উপদেশমতে প্ৰত্যেক ব্যক্তিয়ে দিনটোত তিনি লিটাৰ বিশুদ্ধ পানী খাব লাগে। কিন্তু আমাৰ স্বাধীনতাৰ ৭০ বছৰ হ'ল আৰু এই ৭০ বছৰ কোনে অসমত বা ভাৰতত চৰকাৰ চলাইছিলে সকলোৱে জানে। এই ৭০ বছৰত সকলো ৰাইজক ভালকৈ খোৱাপানী যোগান ধৰিব নোৱাৰিলে। মই সেইকাৰণে ভাৱো যে, খোৱাপানীৰ যোগানত আমি বিশেষভাৱে গুৰুত্ব দিব লাগে। স্বাস্থ্যৰ নামত বহু পুঁজি আবণ্টন দিয়া হয় অসুখ হোৱাৰ পাছত আমি Treatment ৰ কাৰণে খৰচ কৰো। Prevention is better than cure. বেচিভাগ অসুখৰে মূল কাৰণটো হ'ল খোৱাপানী। লেতেৰা পানী খালে আমাৰ অসুখ হয়। মাননীয় অধ্যক্ষ মহোদয়, মই অলপদিনৰ আগতে এটা খোৱাপানীৰ বটল এই সদনত উপস্থাপন কৰিছিলো । মই কাকো দোষাৰোপ কৰিবৰ কাৰণে বা মন্ত্ৰী মহোদয়ক দোষাৰোপ কৰাৰ কাৰণে এই পানী বটলটো অনা নাছিলো। গোটেই অসমতে এইটো এটা ডাঙৰ সমস্যা। এই সমস্যাটো গুৰত্ব সহকাৰে লবৰ কাৰণেহে মই এইটো কৰিছিলো। নিৰ্বাচনৰ

পাছত মই মোৰ সমষ্টিৰ কটিয়া পথাৰ নামৰ এখন গাওঁ যিখন কঠাঁলগুৰি পঞ্চায়তৰ অন্তৰ্গত তাত গৈছিলো ।তাত মোক লগ ধৰিবলৈ বাগান সম্প্ৰদায়ৰ মানু হ কিছুমান ৰৈ আছিলে। আবেলি সময় আছিল। এগৰাকী বৃদ্ধা মহিলাই হাতত পানী এবটল লৈ ৰৈ আছিল। পানীখিনি দেখাত আমাৰ থলুৱা মদ লাওপানীৰ নিচিনা আছিল। মই ভাবিলো বাইদেউ গৰাকীয়ে ঘৰত খাব কাৰণে বটলটো কিনি নিছে। তেতিয়া তেওঁ ক'লে যে, এইটো তোক দিবলৈহে আনিছো, আমি এনেধৰণৰ পানীহে খাওঁ সেই কাৰণে তই খোৱা পানীৰ ব্যৱস্থা কৰি দিবি। মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো যে তেখেতে এটা team তালৈ পঠিয়ালে আৰু এই গাঁওখনৰ জৰীপ কৰিলে। সেইকাৰণে খোৱা পানীৰ বাবে আমি বিশেষ ভাৱে ব্যৱস্থা ল'ব লাগে। দেখা যায় যে, অসমক প্ৰকৃতিয়ে বহুত উপহাৰ দিছে। অসমক Land of Rivers বুলি ক'ব পাৰি কাৰণ আমাৰ চাৰিওফালে নদী আছে। কিন্তু এটা famous poem ৰ কেইটামান শাৰী আছিল যে, "Water, water, everywhere water, not a single drop to drink". আমাৰো ঠিক তেনেকুৱাই হৈছে। চাৰিওফালে

পানী, কিন্তু আমাৰ খোৱা পানীৰ অভাৱ। এই অভাৱটো দূৰ কৰিবলৈ আমি পুঁজি দি প্ৰত্যেকখন গাঁৱে যাতে খোৱা পানী পায়, ইয়াৰ বাবে অসম চৰকাৰে বিশেষ ভাৱে ব্যৱস্থা কৰিব লাগে। বিভিন্ন স্থানত ৰাইজে আপত্তি কৰাৰ বাবে আমি M.L.A. fund ৰ পৰা Tubewell পাতি দিওঁ। মই নিজেই বোধকৰো প্ৰায় ১০০ টা মান Tubewell দিছোঁ। কিন্তু সেই Tubewell ৰ পৰা ভাল পানী নোলায়, আইৰন বা আৰ্চেনিক যুক্ত পানীহে ওলায়। প্ৰকৃতিয়ে আমাক উপহাৰ স্বৰূপে দিয়া সম্পদ, নদীৰ পানী, য'ত আইৰন, আৰ্চেনিক নাই, সেই উপহাৰ আমি আজিও ব্যৱহাৰ কৰিব পৰা নাই। আজিও মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ Chamber ত গৈ এই খোৱা পানীৰ সমস্যাৰ বিষয়ে অৱগত কৰিছিলোঁ । মই বিধায়ক হোৱাৰ আগৰে পৰা খোৱা পানীৰ সমস্যাটো মই প্ৰধান সমস্যা হিচাপে লওঁ। বিভিন্ন আঁচনিৰ বাবে আমি সময়সীমা বান্ধি দিওঁ কিন্তু আজিলৈ এনেকুৱা কোনো আঁচনিৰ নাম শুনা নাই যিখন আঁচনি এটা বিশেষ সময় সীমাৰ ভিতৰত সম্পূৰ্ণ হৈ অসমৰ প্ৰত্যেকজন মানুহে বিশুদ্ধ খোৱা পানী পাব। এই ক্ষেত্ৰত ১৭ বছৰে আমি কি কাৰণে বঞ্চিত হৈ আছো তাৰ কাৰণ মই আজিও ভাবি পোৱা নাই।

**মাননীয় অধ্যক্ষঃ** আপুনি Rain Water Harvesting ৰ বিষয়ে কেতিয়াবা চাইছে নেকি ?

**শ্ৰী মৃণাল শইকীয়া, মাননীয় সদস্য (খুমটাই)ঃ** অধ্যক্ষ মহোদয়, Rain Water Harvesting য়ে খৰালি কালত বিশুদ্ধ খোৱা পানীৰ চাহিদা পূৰণ কৰিব নোৱাৰে আৰু বাৰিষা কালত মানুহে খোৱা পানীৰ সিমান অসুবিধা অনুভৱ নকৰে কাৰণ বহু গাঁৱত মানুহে পুখুৰীৰ পানীকে খোৱা পানী হিচাপে ব্যৱহাৰ কৰে। উপায় নথকাৰ বাবে তেওঁলোকে বিশেষ চিন্তা নকৰে। কিন্তু, খৰালি কালত সেই পুখুৰীৰ পানী শুকাই যায়। মই এনেকুৱা কিছুমান মানুহো দেখিছো যিয়ে বাৰিষা কালত ডাঙৰকৈ খাল এটা খান্দি লয় আৰু তাত তেওঁলোকে পানী জমা কৰি গা ধোৱা, খোৱা কামত ব্যৱহাৰ কৰে। কিন্তু, খৰালিত পুখুৰীত পানী নথকাৰ ফলত খোৱা পানীৰো অভাৱ আহি পৰে। আজি মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক খোৱা পানীৰ সমস্যাটোৰ বিষয়ে অৱগত কৰাত তেওঁ বিষয়টো খুব গুৰুত্ব সহকাৰে শুনে আৰু ইয়াৰ সমাধান উলিয়াবলৈ চেষ্টা কৰে। আমাৰ মাননীয় বিধায়ক শ্ৰী প্ৰশান্ত ফুকন ডাঙৰীয়াই ডিব্ৰুগড়ত ATM system ত পানী দিয়াৰ ব্যৱস্থা এটা কৰিছিল। আমি যিদৰে ২৬ হাজাৰ গাঁৱত ট্ৰেক্টৰ দিয়াৰ ব্যৱস্থা কৰিছোঁ ঠিক তেনেদৰে মুখ্যমন্ত্ৰী মহোদয়ে এটা পানী যোগান আঁচনি যাতে লয় যাৰ জৰিয়তে প্ৰত্যেক খন গাঁও আৰু ৱাৰ্ডত ATM system ত পানী দিয়া মেচিনৰ ব্যৱস্থা কৰা হয়। ইয়াৰ খৰচ ১০ লাখ টকাৰ ভিতৰতে হৈ যায়। এই সমস্যাটো বিধান সভাত Sustainable Development Goal হিচাপে পৰিগণিত হ'ব। আৰু এটা কথা মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ যে আমাৰ যিবোৰ পানী যোগান আঁচনি আছে সেইবোৰ যদি কেতিয়াবা বিকল হয় বা পাইপ ছিঙি যায় তাৰ মেৰামতিৰ বাবে ইঞ্জিনীয়াৰে কোৱা মতে তেওঁলোকৰ কোনো fund নাথাকে। গতিকে, তেখেত সকলক এটা Contingency fund দিব লাগে যাৰ যোগেদি তেওঁলোকে তাৎক্ষণিক ভাৱে মেৰামতিৰ কামবোৰ সম্পূৰ্ণ কৰি তুলিব পাৰে। অধ্যক্ষ মহোদয়, মই এইখিনিয়ে কৈ কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। আমাৰ হাতত এতিয়া প্ৰায় পাঁচ মিনিট সময় আছে । এতিয়া কোনোবা এজন সদস্যক যদি ক'বলৈ দিওঁ তেন্তে তেওঁ আজি কৈ নিশ্চয় শেষ কৰিব নোৱাৰিব। গতিকে সদনে যদি সন্মতি দিয়ে বাকী খিনি কৰ্তন প্ৰস্তাৱ মই অহাকালি গ্ৰহণ কৰিম নেকি ?

(সদনে অনুমতি প্ৰদান কৰে)।

এতিয়া, এখন Bill উত্থাপন কৰিবলৈ মই শ্ৰী মতী প্ৰমীলা ৰাণী ব্ৰহ্ম ডাঙৰীয়ানীক অনুৰোধ কৰিছোঁ।

**শ্ৰী মতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মাননীয় মন্ত্ৰী, বন আৰু পৰিৱেশ ইত্যাদিঃ** "The Assam Forest Regulation (Amendment) Bill, 2018" বিধেয়ক খন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** বিধেয়ক খন উত্থাপন কৰাত সদনৰ অনুমতি আছে নে?

(সদনে অনুমতি প্ৰদান কৰে)।

এতিয়া, অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়ক খনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব, অসম বিধান সভাঃ** "The Assam Forest Regulation (Amendment) Bill, 2018".

**মাননীয় অধ্যক্ষঃ** মই বিধেয়ক খন সদনত উত্থাপন কৰা হ'ল বুলি ঘোষণা কৰিছোঁ।

**The House is now adjourned till tomorrow 09.30 a.m.**